
● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

দিগ্‌দৰ্শন



ভুলৰ পাছত ভুল কৰিয়ে মানুহে সমগ্ৰ সত্য আৱিষ্কাৰ কৰে।

ছিগমণ্ড ফ্ৰয়েড
*মনস্তত্ত্ববিদ*

www.dainikagradoot.in

৫ তিনিদিনত ২৭ শিশুক হত্যা, তালিবানৰ বৰ্বৰতাত স্তম্ভিত বিশ্ব
১১ অলিম্পিকত ক্ৰিকেটৰ অন্তৰ্ভুক্তিৰ প্ৰস্তুতি আইচিচিৰ
৪ সাত বছৰত আৰু সাত কোটি লোক দৰিদ্ৰতাৰ কৱলত

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ৩০২তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ২৫ শাওণ ১৪২৮ ভাস্কৰাব্দ ১১ আগষ্ট ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 11 August 2021 মূল্য ঃ ৭.০০ টকা

■ মুঠ বৰঙণিৰ ৭৬ শতাংশই বিজেপিৰ দখলত, কংগ্ৰেছৰ লাভ মাত্ৰ ৩১৮ কোটি টকা

## নিৰ্বাচনী বণ্ডৰ জৰিয়তে এবছৰতে ২৫৫৫ কোটি টকা সংগ্ৰহ কৰিলে বিজেপিয়ে



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** নিৰ্বাচনী বণ্ডৰ জৰিয়তে চান্দা আহৰণৰ ক্ষেত্ৰত দেশৰ অন্যান্য ৰাজনৈতিক দলসমূহক বহু পাছ পেলালে বিজেপিয়ে। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা তথ্য অনুসৰি, ২০১৯-২০ বিত্তীয় বৰ্ষত নিৰ্বাচনী বণ্ডৰ মাধ্যমৰে দেশৰ বিভিন্ন ৰাজনৈতিক দলে মুঠ ৩,৩৫৫ কোটি টকাৰ পুঁজি সংগ্ৰহ কৰিছিল। এই ধনৰাশিৰ ২,৫৫৫ কোটি টকা আহৰণ কৰিছিল বিজেপিয়ে। নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৰাজনৈতিক দলে দেশত সংগ্ৰহ কৰা মুঠ বৰঙণিৰ ৭৬ শতাংশ লাভ কৰিছিল বিজেপিয়ে। বিজেপিৰ *আঠ পৃষ্ঠাত চাওক*

## দেউৰী স্বায়ত্ত পৰিষদত ২৭ কোটি টকাৰ কেলেংকাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী,১০ আগষ্ট ঃ** দেউৰী জনগোষ্ঠীৰ উন্নয়নৰ বাবে গঠন হোৱা দেউৰী স্বায়ত্তশাসিত পৰিষদত বিয়াগোম বিত্তীয় কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। ২০১৪-২০১৫ বিত্তীয় বৰ্ষৰ পৰা চলিত বিত্তীয় বৰ্ষলৈ *আঠ পৃষ্ঠাত চাওক*

■ প্ৰতি বেৰেল খাৰুৱা তেলৰ মূল্য সাত ডলাৰ হ্ৰাস ৩০ জুলাইৰ পৰা

## আন্তৰ্জাতিক বজাৰত হ্ৰাস পালেও ভাৰতত চৰা পেট্ৰ'ল-ডিজেলৰ মূল্য



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** ভাৰতত পেট্ৰ'ল-ডিজেলৰ অত্যধিক মূল্যবৃদ্ধিৰ বাবে ইমানদিনে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে আন্তৰ্জাতিক বজাৰত অপৰিশোধিত তেলৰ মূল্য বৃদ্ধিক জগৰীয়া কৰি আহিছিল; কিন্তু সম্প্ৰতি আন্তৰ্জাতিক বজাৰত খাৰুৱা তেলৰ মূল্য যথেষ্ট হ্ৰাস পাইছে। যোৱা ৩০ জুলাইৰ পৰা প্ৰতি বেৰল অপৰিশোধিত তেলৰ মূল্য প্ৰায় সাত ডলাৰ হ্ৰাস পাই ৭০ ডলাৰৰ তললৈ নামিছে। কিন্তু আগষ্টৰ এই মুহূৰ্তলৈকে ভাৰতত তেলৰ মূল্য সৰ্বকালৰ সৰ্বাধিক হৈয়ে আছে। ইন্ধনজাত পেট্ৰ'পণ্যৰ মূল্য হ্ৰাসৰ কোনো লক্ষণ এতিয়ালৈকে দেশত প্ৰকট নহ'ল। অৰ্থনীতি *আঠ পৃষ্ঠাত চাওক*

## পুনৰ ছিকিমত উদ্ধাৰ অসমৰ ১৩ কিশোৰ-কিশোৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ আগষ্ট ঃ** দৰিদ্ৰতাৰ সুযোগ লৈ দুষ্টচক্ৰই অসমৰ পৰা বহিঃৰাজ্যলৈ সৰবৰাহ কৰা ১৩জন কিশোৰ-কিশোৰীক উদ্ধাৰ কৰিবলৈ আৰক্ষী সক্ষম হৈছে। উল্লেখ্য যে যোৱা ১৯ জুলাইত চিৰাং আৰক্ষীয়ে *সাত পৃষ্ঠাত চাওক*

## চফ্ৰাইত অপহৃত শিশুৰ মৃতদেহ উদ্ধাৰ, নৰবলিৰ সন্দেহ

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ১০ আগষ্ট ঃ** চৰাইদেউ জিলাৰ চফ্ৰাইত এটি কন্যা শিশু কোনো বিকৃত মানসিকতাৰ লোকৰ অন্ধবিশ্বাস বা যৌন নিৰ্যাতনৰ বলি হোৱাৰ সন্দেহ কৰা হৈছে। কালিৰে পৰা নিৰুদ্দিষ্ট হৈ থকা চফ্ৰাই চাহ বাগিচাৰ এটি পাঁচবছৰীয়া কন্যা শিশুৰ মৃতদেহ *সাত পৃষ্ঠাত চাওক*


■ প্ৰাৰ্থী বাছনিৰ ৪৮ ঘণ্টাৰ ভিতৰত অপৰাধৰ তথ্য দিব লাগিব ■ আমাৰ হাত বন্ধা, বিধায়িনীৰ ক্ষেত্ৰত অনুপ্ৰৱেশ কৰিব নোৱাৰো ■ উচ্চতম ন্যায়ালয়ৰ আবেদনক কৰ্ণপাত নকৰে দলসমূহে

# অপৰাধ ৰাজনীতিত উদ্বিগ্ন ন্যায়ালয়



*মীৰাবাঈ-লাভলীনা-মেৰীকম ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অলিম্পিক তাৰকাসকলৰ চিত্ৰ অংকন, মহানগৰীত মঙলবাৰে।*

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** ৰাজনীতিক অপৰাধমুক্ত কৰিবলৈ দেশজুৰি সচেতন পক্ষৰ চৰ্চা অব্যাহত আছে। ইয়াৰ মাজতে আজি দেশৰ উচ্চতম ন্যায়ালয়ৰ এই সম্পৰ্কীয় এক ৰায়দানে অপৰাধমুক্ত ৰাজনীতিৰ পথ নিৰ্ণয় কৰিব বুলি আশাৰ সৃষ্টি হৈছে। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে আজি এক ৰায়দানত কয় যে নিৰ্বাচনী প্ৰাৰ্থী বাছনিৰ ৪৮ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ অপৰাধৰ তথ্য ৰাজনৈতিক দলসমূহে ৰাজহুৱা



কৰিব লাগিব। চৰকাৰসমূহে যাতে ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে এই ক্ষেত্ৰত প্ৰতিৰোধমূলক পদক্ষেপৰূপে ন্যায়ালয়ে কয় যে উচ্চ ন্যায়ালয়ৰ অনুমোদন অবিহনে বিধায়ক আৰু সাংসদসকলৰ বিৰুদ্ধে থকা অপৰাধ গোচৰ প্ৰত্যাহাৰ কৰিব নোৱাৰিব। যোৱা ফেব্ৰুৱাৰীত বিহাৰ বিধানসভাৰ নিৰ্বাচন সম্পৰ্কীয় এক ৰায়দানত উচ্চতম ন্যায়ালয়ে কৈছিল যে প্ৰাৰ্থীসকলে তেওঁলোক নিৰ্বাচিত হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত অথবা *সাত পৃষ্ঠাত চাওক*

■ মহাজোঁটক সমৰ্থন কৰিও হঠাৎ বিৰোধিতা কিয়? প্ৰশ্ন কৰি ক'লে আমিনুল ইছলামে
■ নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ এটা দলে জি এম চি এইছত সাক্ষাতৰ পাছতে সলনি হয় আচৰণ

## অখিলক বিশ্বাস কৰিবলৈ টান! ১০ কোটি বিচাৰিছিল ইউডিএফৰ পৰা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ আগষ্ট ঃ** আসন্ন উপ-নিৰ্বাচনৰ জৰিয়তে পৰৱৰ্তী লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিজেপি বিৰোধী এক ঐক্যশক্তি গঠনৰ তৎপৰতাৰ আৰম্ভণিতেই মত বিৰোধ তীব্ৰতৰ হৈছে। এই বিৰোধ প্ৰধানকৈ এআইইউডিএফ আৰু ৰাইজৰ দলৰ মাজত ৰাজহুৱা হৈছে। দল দুটাৰ মাজত অব্যাহত থকা বাদানুবাদক আজি অধিক গতি দি এআইইউডিএফৰ বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ)এ কয়, 'আজি অখিল গগৈয়ে এআইইউডিএফৰ বিৰুদ্ধে অপপ্ৰচাৰত লিপ্ত *আঠ পৃষ্ঠাত চাওক*



## চাবুৱাত আন এক গোচৰৰ পৰা দোষমুক্ত হ'ল অখিল

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১০ আগষ্ট ঃ** চাবুৱা আৰক্ষী থানাত পঞ্জীয়ন হৈ থকা আন এটা গোচৰৰ পৰা আজি আদালতত দোষমুক্ত হ'ল কৃষক নেতা তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈ। *আঠ পৃষ্ঠাত চাওক*

অখিল গগৈৰ পৰ্দাৰ আঁৰৰ চৰিত্ৰ সমাজৰ বাবে যথেষ্ট ক্ষতিকাৰক ঃ সৰৱ হৈ উঠিল বিজেপি

## বিধায়ক আমিনুলক ফকলেণ্ডু আখ্যা অখিলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ডিব্ৰুগড়, ১০ আগষ্ট ঃ** যোৱা বিধানসভা নিৰ্বাচনৰ পূৰ্বে দল গঠন কৰি কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটৰ অংশীদাৰ হ'বলৈ বিধায়ক অখিল গগৈয়ে সম্প্ৰতি সমালোচনাত মুখৰ হৈ থকা এআইইউডিএফৰ পৰা ১০ কোটি টকা বিচৰা বুলি দলৰ বিধায়ক আমিনুল ইছলামে দাবী কৰা বিষয়টোক লৈ মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেই দাবীৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অখিল গগৈয়েও। আজি ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক গগৈয়ে ইছলামৰ বক্তব্যক নাকচ কৰি বিধায়কজনক 'ফকলেণ্ডু' আখ্যা দিয়ে। গগৈয়ে কয়, 'আমিনুল ইছলাম এজন ফকলেণ্ডু। ফকলেণ্ডু মানে আমাৰ গাঁৱলীয়া ভাষাত মিছলীয়া, ফ্ৰড। আমিনুল ইছলামৰ দৰে এজন জাতপাত আৰু ধৰ্মক লৈ ৰাজনীতি কৰা ফকলেণ্ডু মানুহে যদি মোৰ বিৰুদ্ধে কিবা অভিযোগ আনিছে তাৰ উত্তৰ দিবলৈ মই তেওঁক যোগ্য বুলি নাভাবো। কিয়নো বৰ্তমান অসমৰ *আঠ পৃষ্ঠাত চাওক*

**'বৰ্তমানৰ অসমৰ ৰাজনীতিত আটাইতকৈ সততা থকা আৰু নিকা ব্যক্তি হিচাপে নিজকে বিশ্বাস কৰো'**

■ তিনিদিনীয়া দিল্লী ভ্ৰমণত কংগ্ৰেছৰ বিৰুদ্ধে বিষোদগাৰ মুখ্যমন্ত্ৰীৰ

## কংগ্ৰেছে বিচাৰিছিল যে সীমা বিবাদ থাকিলে উত্তৰ-পূৰ্ব এক হ'ব নোৱাৰিব

■ **মানস বন্দ্যোপাধ্যায়**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** অসমৰ স'তে চুবুৰীয়া ৰাজ্যৰ সীমা বিবাদৰ বাবে কংগ্ৰেছক দায়ী কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি ইয়াত এক সংবাদমেলত তেওঁ কয় যে অসমক খণ্ডিত কৰি যেতিয়া মিজোৰাম, মেঘালয়, অৰুণাচল প্ৰদেশ, নগালেণ্ড ৰাজ্য গঠন কৰা হ'ল তেতিয়া কেন্দ্ৰ আৰু ৰাজ্যৰ কংগ্ৰেছ চৰকাৰে সীমান্ত সম্পৰ্কে কোনো নিৰ্দিষ্ট নীতি গ্ৰহণ কৰা নাছিল। এয়া ষড়যন্ত্ৰ অথবা গাফিলতি হ'ব পাৰে বুলি মুখ্যমন্ত্ৰী শৰ্মাই কয়। তেওঁ কয়, 'কংগ্ৰেছ চৰকাৰে বিচাৰিছিল সীমান্তত বিৰোধ অব্যাহত থাকিলে উত্তৰ-পূৰ্বাঞ্চল ঐক্যবদ্ধ হ'ব *সাত পৃষ্ঠাত চাওক*



## বিধানসভাৰ পাৰ্শ্ব জ্যোতি

### চিঞৰাত নোৱাৰিব

**বিধানসভাত** আজি অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে দাবী কৰে যে তেওঁৰ সমান কোনেও চিঞৰিব নোৱাৰে। প্ৰসংগটো উত্থাপন হয় বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত পৰিপূৰক প্ৰশ্ন সুধিবলৈ সুযোগ নিদিয়াৰ অভিযোগত কংগ্ৰেছৰ নুৰুল হুদা সৰৱ হোৱাক লৈ। হুদাই ক্ষোভেৰে কয় যে তেওঁ আন বিধায়কৰ কে'বাটাও প্ৰশ্নৰ পৰিপূৰক প্ৰশ্ন সুধিবলৈ হাত দাঙি আহিছে; কিন্তু এবাৰো তেওঁক সুযোগ দিয়া নহ'ল। বৰঞ্চ একেজন বিধায়কক তেনে সুযোগ বাৰে বাৰে দি থকা হৈছে। উচ্চ স্বৰত হুদাই এই অভিযোগ কৰাত অধ্যক্ষ দৈমাৰীয়ে কয়, 'ইমানকৈ চিঞৰাৰ কি প্ৰয়োজন? কথা নৰম সুৰতো ক'ব পাৰি।' চিঞৰি কিবা ক'লেই কথা কোৱা বুজায় নেকি বুলি প্ৰশ্ন কৰি দৈমাৰীয়ে প্ৰত্যাহ্বানৰ সুৰত কয়, 'আপোনালোকেনো কিমান চিঞৰিব পাৰে? মোৰ লগত চিঞৰাত কোনেও নোৱাৰে!'

### দলৰ ভুল নাম

**চি পি আই (এম)ৰ বিধায়ক** মনোৰঞ্জন তালুকদাৰে আজি বিধানসভাত অধ্যক্ষক অভিযোগ কৰে যে তেওঁৰ দলৰ নামটো সদায় ভুলকৈ উচ্চাৰণ কৰা হয়। ইয়াৰ পূৰ্বেও একাধিকবাৰ তালুকদাৰে ইয়াক লৈ আক্ষেপ কৰিছিল। আজিও বিধানসভাৰ বিতৰ্কৰ আলোচনাত অংশগ্ৰহণকাৰীৰ নাম প্ৰতিনিধিত্ব কৰা দলসহ *আঠ পৃষ্ঠাত চাওক*

## সামাজিক মাধ্যমৰ দ্বাৰা নাৰীদেহৰ বেহা ঃ বিহাৰৰ মূল চক্ৰীসহ ধৃত তিনি



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১০ আগষ্ট ঃ** সামাজিক মাধ্যমৰ জৰিয়তে গ্ৰাহকৰ লগত যোগসূত্ৰ স্থাপন কৰি হোটেলত যুৱতী যোগান ধৰা এটা নাৰী দেহ ব্যৱসায়ী চক্ৰক অসম আৰক্ষীৰ অপৰাধ শাখাই জালত পেলাবলৈ সক্ষম হৈছে। এই নাৰী দেহ চক্ৰটোৰ মূল চক্ৰী তথা বিহাৰত বহি অসমত 'এছকৰ্ট *আঠ পৃষ্ঠাত চাওক*

## চিকিৎসা বিলত জালিয়াতি ঃ নিলম্বিত সাত বিদ্যুৎ কৰ্মচাৰী


**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১০ আগষ্ট ঃ** অসম শক্তি বিতৰক কোম্পানী লিমিটেডৰ সাতজন কৰ্মচাৰী চিকিৎসা বিলত জালিয়াতিৰ অভিযোগত বিভাগীয় শাস্তিৰ সন্মুখীন হৈছে। সূত্ৰত প্ৰকাশ যে এজন উচ্চবৰ্গৰ সহায়কসহ সাতজন কৰ্মচাৰীৰ বিৰুদ্ধে চিকিৎসা বিলত জালিয়াতিৰ অভিযোগ উত্থাপিত হৈছে। এই *আঠ পৃষ্ঠাত চাওক*

■ বিটিআৰ চুক্তিৰ দফাত কিছু বিসংগতিৰ অভিযোগ মধ্যস্থতাকাৰীৰ

## এনএলএফবিৰ আৰু ২১জন সদস্যৰ 'মূলসুঁতি'লৈ আগমন, শিবিৰলৈ প্ৰেৰণ



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/শ্ৰীৰামপুৰ/গোসাঁইগাঁও/ফকিৰাগ্ৰাম, ১০ আগষ্ট ঃ** অধুনালুপ্ত এনডিএফবিৰ নেতা বি বাথাৰ নেতৃত্বত নতুনকৈ জন্মলাভ কৰা এনএলএফবিৰ আৰু ২১জন সদস্যই আজি জংঘলৰ পৰা ওলাই আহি আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰে। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ টিপকাই বনাঞ্চলৰ দুৰ্গম ঠাইত আত্মগোপন কৰি থকা এনএলএফবিৰ সদস্যসকল আজি সংগঠনটোৰ প্লাটুন কমাণ্ডাৰ বি বিথৌংগ্ৰাৰ নেতৃত্বত জংঘলৰ পৰা *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৬° |
| ডিব্ৰুগড় | ৩৬° | ২৬° |
| দিল্লী | ৩৫° | ২৯° |
| কলকাতা | ৩৫° | ২৯° |
| মুম্বাই | ৩১° | ২৭° |
| চেন্নাই | ৩৫° | ২৮° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২৪° | ১৯° |

*১০ আগষ্ট, ২০২১*

## সদনত অনুপস্থিত বিজেপি সাংসদ, ক্ষুব্ধ মোদীয়ে বিচাৰিলে নাম-তালিকা



■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** সংসদত কালি বিভিন্ন বিধেয়ক গৃহীত হোৱাৰ সময়ত অনুপস্থিত থকা বিজেপি সাংসদসকলক লৈ গভীৰভাৱে অসন্তুষ্ট প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰীয়ে এইসকলৰ নাম-তালিকা বিচাৰিছে। কালি *আঠ পৃষ্ঠাত চাওক*

## চেঙা তেল



*কৰ'নাৰ কাৰণে বাহিৰলৈ ওলোৱা নাই যে, সেই কাৰণে টুইটাৰ-ফেচবুকতে যুঁজ-বাগৰ চলাই আছে!*

■ বিদেশৰ বজাৰত সফল অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ চমকপ্ৰদ উদ্ভাৱন 'বেগলেছ টি ডিপ'

## জৈৱিক চাহৰ সেউজ বিপ্লৱৰ ফচল 'উলাহ'




স্বাৱলম্বিতাৰে অৰ্থনৈতিক স্বাধীনতা অৰ্জন শৈলেন ফুকনৰ

■ **যোগেশ ওজা**
**যোৰহাট, ১০ আগষ্ট ঃ** ডিব্ৰুগড় জিলাৰ টিংখাঙত নীৰৱে গঢ় লৈ উঠিছে জৈৱিক (প্ৰাকৃতিক) চাহপাত উৎপাদনৰ এক সেউজ বিপ্লৱ। এই সেউজ বিপ্লৱৰে শেহতীয়া ফচল 'উলাহ'। উলাহ আন একো নহয়, এক বিশেষ পদ্ধতিৰে প্ৰস্তুত কৰা দুই গ্ৰাম অৰ্থডক্স চাহৰ এটা একক অথবা সমষ্টি। সততে দেখা চাহৰ পিয়লাত জুবুৰিয়াই খোৱা টি বেগৰ অনুৰূপ, কিন্তু ই বেগ নহয়। বিশেষ আকৃতিৰ এডোখৰ চাহ। বেগলেছ টি বেগ অথবা বেগলেছ টি ডিপ বুলিও ক'ব পাৰি। ইয়াত চাহখিনি বেগত ভৰাই খোৱাৰ পৰিৱৰ্তে এক বিশেষ পদ্ধতিৰে চেপি (কমপ্ৰেছড্) চাহৰ এটা একক প্ৰস্তুত কৰা হয়। এই গোটা আকৃতিৰ চাহখিনিক এডাল *আঠ পৃষ্ঠাত চাওক*



## ডিব্ৰুগড়ত ৰেল বিভাগৰ ১৪৮ ঘৰ উচ্ছেদত তীব্ৰ প্ৰতিক্ৰিয়া

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ১০ আগষ্ট ঃ** ক'ভিড পৰিস্থিতিৰ মাজতে ডিব্ৰুগড়ত ৰেলৱে বিভাগৰ উচ্ছেদ অভিযানে যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। পূৰ্বে কোনো জাননী নিদিয়াকৈ কেৱল কালি উচ্ছেদৰ বাবে মাইকযোগে ঘোষণা কৰিয়েই আজি ডিব্ৰুগড় *আঠ পৃষ্ঠাত চাওক*

মৃত্যুও সামান্য হ্ৰাস ■ সুস্থতাৰ হাৰ বৃদ্ধি

## পাঁচ মাহৰ পাছত দেশত ২৯ হেজাৰৰ তললৈ নামিল দৈনিক সংক্ৰমণ

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১০ আগষ্ট ঃ** কৰ'নাৰ দৈনিক সংক্ৰমণ যথেষ্ট হ্ৰাস পালে দেশত। বিগত ২৪ ঘণ্টাত নতুনকৈ এই ভাইৰাছত আক্ৰান্ত হ'ল ২৮ হেজাৰ ২০৪ জন লোকে। পাঁচ মাহৰ পাছত দেশত দৈনিক সংক্ৰমণ পুনৰ ২৯ হেজাৰৰ তললৈ নামিল। যোৱা ১৭ মাৰ্চত দেশত অন্তিমবাৰৰ বাবে আক্ৰান্তৰ সংখ্যা ২৯ হেজাৰৰ তলত আছিল। কৰ'নাত আক্ৰান্তৰ সংখ্যা হ্ৰাস পোৱাৰ লগতে ভাৰতত এই ভাইৰাছত মৃতকৰ সংখ্যাও আজি সামান্য হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত পুনৰ *আঠ পৃষ্ঠাত চাওক*

## নগাঁৱত বনকৰা যুৱতী সন্ধানহীন

**অগ্ৰদূত বাৰ্তা**

**নগাঁও, ১০ আগষ্ট ঃ** নগাঁও চহৰৰ পানীগাঁও জ্যোতি নগৰৰ এগৰাকী বনকৰা যুৱতী সন্ধানহীন হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সন্ধানহীন হোৱা যুৱতীগৰাকীৰ নাম আশা বৰাইক (২১)। যুৱতীগৰাকী আঠ আগষ্টৰ পুৱাৰে পৰা সন্ধানহীন হৈ আছে। জ্যোতি নগৰৰ এগৰাকী চিকিৎসকৰ ঘৰত থকা বনকৰা যুৱতীগৰাকী আজি তিনি দিনেও সন্ধান ওলোৱা নাই। যুৱতী গৰাকীৰ ঘৰ শিৱসাগৰ জিলাৰ বৰচিলা চাহ বাগিচাত। ইতিমধ্যে চিকিৎসকজনে যুৱতীগৰাকী সন্ধানহীন হোৱাৰ সন্দৰ্ভত নগাঁৱৰ ইটাচালি আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে।

### PUBLIC NOTICE

**This is for general information that service of CSP Sri Rafiqul Islam is ended by this notice requested all the public not to do any transaction with him. If any person d any Transaction with him, Bank will not be loable for that.**

**Branch Manager**
**S.B.I. New Bongaigaon Branch**

### জ্যোতিষ

১০০% গেৰাণ্টিসহ আপোনাৰ সমস্যা যিমান কঠিন নহওক কিয় বা যিমান জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী।

**D. Sarma**
**M : 80993 36044**

### ASTROLOGY/ জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

## ইউৰীয়া মিশ্ৰিত বিষাক্ত চুলায়ে ছানি ধৰিছে আমগুৰি সমষ্টিৰ গ্ৰামাঞ্চল

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১০ আগষ্ট ঃ** শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টিৰ গ্ৰামাঞ্চলসমূহৰ চুকে-কোণে কাঠফুলাৰ দৰে বৃদ্ধি পাব ধৰা নিচাযুক্ত দ্ৰব্যৰ অবাধ প্ৰচলনৰ কথা কৈ থাকিলে বা লিখি থাকিলেও যেন ওৰ নপৰা অৱস্থালৈ গতি কৰিছে। ড্ৰাগছ, ভাং, অৰুণাচলী সুৰাকে ধৰি অন্যান্য দেশী-বিদেশী সুৰাৰ অবৈধ ব্যৱসায়ৰ কেন্দ্ৰস্থললৈ পৰিণত হৈ পৰা আমগুৰি সমষ্টিৰ গ্ৰামাঞ্চলত যেন সমানেই সুলভ হৈ পৰিছে বিষাক্ত চুলাই। দীৰ্ঘদিনৰে পৰা এচাম অসাধু চক্ৰই সহজলভ্য উপাৰ্জনৰ আহিলা হিচাপে চুলাই মদৰ ব্যৱসায়ত নামি পৰাত চুকে-কোণে সুলভ হৈ পৰিছে চুলাই মদ। এটা সময় আছিল চুলাই মদৰ ব্যৱসায়ৰ বাবে সমষ্টিটোৰ কিছু সংখ্যক অসাধু লোকৰ নাম সহজে চৰ্চালৈ আহিছিল যদিও দিনক দিনে এনে অসাধু ব্যৱসায়ীৰ সংখ্যা এনেদৰে বৃদ্ধি পাব ধৰিছে যে সমষ্টিটোৰ বিভিন্ন অঞ্চলত এতিয়া তিনি-চাৰিজনকৈ অসাধু ব্যৱসায়ীয়ে চুলাই মদৰ ব্যৱসায়ৰ জৰিয়তে নৱপ্ৰজন্মক তিল তিলকৈ ধ্বংসৰ মুখলৈ ঠেলি দিছে। কেৱল সেয়ে নহয় প্ৰতিটো ভিতৰুৱা অঞ্চলত এনেবোৰ অসাধু ব্যৱসায়ীয়ে দুই-তিনিটাকৈ চুলাই ভাটি স্থাপন কৰি নিতৌ ইউৰিয়া সাৰ দি তৈয়াৰ কৰা বিষাক্ত চুলাই অলিয়ে-গলিয়ে থকা মদৰ দোকানত নিশাটোৰ ভিতৰতে বিতৰণ কৰি লাভজনক উপাৰ্জনৰ পথ মুকলি কৰি আহিছে। সম্প্ৰতি ক'ভিড-১৯ৰ অচলাৱস্থাই স্বাভাৱিক জনজীৱন স্তব্ধ কৰি তুলিছে যদিও চুলাই মদ সেৱনকাৰীসকলৰ বাবে যেন এনে অচলাৱস্থা আশীৰ্বাদহে হৈ পৰিছে। পুৱাৰে পৰা দুপৰ নিশালৈকে চুলাই মদৰ দোকানত সুৰাপায়ীৰ ভিৰ দেখি অঞ্চলৱৰ্তী সচেতন জনসাধাৰণৰ চকু কপালত উঠাৰ পৰিৱেশ সম্প্ৰতি অঞ্চলে অঞ্চলে এতিয়া সহজলভ্য। উল্লেখ্য যে নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন ৰোধ কৰিবলৈ ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগ এটা আছে যদিও অসাধু ব্যৱসায়ীৰ স'তে থকা বিশেষ বুজাবুজিৰ বাবেই এনে ব্যৱসায় হ্ৰাস পোৱাৰ সলনি দিনক দিনে বৃদ্ধিহে পাইছে। বিশেষ সূত্ৰে জানিব পৰা মতে, মাজে-মধ্যে বিভাগটোৱে ৰাইজক দেখুৱাই চুলাই বিৰোধী অভিযান চলালেও সেই অভিযানৰ পূৰ্বেই অসাধু ব্যৱসায়ীক খবৰ দিয়ে। আগতীয়া খবৰৰ ভিত্তিত দুই-এটা চুলাই ভাটিত চলোৱা অভিযানত সামান্য পৰিমাণৰ চুলাই নষ্ট কৰিলেও তেনেবোৰ ব্যৱসায়ীৰ আনটো ভাটিত সুৰক্ষিত হৈ থাকে বিষাক্ত চুলাই। ইফালে, আবকাৰী বিভাগৰ ওপৰত ৰাইজৰ আস্থা নাইকিয়া হৈ অহাত আৰক্ষী বিভাগৰ ওপৰতে ৰাইজে ভৰসা কৰিলেও আৰক্ষীৰ অভিযানত অসৎ ব্যৱসায়ী হাতে-লোটে ধৰা পৰাৰ পাছতো দুই-একক কাণত ধৰাই উঠা-বহা কৰিয়েই নিৰ্বিঘ্নে আঁতৰি যায় আৰক্ষীও। তাৎপৰ্যপূৰ্ণ বিষয় এয়ে যে তেনেবোৰ অভিযানত কোনোদিন জালত নপৰে এজনো অসাধু ব্যৱসায়ী। স্মৰ্তব্য যে ইউৰিয়া মিশ্ৰিত বিষাক্ত চুলাই সেৱন কৰি সম্প্ৰতি গাঁৱে-ভূঞে ৰক্তহীনতা ৰোগত শ শ যুৱক আক্ৰান্ত হোৱাৰ অনাকাংক্ষিত পৰিস্থিতিক লৈ বাৰুকৈয়ে চিন্তিত হৈ পৰিছে সৰ্বসাধাৰণ ৰাইজ তথা সচেতন মহল।

### PUBLIC NOTICE

চি এছ পি ৰফিকুল ইছলামৰ সেৱা সমাপ্ত কৰা হৈছে জনসাধাৰণক অনুৰোধ কৰা হৈছে যে তেওঁৰ লগত কোনো ধৰণৰ লেনদেন নকৰে। যদি তেওঁৰ লগত লেনদেন কৰে তেন্তে তাৰ কাৰণে বেংক দায়ী নহ'ব।

শাখা পৰিচালক
এছ বি আই
নিউ বঙাইগাঁও শাখা

### TITLE CHANGE

**I have Changed my title from seal to Kashyap by an affidavit before District Magistrate Dhubri on 06/08/2021. I will be known as Rajesh Kashyap instead of Rajesh Kumar Seal from today onwards.**

**Rajesh Kumar Seal**
**S/O Lt. Rabindra NathSeal, P.O-Bidyapara, P.S&Dist-Dhubri (Assam)**

## অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত গুণগত শিক্ষা প্ৰদান কৰিব লাগিব

**বিশেষ সংবাদদাতা**

**নগাঁও, ১০ আগষ্ট ঃ** 'সাম্প্ৰতিক সময়ত অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহে পূৰ্বৰ তুলনাত বিশেষ উত্তৰণ ঘটাব পৰা নাই। যাৰ বাবে বহু অভিভাৱকে নিজৰ সন্তানক ব্যক্তিগত খণ্ড বা ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ পদক্ষেপ গ্ৰহণ কৰিছে।' এই মন্তব্য বিশিষ্ট শিক্ষাবিদ তথা তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত পঞ্জীয়ক মহেন্দ্ৰ আহোমৰ। আজি নগাঁও প্ৰেছ ক্লাবত শিক্ষাবিদ ড° দীপা বৰুৱাৰ 'অসমীয়া মাধ্যমৰ বিদ্যালয় ঃ বৰ্তমান আৰু ভৱিষ্যৎ' নামৰ গ্ৰন্থখন উন্মোচন কৰি শিক্ষাবিদ আহোমে লগতে আৰু কয়, 'অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানত গুণগত শিক্ষা প্ৰদানত সৰ্বাধিক গুৰুত্ব দিব লাগিব। এই ক্ষেত্ৰত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা উচিত।' তেওঁ জাতীয় বিদ্যালয়সমূহে শিক্ষাদানৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ প্ৰশংসা কৰে। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত অংশগ্ৰহণ কৰি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই কয়, 'একাংশ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি অনিহাৰ সৃষ্টি হৈছে। এয়া অতি দুৰ্ভাগ্যজনক বিষয়। জাতীয় ঐতিহ্য বহন কৰি অহা অসমীয়া মাধ্যমৰ বহু বিদ্যালয় স্বাভিমানৰ প্ৰতীক। এই বিদ্যালয়সমূহক পূৰ্বৰ অৱস্থালৈ ঘূৰাই আনিবলৈ আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য আছে। ড° দীপা বৰুৱাৰ এই গ্ৰন্থখনে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহত দেখা দিয়া প্ৰত্যাহ্বানসমূহ সূক্ষ্মভাৱে বিশ্লেষণ কৰিছে।' লেখিকা ড° বৰুৱাই অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত শিক্ষাবিদ দধি মোহন বৰা, জ্যেষ্ঠ সাংবাদিক কনক হাজৰিকা, নগাঁও প্ৰেছ ক্লাবৰ নৱনিৰ্বাচিত সভাপতি যাদৱ শইকীয়া, অৱসৰপ্ৰাপ্ত বিষয়া শিক্ষক লীলাৰাম বৰা, অসম শিল্পী কাননৰ সম্পাদক মৃদুপৱন বৰা আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আঁত ধৰে লেখিকা অঞ্জলি মহন্তই।

## হেকাৰৰ কবলত ৰঙাচকুৱাৰ পুনম সিং, বেংকৰ পৰা কৌশলেৰে উলিয়াই নিলে ৩৩,৫০০

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১০ আগষ্ট ঃ** জামুগুৰিহাটৰ বিভিন্নজন ব্যক্তিৰ পৰা যোৱা কিছুদিন ধৰি কোনো দুষ্টচক্ৰই বেংকৰ পৰা গোপনে টকা উলিয়াই নিয়াৰ ঘটনা সংঘটিত হৈ আহিছে। বেংকৰ পৰা হেক কৰি টকা উলিয়াই নিয়াৰ সন্দৰ্ভত ভুক্তভোগীসকলে বেংক কৰ্তৃপক্ষৰ ওচৰ চাপে যদিও এই সন্দৰ্ভত কোনো ধৰণৰ সঁহাৰি নোপোৱাৰহে অভিযোগ উঠিছে। তেনে এক ঘটনা সংঘটিত হৈছে জামুগুৰিহাটৰ ৰঙাচকুৱাত। ৰঙাচকুৱাৰ এক নম্বৰ বাটমাৰীৰ পুনম সিং নামৰ ব্যক্তিজনৰ ভাৰতীয় ষ্টেট বেংকৰ একাউণ্টৰ পৰা নগদ ৩৩,৫০০ টকা দুষ্টচক্ৰই আজি হেক কৰি উলিয়াই নিয়ে। এই সন্দৰ্ভত ভাৰতীয় ষ্টেট বেংক ৰঙাচকুৱা শাখাত অৱগত কৰাত বেংকৰ পৰিচালকে গ্ৰাহকজনৰ কথাত কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উঠিছে। অৱশেষত পুনম সিং জামুগুৰি আৰক্ষীৰ কাষ চপা পৰিলক্ষিত হৈছে। সাধাৰণ ব্যৱসায়েৰে জীৱন নিৰ্বাহ কৰা পুনমে বেংকত সাঁচি ৰখা এই ধন সম্প্ৰতি হৰলুকি হোৱাত দুখত ভাগি পৰিছে পুনমৰ লগতে সমগ্ৰ পৰিয়ালটো। আনহাতে, এই অঞ্চলত সঘনাই এনে ঘটনা সংঘটিত হৈ থকাত অঞ্চলটোৰ সচেতন ৰাইজ শংকিত হৈ পৰাও পৰিলক্ষিত হৈছে।

### ASSAM ELECTRICITY GRID CORPORATION LIMITED

**NOTICE INVITING TENDER**

1. Bid document No.: AEGCL/DGM/TTC/DBR/O&M/TC-02/2021/ 163; dtd: 10/08/21
2. Name of Work: Replacement of existing 132 kV bus (Single Panther) conductor with Twin Zebra conductor at 132kV GSS, AEGCL, Dibrugarh.
3. Tender Fee: Rs. 1000.00 per work.
4. Tender start date: 12/08/21.

Interested bidders may download the bid document from the official website of AEGCL **www.aegcl.co.in**

**Sd/- Dy. General Manager**
**T&T Circle, AEGCL, Dibrugarh**

T-872/PR/2021/APS/19

## বৰপেটাৰ কাছুমাৰাত ক'ভিড প্ৰতিষেধক প্ৰদানৰ দাবীত আমছুৰ প্ৰতিবাদ

### দুমাহে বন্ধ চাৰিটা প্ৰতিষেধক প্ৰদান কেন্দ্ৰ

**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ১০ আগষ্ট ঃ** সমগ্ৰ ৰাজ্যতে সৰ্বসাধাৰণ লোকক প্ৰতিষেধক প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ লগতে স্বাস্থ্য বিভাগে পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে প্ৰতিষেধক প্ৰদানৰ দাবীত আজি বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত কাছুমাৰাত প্ৰতিবাদ সাব্যস্ত কৰে আমছুৱে। জিলা স্বাস্থ্য বিভাগে চেঙাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ চৰাঞ্চলৰ খোলাবান্ধা, কাছুমাৰা আৰু মহচৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত বৃহৎ সংখ্যক লোকক প্ৰতিষেধক প্ৰদানৰ বাবে জিলা স্বাস্থ্য বিভাগে চাৰিটা কেন্দ্ৰ স্থাপন কৰে যদিও সম্প্ৰতি দুমাহ ধৰি বন্ধ হৈ আছে উক্ত কেন্দ্ৰসমূহ। স্থানীয় লোকে জনোৱা মতে, কেন্দ্ৰ চাৰিটাত মাত্ৰ দুদিন প্ৰথম পালিৰ প্ৰতিষেধক প্ৰদান কৰিয়েই ৰহস্যজনক কাৰণত স্বাস্থ্য বিভাগে বন্ধ কৰি দিয়ে চাৰিওটা কেন্দ্ৰ। যাৰ ফলত অঞ্চলটোৰ বৃহৎ সংখ্যক লোকে চৰকাৰৰ বিনামূলীয়া প্ৰতিষেধক গ্ৰহণৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। স্বাস্থ্য বিভাগৰ এনে কাৰ্যত ক্ষোভ প্ৰকাশ কৰাৰ লগতে আমছুৰ দক্ষিণ বৰপেটা জিলা সমিতিয়ে আজি অঞ্চলটোৰ পূব মহচৰা আঞ্চলিক এম ই মাদ্ৰাছা চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। 'আমাক প্ৰতিষেধক লাগিবই, চেঙাৰ চৰাঞ্চলত প্ৰতিষেধক প্ৰদান সুনিশ্চিত কৰক, অসম চৰকাৰ হায় হায়, স্বাস্থ্য বিভাগ হায় হায়' ধ্বনি দি পৰিস্থিতি উত্তাল কৰি তোলে। এই ক্ষেত্ৰত স্থানীয় বিধায়ক আশ্ৰাফুল হুছেইনৰ লগতে জিলা উপায়ুক্তক যথোচিত কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

## চৰাইদেউ জিলাত ১৪৪ ধাৰা জাৰি

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১০ আগষ্ট ঃ** চৰাইদেউ জিলাৰ জিলা দণ্ডাধীশে 'দা আসাম ক'ভিড-১৯ ৰেগুলেচনছ, ২০২০'ৰ ৩৪ নং ধাৰাৰ লগতে ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত এক আদেশ যোগে সমগ্ৰ জিলাখনতে প্ৰযোজ্য হোৱাকৈ ৰাজহুৱা স্থান, কৰ্মক্ষেত্ৰ, কাৰ্যালয়ত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক কৰাৰ লগতে ৰাজহুৱা স্থানত ৫জন বা ততোধিক লোক গোট খোৱা আৰু ৰাজহুৱা স্থানত থু পেলোৱাটো নিষিদ্ধ কৰিছে। এই আদেশ অংগ কৰিলে আদেশ ভংগকাৰীৰ বিৰুদ্ধে ডিজাষ্টাৰ মেনেজমেণ্ট এক্ট ২০০৫ৰ অধীনৰ ধাৰা ৫১ৰ পৰা ৬০লৈকে আৰু আইপিচিৰ ১৮৮ ধাৰা অনুসৰিআইনমতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনসংযোগ বিভাগে জনাইছে।

No. DJB. 40/2019/Ten/1276

### NOTICE INVITING e-Tender

The Superintendent of District Jail, Barpeta invites e-Tenders in two Bid System (Technical Bid & Financial Bid) affixing Court Fee Stamp of Rs. 8.25 from the Supplier/Firms/Dealer for supply of dietary articles (i.e. Group - A, B, C, D) required for District Jail, Barpeta for the Financial Year 2021-22 through the e-Tender portal https://assamtenders.gov.in on or before 17-08-2021 up-to 1.00 PM.

The tender documents/Bid indicationg the details of specification of the dietary articles, terms and condition etc. can be downloaded from the Govt. website https://assamtenders.gov.in.

The participating bidders should have to deposit non-refundable Tender Processing Fee Rs. 1000/- (Through Online).

The participating bidders should have valid Digital Signature of Class-II (minimum) & have to register in the portal https://assamenders.gov.in

Last Date & Time for online submission Tenders 17-08-2021 up to 1.00 PM

Last Date & Time for submission of Hard Copy of Technical Bid 17-08-2021 upto 1.00 PM

Date & Time of opening e-Tenders 18-08-2021 at 2.30 PM.

Superintendent
District Jail, Barpeta

Janasanyog/C/4175/21

## টেঙাগুৰিৰ এগৰাকী অসহায় মাতৃৰ হিয়াভঙা কান্দোন

### সহায়ৰ বাবে ৰাজ্যবাসীলৈ কাতৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১০ আগষ্ট ঃ** এগৰাকী মাতৃৰ হিয়াভঙা কান্দোন। অসহায় সন্তানক লৈ দিক বিদিক হেৰুৱাইছে অসহায় পিতৃ-মাতৃয়ে। দৰিদ্ৰ পিতৃ-মাতৃয়ে সন্তানক চিকিৎসা কৰি আৰ্থিকভাৱে জুৰুলা হৈ অৱশেষত ৰাজ্যবাসীৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু লাহৰীঘাট সমষ্টিৰ বিধায়ক আছিফ নাজাৰৰ সহায় বিচাৰি মাতৃয়ে কাতৰ আহ্বান জনাইছে। উল্লেখ্য যে লাহৰীঘাটৰ টেঙাগুৰি গাঁৱৰ দৰিদ্ৰ জিয়াবুৰ ৰহমানৰ কন্যা বেগম খালিদা জিয়া বহুদিন ধৰি দুৰাৰোগ্যত আক্ৰান্ত হৈ আছে। পেটৰ বিষত আক্ৰান্ত হোৱা কন্যাক পিতৃ-মাতৃয়ে বহু চিকিৎসা কৰিও কোনো সুফল পোৱা নাই। ২০১৯ত পেটৰ বিষৰ বাবে জিএমচি হাস্পতালত অস্ত্ৰোপচাৰ কৰি এটা কিডনী পেলাই দিয়ে যদিও আজিলৈ সুস্থ হৈ উঠা নাই। ইফালে, ব্ৰহ্মপুত্ৰৰ খহনীয়াত সৰ্বশ্বান্ত হৈ আৰ্থিক সংকটত পৰা অসহায় পিতৃ-মাতৃয়ে চিকিৎসা কৰিব নোৱাৰি চকুলো টুকি দিন কটাইছে। অসহায় পিতৃ-মাতৃয়ে সন্তানক সুস্থ কৰিবলৈ ৰাজ্যবাসীৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু স্থানীয় বিধায়ক আছিফ নাজাৰক সহায়ৰ বাবে কাতৰ আহ্বান জনাইছে। যদি কোনো সদাশয় ব্যক্তিয়ে অসহায় বেগম খালিদা জিয়াক সহায় কৰিব বিচাৰে তেন্তে ৬০০২৪-৭১৯৭৩ নম্বৰত যোগাযোগ কৰাৰ লগতে খালিদা জিয়াৰ ০৭৭৯০১০৯৪৫৬২২ একাউণ্ট নম্বৰতো সহায় আগবঢ়াবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

ADMISSION NOTICE (2021-2022)

Bachelor of Music Degree Course Under Gauhati University

Applications are invited for admission in Luit konwar Rudra Barua State College of Music into First Semester Calss of B.Music Degree Course of Gauhati University.

Subjects : Compulsory :-

1. ENGLISH OR ASSAMESE 2. HINDI OR SANSKRIT 3. Musicology
4. CULTURAL HISTORY OF ASSAM 5. CULTURAL HISTORY OF INDIDA
6. ENVIRONMENTAL STUDY.

Subjects : Optional :-

Stream : A (Any One of the following) :-

1. HINDUSTAI CLASSICAL MUSIC 2.TABLA
3. KATHAK DANCE 4. VIOLIN. 5. SITAR

Stream : B Optional (Any One of the following):-

1. SATTRIYA VOCAL MUSIC (BORGEET) 2. SATTRIYA DANCE 3. KHOL

Eligibility : HSSLC (10+2_ passed from any recognlzed Board or University with (Preliminary knowledge in Music/ Diploma in Music will be preferable)

Application Procedure :

1. Applicants may collect their Admission form for admission in B.Music Course for the session (2021-2022) from the office Luit Konwar Rudra Barua State College of Music Panjabari (New Shilpagram) Guwahati-37 during the office hours in any working days or downloading the same from the college website (https:/ Ikrbcollegeofmusic.assam.gov.in/) and submit the same on before 25/08/2021 at Luit Konwar Rudra Barua state College of Music Panjabari (New Shilpagram) Guwahati-37 during the office hours in any working day: Interview for selection and admission will be held on 2/09/2021 from 11 AM.

Applicants will have to pay a fee of Rs. 100/- (Rupees One Hundred) only for Admission form & Prospectus. Applicants will have to remain present on the date and time of the Interview as specified above. They will have to produce all original testimonials before the Interview board. Incomplete Forms will not be taken for consideration.

2. For Any query related to the admission procedure contact office of the principal. For Contact : Mobile number 9864076078/9435146942. (at office hours from 10.00 AM to 5 PM)

Sd/-
Principal
Luit Konwar Rudra Barua State College of Music
Near Shilpagram, Panjabari, Guwahati-37

Janasanyog/D/3677/21

### আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ২৫ শাওণ বুধবাৰ ১১ আগষ্ট

**সূৰ্যোদয় ঃ** ঘঃ ৪।৫৯।৪১, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৭।১। **তিথি ঃ** শুক্লা তৃতীয়া, দং ৩০।২৪।১২ আঘঃ, ৫।৯।২২। **নক্ষত্ৰ ঃ** পূৰ্ব্বফাল্গুনী, দং ১৪।১৮।১১ ঘঃ ১০।৪২।৫৭। **যোগ ঃ** শিৱ, দং ৩৮।৫০।৩৪ ৰাঘঃ ৮।৩১।৫৫। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** সিংহৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ বান্দৰৰ অস্থি, বায়ুযোগ, অষ্টোত্তৰী মঙ্গল, বিংশোত্তৰী শুক্ৰৰ দশা, ঘঃ ১০।৪২।৫৭ যোৱাত গৰু অস্থি, বিশোত্তৰী ৰবিৰ দশা, ঘঃ ৪।৩৪।৮ যোৱাত কন্যাৰাশি, শূদ্ৰবৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া কান্তা যোগ, মতান্তৰে ১৫ দিনীয়া বেশ্যা যোগ। **মৰণত দোষঃ** নাই, ঘঃ ১০।৪২।৫৭ যোৱাত দ্বিপদ। **যোগিনী ঃ** অগ্নিকোনত, আঘঃ ৫।৯।২২ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** নাই, পাপযোগ, দোষ আঘঃ ৫।৯।২২ যোৱাত শুভ ৰিক্তাদি দোষ। **শুভকৰ্ম ঃ** পঞ্চামৃত, সাধভক্ষন, নামকৰণ, হালযাত্ৰা,গছৰোৱা, ঔষধকৰণ আৰু সেৱন। **ভক্ষাভক্ষ্য ঃ** পটল, আঘঃ ৫।৯।২২ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** চিন্তা-ভাৱনাৰে দিনটো। কৰ্ম তৎপৰতাৰ থাকিব। কিন্তু শৰীৰ ভালে নাযাব পাৰে। ব্যৱসায়ীসকল কোনো সম্ভাব্য যোগাযোগৰ বাবে চেষ্টা কৰি চাব পাৰে।

**বৃষ ঃ** পাৰদৰ্শিতা ব্যক্তি। উদ্বেগৰ মাজেৰে আপুনি কৰ্ম আৰু যোগাযোগ ৰক্ষা কৰিব পাৰিব। বিদ্যাৰ্থীৰ বাবে শুভাশুভ। কৰ্মসমন্ধীয় কামত কষ্টেৰে প্ৰগতি কৰিব।

**মিথুন ঃ** সৌভাগ্য বৃদ্ধি, কোনো কাৰণত বৃদ্ধিদীপ্ত চুক্তি সম্পাদন কৰি উপকৃত হ'ব। বিদ্যাতো বেয়া নহ'ব। ব্যৱসায় বাণিজ্যত আয় বৃদ্ধিৰ কাৰকতা।

**কৰ্কট ঃ** বুদ্ধিৰ তীৰতা আৰ্থিকত বাধা কম পাব। কিন্তু কোনোৱে কৰ্মস্থানত কেইটিমান দিশত চিন্তিত হ'ব পাৰে। বিদ্যাত শুভাশুভ ফল পাব।

**সিংহ ঃ** পিতৃ ৰোগ মাজে মাজে গভীৰ চিন্তাই জুমুৰি দি ধৰিব। কৰ্মস্থানত সচ্ছলতা নাথাকিব। শৰীৰ মধ্যম। দাম্পত্যত মজলীয়া প্ৰভাৱ পৰিব।

**কন্যা ঃ** নতুন আঁচনি যোগ। আৰ্থিক দিশত ধনাত্মক হ'ব পাৰে। কৰ্মক্ষেত্ৰত দক্ষতা বৃদ্ধি পাব। ব্যৱসায়ত শুভ ফল পাব। বিদ্যাৰ্থীৰ কিছু বেমাজালি আহিব পাৰে।

**তুলা ঃ** প্ৰাপ্য ধন আদায়, আৰ্থিক দিশত প্ৰয়োজনীয় সম্পদাদিৰ বাবে খৰচৰ বাট ওলাব। ব্যৱসায়ীসকলৰ বাবে দিনটো বিশেষ শুভ নহ'ব। শত্ৰুৰ পৰা মিত্ৰ যোগাৰ আশা। বিয়া-বাৰুৰ সংযোগ।

**বৃশ্চিক ঃ** প্ৰকাশৰ বাধা, নিৰাশ কৰ্মচিন্তা, ভ্ৰমণাদিৰ যোগ থাকিব। কোনো অপৰাধীৰ কথাত মত অস্থিৰতা থাকিব। ব্যৱসায়ত প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব।

**ধনু ঃ** সৌভাগ্য বৃদ্ধি, অস্থিৰ চিন্তা বাদ দিয়াটো ভাল। চকুৰ আমনি দেখা যায়। কৰ্ম আৰু পাৰিবাৰিক ক্ষেত্ৰত শুভ ফল পাব। দাম্পত্যত সিমান আনন্দ নাথাকিব। বিদ্যাত শুভ।

**মকৰ ঃ** কৰ্মত জটিলতা, গতানুগতিক পৰিৱেশ বিৰাজ কৰিব। প্ৰাপ্য সুযোগ ব্যৱহাৰ কৰাত সাৱধান থকাটো ভাল। ভ্ৰমণত লাভজনক ফল কম।

**কুম্ভ ঃ** বৃদ্ধিৰ তীব্ৰতা, শিল্প কলাত পাৰদৰ্শিতা থাকিব। আৰ্থিক দিশত খৰচৰ পথ মুক্ত থাকিব। অংশীদাৰী ব্যৱসায়ত লাভৰ কবিতা। দূৰ ভ্ৰমণৰ যোগ।

**মীন ঃ** জ্ঞান বৃদ্ধি, হাতত লোৱা কাৰ্যসূচীৰ সুস্থ সমাধান পাব। সুচিন্তা আৰু আপোনাৰ ভদ্ৰতাৰ বাবে অনুকূলতাৰ প্ৰভাৱ পেলাব। নতুন কোনো আশা পূৰণ হ'ব।

### শব্দ-বেহু ঃ ১১ আগষ্ট



@ সব্যসাচী

**পথালিয়ে ঃ**

১। বেলেগ,আন, পৰ (২)
২। এগৰাকী দাসীৰ গৰ্ভত জন্মলাভ কৰা ধৃতৰাষ্ট্ৰৰ কনিষ্ঠ ভ্ৰাতৃ (৩)
৪। প্ৰজনন শক্তি নোহোৱা কৰা হালোৱা মতা গৰু (৩)
৬। ভাত-আঞ্জা আদি লৰাবলৈ ব্যৱহাৰ কৰা যতন, কৰচলি (২)
৭। কালিৰ আগদিনা (৩)
১০। মাটি খোঁচৰা আদি কামত ব্যৱহাৰ কৰা এবিধ সঁজুলি, খুৰ্পি (২)
১১। কাজিয়াৰ আপোচ মীমাংসা, বুজা-বুজি (৪)
১৩। সম্ৰাট, ডাঙৰ ৰজাক দিয়া অভিধা (৪)
১৫। অৰবিন্দ, কমল (২)
১৬। যোগ্য, প্ৰয়োজনীয় দক্ষতা থকা (৩)
২০। পহৰা দিয়া, আপোন নোহোৱা, অনাত্মীয় (২)
২১। বৈৰী, অৰি (৩)
২২। ভাবমূৰ্তি, গল্প নাটক আদিৰ পাত্ৰ (৩)
২৩। নাসিকা, গোন্ধ লোৱা অংগ (২)

**থিয়কৈ ঃ**

১। ভাৰ্য্যা, পত্নী, শৰ্য্যাসংগিনী (৪)
২। মুচলমান শাসনকৰ্তা বিশেষ (৩ )
৩। দৰদ,কাৰোবাৰ প্ৰতি অন্তৰত জাগি উঠা দয়া (৩)
৫। অতি গৰ্হিত কাম কৰা লোক, নীচ ব্যক্তি (৪)
৮। সহায়, উপকাৰ (৩)
৯। সপ্তাহৰ এটা দিন, এক ডজন হোৱা সংখ্যা (২)
১২। সৰু মতা গৰু পোৱালি (৩)
১৩। খৰখেদা, অতি দ্ৰুতভাৱে (৪)
১৪।বগাই যোৱা উদ্ভিদ, বল্লৰী (২)
১৭। মানুহ থকা ঠাই, দেশ বা ৰাজ্য (৪)
১৮। ছাউনী, শিবিৰ, সাময়িকভাৱে থাকিবলৈ বন্ধা ঘৰ (৩)
১৯। তথ্য,আচল কথা, প্ৰকৃত খবৰ (৩)

**উত্তৰ অহা সংখ্যাত**

**১০ আগষ্ট সংখ্যাৰ উত্তৰ ঃ**

**পথালিয়ে ঃ** ১।সমকামী ৫।জলাহ ৬।বাজু ৭।হৰিচ ৮।বিস্ময় ৯।ৰামজখলা ১০।সদা ১২।শৰাই ১৫।কাজল ১৬।ৰাস ১৮।উথপথপ ১৯।কামাল ২০।চেকনি ২২। উহ ২৩।লৰালি ২৪।বিকাৰক

**থিয়কৈ ঃ** ১।সবাহ ২।কামচৰাই ৩।লাহবিলাহ ৪।অজু ৫।জন্মেজয় ৬।বায়স ১১।দাখিল ১২।শৰ্কৰা ১৩।আউললগা ১৪।কপটালি ১৫।কাপচেলেকা ১৭।সকাহ ২১।নিধক ২২।উক

## অসম আন্দোলনৰ সক্ৰিয় কৰ্মী মিনাৰাম বৰাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১০ আগষ্ট ঃ** অসমৰ ইতিহাসৰ দীৰ্ঘ দিনীয়া আন্দোলন, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী অগপ আৰু গণ সংগ্ৰাম সমিতিৰ ফিল'বাৰী আঞ্চলিক সমিতিৰ প্ৰাক্তন সভাপতি ফিল'বাৰী ৰবৰগুৰী সোণোৱাল গাঁৱৰ নিবাসী মিনাৰাম বৰা (৭৭)ৰ আজি পুৱতি নিশা মৃত্যু হয়। বৰাই অসম আন্দোলনৰ সময়ত ১৯৮৩ৰ পৰা ১৯৮৫লৈকে তিনিবাৰকৈ কাৰাবাস খাটিবলগীয়া হৈছিল। অসম আন্দোলনৰ সক্ৰীয় কৰ্মী বৰাই দীৰ্ঘদিন ধৰি এক জটিল ৰোগত আক্ৰান্ত হৈ আছিল। বৰাৰ মযত্যুত বৃহত্তৰ ফিল'বাৰী অঞ্চলটোত শোঁকৰ ছাঁ পৰিছে। অসম আন্দেনলনৰ সক্ৰীয় কৰ্মীজনৰ মৃত্যুত ফিল'বাৰী অঞ্চলৰ জাতীয় জনগোষ্ঠীয় সংগঠন, অসম জাতীয় পৰিষদ, অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোঁক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তিনি পুত্ৰ আৰু কন্যাৰ লগতে বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

*No. DE/BTC/Apptt-2/Ele/2021/5,* *Dated Kokrajhar the 9th August/2021*

**-: CORRIGENDUM:-**

It is for information to all concerned that as per Govt. O.M. No. AHP-6/2016/52, dtd. 20th Feb./2021 it is clarified that "the relaxation shall be applicable only to those candidates whp have attained the necessary educational or other qualifications prior to crossing of their existing upper age limit of 40 years" which was appeared in the criteria Sl.No.5 of the Advertisement made by this Directorate on 28th July/2021 is deleted.

Sd/- J.P. Brahma
Director of Education
Bodoland Territorial Council,
Kokrajhar

*IPR(BTC)-184/2021*

No.DSW (ICDS)G/96/2021/49

### CORRIGENDUM

Reference to NIT No.DSW(ICDS)G/96/2021/19, dated 09/08/2021 in regard to supply of uniform Chadar and Mekhela/Sarees to the Anganwadi Workers and Helpers of Anganwadi Centres and Mini-Anganwadi Centres of of Assam, the following modifications are hereby notified through this corrigendum.

In Section I-A. Qualification Criteria Point No. 8 at Page No. 4 of tender Booklet may be read as:

'Bidder must enclose proof of Past performance for supply of uniform saree/Chadar and Mekhela only to any Govt. Department in any one year during past four years before the bid opening date along with the Govt. order Copy for minimum of Rs. 3.20 crores (approximately 40% of the tender value) (prescribed format in Annexure-C) Proof of same to be submitted."

**Instead of :**

"Bidder must enclose proof of Past performance for supply of uniform saree only to any Govt. Department in any one year during past four years before the bid opeining date along with the Govt. Order Copy for minimum of Rs. 3.20 crores (approximately 40% of the tender value) (prescribed formate in Annexure-C) Proof of same to be submitted."

All other clauses as elaborated earlier vide NIT No. DSW(ICDS)G/96/2021/19, dated 09/08/2021 will ramain same.

Social Welfare, Assam
Uzanbazar, Guwahati-1

Janasanyog/C/4168/21

দৈনিক অগ্ৰদূত

গুৱাহাটী, ১১ আগষ্ট, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

# একেৰাহে ২৮-২৯ বছৰে একেখন চকীত বহি কাৰ্যনিৰ্বাহ

**বাৰে বাৰে বদলিৰ পাছতো গাদী এৰা নাই গোৱালপাৰা**

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১০ আগষ্ট ঃ** চৰকাৰী কাম-কাজক অধিক গতিশীল আৰু স্বচ্ছভাৱে কৰাৰ লক্ষ্যৰেই চৰকাৰে বিভিন্ন বিভাগৰ বিষয়াসকলক নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে বদলি কৰাৰ ব্যৱস্থা কৰিছে। শেহতীয়াভাৱে হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰেও বিভিন্ন বিভাগৰ বিষয়াসকলক বদলিকৰণ কৰি আছে; কিন্তু বাস্তৱ ক্ষেত্ৰত গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ক্ষেত্ৰত উক্ত চৰকাৰী নিয়ম ধোঁৱাচাঙত উঠা বুলি এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, কনিষ্ঠ অভিযন্তা ধীৰাজ কলিতাই ২৯ বছৰ পূৰ্বে অৰ্থাৎ ১৯৯২ৰ ২২ অক্টোবৰত গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলত যোগদান কৰি একেৰাহে আজিলৈকে কাৰ্যনিৰ্বাহ কৰি আছে। একেদৰে কনিষ্ঠ অভিযন্তা (ছিনিয়ৰ গ্ৰেড) ৰাজীৱ শইকীয়া ১৯৯৩ৰ তিনি ফেব্ৰুৱাৰীত, কনিষ্ঠ অভিযন্তা ক্ৰমে চিত্ৰকান্ত কাকতীয়ে ২০০২ৰ ১৩ মে'ত, অশোক মহাজনে ২০০৮ৰ ২৬ *ছয় পৃষ্ঠাত চাওক*

# জালিয়াতিৰে অধ্যক্ষ হ'বলৈ গৈ চাকৰিৰ পৰা নিলম্বিত সহ শিক্ষক

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১০ আগষ্ট ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ আসনত বহিবলৈ শিক্ষানুষ্ঠানখনৰ এগৰাকী সহকাৰী শিক্ষকে জালিয়াতি কৰি অধ্যক্ষৰ পদত নিয়োজিত হ'বলৈ বেআইনী কামত লিপ্ত হোৱাৰ অপৰাধত অৱশেষত চাকৰিৰ পৰা নিলম্বিত হয়। ইতিমধ্যে অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকৰ কাৰ্যালয়ৰ নিৰ্দেশত যোৱা ২৬-০৭-২০২১ তাৰিখে নিৰ্দেশ নম্বৰ জিবি-ইএছটি/ এপিপিটিটি/ এফটিপি/১৩/২০১৭/২২৯ মৰ্মে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ বৰাজোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক চান্দ মহম্মদক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। উল্লেখ্য যে শিক্ষকজনে শিক্ষকসকলৰ জ্যেষ্ঠতাৰ তালিকাত নিজেই জালিয়াতিৰে স্বাক্ষৰ কৰি তালিকা প্ৰস্তুত কৰি অধ্যক্ষৰ আসন ল'ব খোজোতেই ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ ৰোষত পৰিছিল।

# ভ্ৰাম্যমাণ থিয়েটাৰৰ শিল্পী-কৰ্মী তাৰক চক্ৰৱৰ্তীৰ বিয়োগ

বিশেষ সংবাদদাতা

**নলবাৰী, ১০ আগষ্ট ঃ** চৰকাৰী স্বীকৃতি, শিল্পী পেঞ্চন বা সাহায্য নোপোৱাকৈয়ে আজি ইহজগতৰ পৰা চিৰবিদায় ল'লে ভ্ৰাম্যমাণ থিয়েটাৰৰ এজন জ্যেষ্ঠ অভিনেতা-কৰ্মচাৰী তাৰক চক্ৰৱৰ্তী(৬৫)-এ। বিগত কেইবছৰমানৰ পৰা অসুস্থ হৈ চিকিৎসাধীন হৈ থকা শিল্পীজনে আজি মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই কন্যাসহ বহু গুণমুগ্ধক এৰি যায়। আনহাতে, জ্যেষ্ঠশিল্পী তথা ভ্ৰাম্যমাণ থিয়েটাৰৰ কৰ্মচাৰীজনৰ মৃত্যুত আজি তেওঁৰ জন্ম গাঁও বালাবনগাঁওকে ধৰি বৃহত্তৰ পশ্চিম নলবাৰী অঞ্চলত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে ১৯৫৬ৰ অক্টোবৰত জন্ম হৈছিল চক্ৰৱৰ্তীৰ। সৰুৰে পৰা নাট্য শিল্পৰ অনুৰাগী চক্ৰৱৰ্তীয়ে পঢ়া-শুনা আধাতে এৰি হাজোৰ পূৰ্বজ্যোতি থিয়েটাৰৰ জৰিয়তে থিয়েটাৰ জীৱনৰ পাতনি মেলে। ইয়াত প্ৰথমে তেওঁ স্মাৰক হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ লয় যদিও *ছয় পৃষ্ঠাত চাওক*

# পৰকীয়া প্ৰেম ঃ হাজোত স্বামীয়ে কাটিলে পত্নীৰ হাত

অগ্ৰদূত বাৰ্তা

**হাজো, ১০ আগষ্ট ঃ** তীৰ্থ নগৰী হাজোত পৰকীয়া প্ৰেমত হাবু-ডাবু খাই পত্নী নিৰ্যাতন চলোৱা এক ঘটনা পোহৰলৈ আহিছে। অবৈধ প্ৰেমিকাৰ বাবে এগৰাকী স্বামীয়ে পত্নীৰ ওপৰত চলোৱা শাৰীৰিক নিৰ্যাতনৰ ঘটনাই এতিয়া হাজো অঞ্চলত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। অবৈধ প্ৰেমিকাৰ লগত থকা দীৰ্ঘদিনীয়া সম্পৰ্কচ্ছেদ কৰিব দিয়াৰ বাবে নিজ পত্নীক দাৰে ঘপিয়াই আহত কৰে স্বামীয়ে। এনে দুষ্কাৰ্য সংঘটিত কৰা লোকজন হৈছে হাজো আৰক্ষী থানাৰ অন্তৰ্গত ফকীৰতোলাৰ ছলেমান আলী। স্বামীৰ নিৰ্যাতনৰ বলি হোৱা ভুক্তভোগী মহিলাগৰাকীয়ে হাজো আৰক্ষী থানাতে দাখিল কৰা এজাহাৰৰ ভিত্তিত জানিব পৰা মতে, প্ৰায় ১৩ বছৰ আগতে বিয়া কৰাইছিল ছলেমানে। অভিযোগ অনুসৰি দুটাকৈ সন্তানৰ পিতৃ ছলেমানে তেওঁৰ পত্নী থকাৰ পিছতো হাজোৰ ৰামদিয়া (বৰ্তমান গুৱাহাটী মহানগৰীৰ বাসিন্দা)ৰ এগৰাকী বিবাহিত মহিলাৰ স'তে দীৰ্ঘদিনৰে পৰা চলাই আছে অবৈধ সম্পৰ্ক। স্বামীৰ এই অবৈধ সম্পৰ্কৰ বাবে তেওঁৰ পত্নীয়ে বাধা প্ৰদান কৰিলেই পত্নীৰ ওপৰত অকথ্য নিৰ্যাতন চলাই স্বামী ছলেমানে। কালিও এই কথাক কেন্দ্ৰ কৰিয়েই স্বামী-স্ত্ৰীৰ মাজত হৈছিল কাজিয়াৰ সূত্ৰপাত। কিন্তু হঠাৎ ছলমান আলীয়ে পত্নীক হাতত দাৰে ঘপিওৱাৰ উপৰিও পত্নীৰ সৰ্বশৰীৰত চলালে নিৰ্মম অত্যাচাৰ। অৱশেষত উপায়ন্তৰ হৈ মহিলাগৰাকী ওৰচ চাপিছে হাজো আৰক্ষীৰ।

# টুপীয়াত সৰ্প দংশনত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ১০ আগষ্ট ঃ** জামুগুৰিহাটৰ টুপিয়াৰ বেতগুৰি নিবাসী সঞ্জয় হেমৰম (৩৪) নামৰ ব্যক্তিজনৰ আজি সৰ্প দংশনত মৃত্যু ঘটে। সঞ্জয়ে যোৱা দেওবাৰে নিজ ঘৰৰ ভিতৰত সোমাই থকা এডাল বিষাক্ত সাপ ঘৰৰ বাহিৰলৈ উলিয়াবলৈ চেষ্টা কৰে। সাপডাল হাতেৰে ধৰি বাহিৰলৈ উলিয়াই অনাৰ মুহূৰ্তত তেওঁৰ হাতত দংশন কৰে। সাপডালৰ দংশনত বিষ অনুভৱ কৰা নাছিল যদিও কালি পুৱা অৱস্থা সংকটজনক হৈ পৰাত ওচৰ-চুবুৰীয়াই তেজপুৰ মিছন হাস্পতালত ভৰ্তি কৰে। আজি পুৱা চিকিৎসকে সঞ্জয়ক মৃত বুলি ঘোষণা কৰে। বহু পলমকৈ চিকিৎসালয়লৈ নিয়া বাবেই তেওঁৰ বিষক্ৰিয়া হৈ মৃত্যু হয়। মন কৰিবলগীয়া যে দিন হাজিৰা কৰা সঞ্জয়ে পূৰ্বে অঞ্চলটোৰ বিভিন্ন ঠাইত সাপ ধৰি ৰাইজৰ মাজত চমক সৃষ্টি কৰি আহিছিল যদিও নিজ ঘৰতে সৰ্প দংশনত মৃত্যু ঘটাত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ দুটি সন্তানসহ পত্নীক ইহসংসাৰত এৰি যায়।

# হাটশিঙিমাৰীৰ চৰকাৰী ভূমিত উচ্ছেদ তিনি দিনলৈ স্থগিত


**আলমগঞ্জৰ বিস্তৰ ভূমি বিএছএফক দিয়াত উচ্ছেদিত হোৱাৰ আশংকা স্থানীয় লোকৰ**



অগ্ৰদূত বাৰ্তা

**মানকাচৰ/গৌৰীপুৰ, ১০ আগষ্ট ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ সদ হাটশিঙিমাৰীৰ এটা চৰৰ চৰকাৰী ভূমি উচ্ছেদ কৰিবলৈ গৈ আজি প্ৰবল বাধাৰ সন্মুখীন হয় জিলা প্ৰশাসন। হাটশিঙিমাৰীৰ সমীপৰ মাতিনেৰ চৰত বসবাস কৰা খহনীয়াগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰতিবাদৰ বাবে জিলা প্ৰশাসনে উচ্ছেদ অভিযান তিনি দিনৰ বাবে স্থগিত ৰাখে। ইফালে, চৰকাৰী বিষয়া আৰু *ছয় পৃষ্ঠাত চাওক*

# ওদালগুৰিৰ ভাৰত-ভূটান সীমান্তৰ বনাঞ্চলত দুটাকৈ বন্দুক উদ্ধাৰ



অগ্ৰদূত বাৰ্তা

**ওদালগুৰি, ১০ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী কুন্দৰবিল অঞ্চলৰ ঘন হাবিত আজি দুটাকৈ বন্দুক উদ্ধাৰ হয়। তথ্য অনুসৰি এছএছবিৰ ২৩ নম্বৰ বেটেলিয়নৰ কুন্দৰবিল কেম্পৰ বিষয়া মণ্টুলম চেতনসহ জোৱান আৰু নোনাই বন বিভাগৰ বিষয়া আৰ দৈমাৰীৰ নেতৃত্বত এটা ২২জনীয়া দলে দিনৰ প্ৰায় ১১ বজাত ভাৰত-ভূটান সীমান্তৰ কুন্দৰবিল হাবিৰ মাজত তহল দি আছিল। তেনে অৱস্থাত তহলদাৰী দলটোৱে অতি দুৰ্গম হাবি হৈ পোৱাৰ সময়তে হাবিৰ মাজত গোপনে ৰাখি থোৱা অৱস্থাত দুটা বন্দুক উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা বন্দুক দুটা হস্তনিৰ্মিত বন্দুক কোনে উক্ত স্থানত গোপনে বন্দুক দুটা থৈ গ'ল সেই বিষয়ে জানিব পৰা হোৱা নাই যদিও চোৰাং চিকাৰীয়ে এনেভাৱে লুকাই ৰখাৰ সন্দেহ কৰিছে। আন একাংশই এয়া উগ্ৰপন্থী সংগঠনৰো হ'ব পাৰে বুলি সন্দেহ কৰিছে। কিয়নো বিগত কিছুদিন পূৰ্বৰেপৰা যুদ্ধবিৰতিলৈ অহা এনএলএফবি সংগঠনৰ একাংশ কেডাৰেও এনেধৰণৰ হস্তনিৰ্মিত বন্দুকসহ হাবিৰ পৰা ওলাই আহিছিল। বৰ্তমানেও এই বিষয়টো সন্দৰ্ভত কোনো তথ্য লাভ কৰা হোৱা নাই।

**লাভান্বিত হৈছে কেৱল মিলসমূহে ঃ চৰকাৰী ঘেঁহুৰ প্ৰস্তুত কৰা উৎকৃষ্ট আটা যায় ক'লা বজাৰলৈ**

# নগাঁৱত সুলভ মূল্যৰ আটা বিতৰণত অনিয়ম





*আমচাঙক সুৰক্ষাৰ স্বাৰ্থত চন্দ্ৰপুৰত ডাম্পিং গ্ৰাউণ্ডৰ বিৰোধিতাৰে ব্যতিক্ৰমী প্ৰতিবাদ, মঙলবাৰে।*

বিশেষ সংবাদদাতা

**নগাঁও, ১০ আগষ্ট ঃ** ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত সমবায় সমিতিসমূহৰ জৰিয়তে ৰাইজক সুলভ মূল্যৰ আটা যোগান ধৰাৰ নামত নগাঁও মহকুমাত বহু বছৰ ধৰি বিয়াগোম কেলেংকাৰি সংঘটিত হৈ আহিছে। ফলত নগাঁও জিলাৰ নগাঁও মহকুমাত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰেছন কাৰ্ড থকা হিতাধিকাৰীক প্ৰতিমাহে সুলভ মূল্যৰ আটা যোগান ব্যৱস্থাটো চৰম প্ৰহসনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। এই সুলভ মূল্যৰ আটা গাঁৱৰ দৰিদ্ৰ হিতাধিকাৰীয়ে লাভ নকৰিলেও এই আটাৰ ব্যৱসায় কৰি যথেষ্ট লাভান্বিত হৈছে মিলসমূহে। উল্লেখ্য যে নগাঁও জিলাৰ নগাঁও মহকুমাৰ মুঠ ৩৩ খন সমবায় সমিতিৰ আঢ়ৈ লাখৰো অধিক ৰেছন কাৰ্ড উপভোক্তাক প্ৰতিমাহে সুলভ মূল্যত আটা যোগান ধৰিবলৈ যোগান বিভাগে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত নগাঁও চহৰৰ আঠটা ফ্ল'ৰ মিলক শ শ কুইণ্টল উৎকৃষ্ট মানৰ সুলভ মূল্যৰ ঘেঁহুৰ আবণ্টন দি আহিছে। তৎসত্ত্বেও জিলাখনৰ দুখীয়া ৰাইজে মাহেকৰ মূৰত সুলভ মূল্যৰ দোকানৰ জৰিয়তে প্ৰয়োজনীয় আটা লাভ কৰিবলৈ সক্ষম নহয়; কিন্তু তাৰ বিপৰীতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ এই উৎকৃষ্ট মানৰ ঘেঁহুৰেই ফ্ল'ৰ মিলসমূহত উৎকৃষ্ট মানৰ আটা প্ৰস্তুত কৰি তাৰে বিভিন্ন ব্ৰেণ্ডৰ পেকেট প্ৰস্তুত কৰি সেই আটাৰ নগাঁও জিলাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৰমৰমীয়া বেহা চলাই থকা বুলি অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, চৰকাৰী ঘেঁহুৰেই আটা প্ৰস্তুত কৰি এই মিলসমূহে প্ৰতিমাহে লাখ লাখ টকাৰ ব্যৱসায় চলাই আহিছে। এই মিলসমূহৰ পৰা জিলা প্ৰশাসনৰ একাংশ বিষয়া, জিলাখনৰ যোগান বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰী, যোগান বিভাগৰ পৰিদৰ্শক, উপ-পৰিদৰ্শক, জিলা *ছয় পৃষ্ঠাত চাওক*

# পাঁচ বছৰে সম্পূৰ্ণ নহ'ল সৃজনগ্ৰামৰ আদৰ্শ চিকিৎসালয়

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১০ আগষ্ট ঃ** বঙাইগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ড° নীলমাধৱ দাসে যোৱা সাত আগষ্টত পাঁচ বছৰে সম্পূৰ্ণ নোহোৱা বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়খন পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত যুটীয়া সঞ্চালকজনে নিৰ্মীয়মাণ চিকিৎসালয়খনৰ ভৱন পৰিদৰ্শন কৰি একেবাৰে নিম্নমানদণ্ডৰে কাম কৰা বিষয়টো প্ৰত্যক্ষ কৰে। উল্লেখ্য যে ঠিকাদাৰ মুন্নাফ আহমেদে অতি নিম্ন মানদণ্ডৰে কাম কৰা বাবে নিৰ্মাণ সম্পূৰ্ণ নৌহওঁতেই বেৰৰ প্লাষ্টাৰ খহিবলৈ লোৱাকে ধৰি নিৰ্মাণ কাৰ্যৰ বিসংগতি প্ৰত্যক্ষ কৰে যুটীয়া সঞ্চালকজনে। ইপিনে সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ স্বাস্থ্য কেন্দ্ৰটোত ভালেকেইজন চিকিৎসক, নাৰ্ছ তথা কৰ্মচাৰী উপস্থিত নথকাত ককৰ্থনা কৰে ভাৰপ্ৰাপ্ত চিকিৎসকজনক। উল্লেখ্য যে পাঁচ বছৰেও সৃজনগ্ৰাম আদৰ্শ চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত চিকিৎসকজনক সৃজনগ্ৰাম খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত, আন দুগৰাকী চিকিৎসকক বঙাইগাঁও অসামৰিক চিকিৎসালয়ত সংলগ্ন কৰি ৰাখিছে। তেনেদৰে চতুৰ্থবৰ্গৰ চাৰিজন কৰ্মচাৰীকো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰতে সংলগ্ন কৰিছে। যি সময়ত ক'ভিড ৰোগৰ দ্বিতীয় জোৱাৰে ৰাইজক শংকিত কৰি তুলিছে তেনে সময়তো পাঁচ বছৰে আদৰ্শ চিকিৎসালয়খনৰ *ছয় পৃষ্ঠাত চাওক*

# সীমা নহয়,ৰাজনৈতিক বিবাদহে

**সমস্যাৰে জৰ্জৰিত অঞ্চলত চিআৰপিএফ নিয়োজিত**



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ১০ আগষ্ট ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয়ৰ সীমান্তৱৰ্তী অঞ্চল ব্লক-১ৰ বৃহত্তৰ অঞ্চল উমৰুতো, উম্মাত, মছালাদেং, জাতালং, ছাবুদা, উমচেৰাং, মাউলেন, উমজাৰী, উমটাছিং, মুৰাপ আৰু উমটেলীকে আদি কৰি সৰু-বৰ ২১খনকৈ গাঁৱৰ ৰাইজে একত্ৰিত হৈ উমলাফেৰত কালি এখন শান্তিৰ সজাগতা সভা অনুষ্ঠিত কৰে। জিলাখনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক বলিন দেউৰীৰ নেতৃত্বত অনুষ্ঠিত শান্তিৰ সজাগতা সভাত সীমান্তৱৰ্তী অঞ্চলৰ কাৰ্বি, খাচী আৰু নেপালী সম্প্ৰদায়ৰ সহস্ৰাধিক খিলঞ্জীয়া ৰাইজৰে একত্ৰিত হৈ শান্তিৰ সজাগতা সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে অসম-মেঘালয়ৰ দুই ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয়ৰ আলচত স্থান লাভ কৰা 'গিভ এণ্ড টেক' পলিচীৰ পাছত শ্বিলঙৰ এখন আগশাৰীৰ বাতৰি কাকতত প্ৰকাশ পোৱা অসমৰ কাৰ্বি ভূমিৰ ২১খনকৈ সীমান্তৱৰ্তী কাৰ্বি, খাচী আৰু নেপালী জনগোষ্ঠীৰে বসতি প্ৰধান গাঁওকেইখন *ছয় পৃষ্ঠাত চাওক*

# বুৰালগুৰীত ৰাস্তাত ভূঁই ৰুই, জাল মাৰি উত্তাল প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ১০ আগষ্ট ঃ** মৰিগাঁৱৰ গ্ৰামোন্নয়ন বিভাগত কমিছন দিলে কুকুৰ-মেকুৰী নেযোৱা ঠাইতো ১০ লাখ টকীয়া ৰাস্তাৰ আঁচনি হয়। কিন্তু আমি বছৰৰ পাছত বছৰ একাঁঠু পানীত অহা-যোৱা কৰিছো এটা ৰাস্তাৰ অভাৱত। আজি লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বুৰালগুৰী পঞ্চায়ত অঞ্চলৰ এটা বিধ্বস্ত ৰাস্তাত অঞ্চলবাসী ৰাইজে ভূঁই ৰুই, জাল মাৰি উত্তাল প্ৰতিবাদ কৰি সংবাদ মাধ্যমৰ আগত মৰিগাঁও জিলা গ্ৰামোন্নয়ন বিভাগ তথা লাহৰীঘাট উন্নয়ন খণ্ডত আঁচনি আবণ্টনৰ নামত চলা কমিছনৰাজ সন্দৰ্ভত এনেদৰে ক্ষোভ উজাৰে। এটা ৰাস্তাৰ অঞ্চলটোৰ লোকে বাৰে বাৰে অনুৰোধ কৰাৰ পাছতো একো ফল নধৰাত উপায়হীন হৈ লাহৰীঘাটৰ *ছয় পৃষ্ঠাত চাওক*

# নাট্য জগতৰ বলিষ্ঠ অভিনেতা-পৰিচালক মুকুল ডেকাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ১০ আগষ্ট ঃ** উত্তৰ গুৱাহাটীৰ সুদক্ষ অভিনেতা, সাংস্কৃতিক কৰ্মী চন্দন ডেকা ওৰফে মুকুলৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। আগশাৰীৰ অপেছাদাৰী নাট্য গোষ্ঠী 'ছিগাল'ৰ হৈ ৰাজ্যৰ লগতে ৰাজ্যৰ বাহিৰতো বলিষ্ঠ অভিনয় কৰিছিল ডেকাই। মৃত্যুৰ সময়লৈ উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত প্ৰাগজ্যোতিষপুৰ কলা পৰিষদৰ সম্পাদকৰ পদত অধিষ্ঠিত আছিল অভিনেতাজন। ডেকাৰ জন্মস্থান উত্তৰ গুৱাহাটীত এই খবৰ বিয়পি পৰাৰ লগে লগে গুণমুগ্ধই ভিৰ কৰে বাসভৱনত। উত্তৰ গুৱাহাটীৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ নি অন্তিম শ্ৰদ্ধাৰ অন্তত শিলসাঁকো শ্মশানত অন্তিম সৎকাৰ কৰা হয়। উল্লেখ্য যে অসমৰ নাট্য জগতৰ পৰিচিত বাহাৰুল ইছলামৰ নাট্যদল ছিগালৰ ডেকা আছিল নিয়মীয়া শিল্পী। ছিগালৰ বহু কেইখন গুৰুত্বপূৰ্ণ নাটৰ সফল মঞ্চায়নত ডেকাৰ অভিনয়ে প্ৰাণবন্ত কৰি তুলিছিল চৰিত্ৰত। ছিগালে মঞ্চস্থ কৰা 'ক'ট মাৰ্চ্ছাল' নাটখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰি দৰ্শকৰ *ছয় পৃষ্ঠাত চাওক*

# কলগাছিয়াত ছাগলীক কেন্দ্ৰ কৰি মাৰপিট

**কলগাছিয়া, ১০ আগষ্ট ঃ** কলগাছিয়াৰ লাংলাত ছাগলীক কেন্দ্ৰ কৰি সংঘটিত মাৰপিটত গুৰুতৰভাৱে আহত হয় পাঁচজন লোক। এজনক সংকটজনক অৱস্থাত কলগাছিয়াৰ বৰপেটা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত লাংলাত যোৱা নিশা এটা ছাগলীক কেন্দ্ৰ কৰি প্ৰচণ্ড মাৰপিটৰ ঘটনা সংঘটিত হয়। জামাল উদ্দিনৰ ধান খেতিত একেখন গাঁৱৰে ছাইদুল ইছলাম নামৰ ব্যক্তিজনে সদায় ছাগলী মেলি দি ধান *ছয় পৃষ্ঠাত চাওক*

# অনিশ্চয়তাত দিন কটাইছে স্বচ্ছ ভাৰত-জলজীৱন মিছনৰ ঠিকাভিত্তিক কৰ্মচাৰীয়ে

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১০ আগষ্ট ঃ** এই কৰ'নাকালীন জটিল সময়তো বিগত পাঁচ-ছয়মাহে বিনা বেতনে অনিশ্চয়তাত দিন কটাইছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অন্তৰ্গত স্বচ্ছ ভাৰত মিছন আৰু জলজীৱন মিছনৰ শ শ ঠিকাভিত্তিক কৰ্মচাৰীয়ে। বিগত ১২ বছৰে নিৰ্মল ভাৰত অভিযান আঁচনিৰ পৰা পৰ্যায়ক্ৰমে আহি আহি শেহতীয়াকৈ স্বচ্ছ ভাৰত অভিযানৰ লগত সংপৃক্ত হৈ পৰা ৰাজ্যৰ প্ৰতিটো উন্নয়ন খণ্ড অঞ্চলত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত কৰ্মৰত সমগ্ৰ ৰাজ্যৰ খণ্ড সমল সমন্বয়ক আৰু থুপ সমল সমন্বয়কৰ (বি আৰ চি চি, চি আৰ চি চি) কে'বা শতাধিক ঠিকাভিত্তিক কৰ্মচাৰীৰ ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন কৰি অনিশ্চয়তালৈ ঠেলি দিয়াৰ অভিযোগ উত্থাপিত হৈছে। তথ্য মতে, নিৰ্মল ভাৰত অভিযান আঁচনিৰ দিনৰ পৰাই অতি নিম্নমানৰ মাহেকীয়া পাৰিতোষিকতে কৰ্মৰত ৰাজ্যৰ প্ৰতিখন জিলাৰ প্ৰতিটো উন্নয়ন খণ্ডৰ অন্তৰ্গত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনস্থ এইসকল কৰ্মচাৰীক আজি প্ৰায় পাঁচ-ছয়টা মাহে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সংশ্লিষ্ট বিষয়াই আশ্বাসৰ ওপৰত আশ্বাস দিয়েই কৰ্মত নিয়োজিত কৰি আহিছে যদিও আজি পৰ্যন্ত দিয়া নাই চাকৰিৰ নিশ্চয়তা। এই জটিল সময়তো প্ৰদান কৰা নাই মাহেকীয়া পাৰিতোষিক। *ছয় পৃষ্ঠাত চাওক*

**ৰাজ্যত ভালুকৰ সাঙীত পৰিণত জলজীৱন মিছন**

# মিত্ৰজোঁটৰ হৈ অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব

**ভৱানীপুৰ বিধানসভা সমষ্টিত উপ-নিৰ্বাচন!**

বিশেষ সংবাদদাতা

**ভৱানীপুৰ, ১০ আগষ্ট ঃ** 'ভৱানীপুৰ বিধানসভা সমষ্টিত যদি উপ-নিৰ্বাচন অনুষ্ঠিত হয়, তেতিয়াহ'লে সমষ্টিটোত অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।' এই হুংকাৰ ভৱানীপুৰ বিধানসভা সমষ্টিৰ অগপৰ। উল্লেখ্য যে ভৱানীপুৰ বিধানসভা সমষ্টিৰ এআইইউডিএফৰ বিধায়ক ফণীধৰ তালুকদাৰে বিধায়ক পদ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ প্ৰসংগ ব্যাপকভাৱে প্ৰচাৰ আৰু চৰ্চা হোৱাত উপ-নিৰ্বাচন হ'লে সমষ্টিটোত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব বুলি কালি বিয়লি অগপৰ ভৱানীপুৰ বিধান পৰিষদৰ সম্পাদক শৰৎ ডেকাই সংবাদ মাধ্যমৰ আগত ঘোষণা কৰিছে। অগপৰ ভৱানীপুৰস্থিত কাৰ্যালয়ত অনুষ্ঠিত দলৰ ভৱানীপুৰ বিধান পৰিষদৰ এখন কাৰ্যনিৰ্বাহক সভাত ভৱানীপুৰ বিধানসভা সমষ্টিত উপ-নিৰ্বাচন হ'লে সমষ্টিটোত অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি সিদ্ধান্ত গ্ৰহণ কৰা বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে বিধান পৰিষদ সমিতিৰ সাধাৰণ সম্পাদক শৰৎ ডেকাই। ডেকাই কয় যে ২০২১ৰ বিধানসভা নিৰ্বাচনত ভৱানীপুৰ বিধানসভা সমষ্টিত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰূপে অগপৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰি অতি কম ভোটৰ ব্যৱধানত পৰাস্ত হৈছিল। যদিহে উপ-নিৰ্বাচন অনুষ্ঠিত হয় তেতিয়াহ'লে ভৱানীপুৰ *ছয় পৃষ্ঠাত চাওক*

# ২৬ বছৰে পৰিত্যক্ত ঢেকিয়াজুলি দুগ্ধ শীতলীকৰণ প্ৰকল্প

**মৃতপ্ৰায় পশুপালন দপ্তৰৰ অধীনৰ দুগ্ধ উন্নয়ন বিভাগ**



অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১০ আগষ্ট ঃ** ৭০ দশকতে তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ চৰকাৰৰ উদ্যমতে অসমৰ গ্ৰামীণ অৰ্থনীতিৰ বিকাশৰ বাবে পশু চিকিৎসা সেৱাৰ সম্প্ৰসাৰণৰ লগতে দুগ্ধ বিপ্লৱৰ সূচনা কৰাৰ অৰ্থে পশুপালন দপ্তৰৰ অধীনস্থ দুগ্ধ উন্নয়ন বিভাগৰ জৰিয়তে যিসমূহ আন্তঃগাঁথনি গঢ়ি তোলা হৈছিল, যোৱা তিনিটা দশকত সেই সকলোবোৰ জহি-খহি নিশ্চিহ্ন হৈ গৈছে। তেনে আন্তঃগাঁথনিৰ অধিক প্ৰসাৰ কৰা দূৰৈৰ কথা, থকাখিনিকে চৰম অৱহেলাৰে যোৱা তিনিটা দশকৰ চৰকাৰকেইখনে নিশ্চিহ্ন হৈ যাবলৈ দিলে। শৰৎ চন্দ্ৰ সিংহ চৰকাৰৰ কাৰ্যকালত গঢ়ি উঠা এনে এক উল্লেখনীয় আন্তঃগাঁথনি হ'ল অসমৰ *ছয় পৃষ্ঠাত চাওক*

# চামগুৰি দক্ষিণপাটত দুৰ্ঘটনাত এজন নিহত

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১০ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পহুকটা দক্ষিণপাটৰ চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। গুৱাহাটীৰ পৰা বিশ্বনাথ চাৰিআলি অভিমুখে আহি থকা এ এছ-০১ পি ডব্লিউ-৯২৮৬ নম্বৰৰ ছুইফ্‌ট ডিজায়াৰ গাড়ীখনে পহুকটা দক্ষিণপাটৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত পুৱা প্ৰায় ৯-৩০ বজাত দক্ষিণপাট গাঁৱৰ লীলাকান্ত দাস (৪৫) নামৰ লোকজনক মহতিয়াই নিয়ে। ফলত লোকজন থিতাতে নিহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ ঘটনাটো সংঘটিত কৰা গাড়ীখন জব্দ কৰাৰ লগতে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

দৈনিক অগ্ৰদূত

গুৱাহাটী বুধবাৰ ২৫ শাওণ ১৪২৮ ভাস্কৰাব্দ ১১ আগষ্ট ২০২১

# ন্যায়ালয়ৰ দৃঢ় স্থিতি

ৰাজনৈতিক দলে নিৰ্বাচনী প্ৰাৰ্থী বাছনিৰ ৪৮ ঘন্টাৰ ভিতৰত প্ৰাৰ্থীসকলৰ অপৰাধ সংক্ৰান্ত নথি-পত্ৰ ৰাজহুৱা কৰিব লাগিব বুলি উচ্চতম ন্যায়ালয়ে এই মঙলবাৰে এক নিৰ্দেশ জাৰি কৰিছে। দেশৰ ৰাজনৈতিক ক্ষেত্ৰখন অপৰাধমুক্ত কৰাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশ গুৰুত্বপূৰ্ণ বুলি কোৱা হৈছে। আকৌ চৰকাৰে যাতে ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে উচ্চতম ন্যায়ালয়ে এই বুলি নিৰ্দেশ দিছে যে কোনো বিধায়ক বা সংসদ সদস্যৰ বিৰুদ্ধে থকা অপৰাধ সংক্ৰান্ত গোচৰবোৰ উচ্চ ন্যায়ালয়ৰ সন্মতি সাপেক্ষেহে প্ৰত্যাহাৰ কৰিব পাৰিব। উল্লেখ্য যে যোৱা বছৰ অনুষ্ঠিত বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল যে নিৰ্বাচনী প্ৰাৰ্থীসকলে বাছনি পোৱাৰ ৪৮ ঘন্টাৰ ভিতৰত অথবা মনোনয়নপত্ৰ দাখিলৰ কমেও দুসপ্তাহ আগেয়ে অপৰাধ সংক্ৰান্ত নথিপত্ৰবোৰ ৰাজহুৱা কৰিব লাগিব। এতিয়া উচ্চতম ন্যায়ালয়ে বাছনিৰ ৪৮ ঘন্টাৰ ভিতৰতহে অপৰাধ সংক্ৰান্ত তথ্যবোৰ দিয়াৰ ব্যৱস্থা কৰিছে।

যিবোৰ দলে তেওঁলোকৰ প্ৰাৰ্থীসকলৰ অপৰাধ সংক্ৰান্ত তথ্য প্ৰকাশ নকৰে তেনে ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰতীকৰ ব্যৱহাৰ বন্ধ কৰি দিব লাগে বুলি উচ্চতম ন্যায়ালয়ত এক আবেদন তৰা হৈছিল। আনহাতে, যিবোৰ দলে যোৱা ২০২০ৰ ফেব্ৰুৱাৰীত জাৰি কৰা নিৰ্দেশ মানি চলা নাই তেওঁলোকৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ তৰিব লাগে বুলিও উচ্চতম ন্যায়ালয়ত আবেদন কৰা হৈছে। এই গোচৰৰ শুনানিৰ প্ৰসংগতেই আদালতে এই ঐতিহাসিক নিৰ্দেশ জাৰি কৰে।

ৰাজনৈতিক দলসমূহে বাছনি কৰা প্ৰাৰ্থীৰ বিৰুদ্ধে অপৰাধৰ কি কি গোচৰ আছে সেয়া দলীয় ৱেবছাইটত প্ৰকাশ কৰিব লাগিব আৰু অপৰাধৰ গোচৰ থকা সত্বেও ৰাজনৈতিক দলটোৱে সেই বিশেষ প্ৰাৰ্থীক কিয় মনোনয়ন দিলে তাৰ কাৰণো দৰ্শাব লাগিব। আগেয়ে নিৰ্বাচন আয়োগে বাতৰি কাকতত বিজ্ঞাপনযোগে ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীসকলৰ এনেবোৰ তথ্য প্ৰকাশৰ নিৰ্দেশ দিছিল। উল্লেখ্য যে যোৱা বিহাৰ বিধানসভা নিৰ্বাচনত চি পি আই (এম) আৰু এন চি পিয়ে তেওঁলোকৰ দলীয় প্ৰাৰ্থীসকলৰ অপৰাধ সংক্ৰান্ত নথি বা তথ্য নজনোৱাৰ বাবে উচ্চতম ন্যায়ালয়ৰ ওচৰত নিঃচৰ্ত ক্ষমা-প্ৰাৰ্থনা কৰিবলগীয়া হৈছিল। চি পি আই (এম)ৰ দৰে বাওঁপন্থী দলসমূহে ৰাজনীতিক অপৰাধমুক্ত কৰাৰ ক্ষেত্ৰত নিৰ্বাচনৰ আগেয়ে তথা উচ্চতম ন্যায়ালয়ৰ স'তে সহযোগ কৰা উচিত আছিল।

উচ্চতম ন্যায়ালয়ে দেশৰ ৰাজনীতি তথা চৰকাৰক অপৰাধমুক্ত কৰাৰ বাবে ব্যৱস্থা লোৱা সত্বেও এতিয়াও সাংসদ, বিধায়ক তথা মন্ত্ৰীসকলৰ যথেষ্ট সংখ্যকৰ বিৰুদ্ধে গুৰুতৰ অপৰাধজনিত গোচৰ আছে। প্ৰায় সকলোবোৰ দলতেই কম-বেছি পৰিমাণে অপৰাধী প্ৰতিনিধি আছে। এই ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতাৰো প্ৰয়োজন হ'ব। জনসাধাৰণে অপৰাধী প্ৰাৰ্থীক জনপ্ৰতিনিধি হিচাপে নিৰ্বাচিত নকৰাৰ ক্ষেত্ৰত দৃঢ় ভূমিকা গ্ৰহণ কৰিব লাগিব, লাগিলে তেনে প্ৰাৰ্থী তথা ৰাজনৈতিক দলে ৰাইজক যিমানেই প্ৰলোভন নেদেখুৱাওক কিয়। তদুপৰি ৰাজনৈতিক দলসমূহে যদিহে উচ্চতম ন্যায়ালয়ে জাৰি কৰা নিৰ্দেশ মানি চলে তেনেহ'লে ভাৰতীয় গণতন্ত্ৰক যথেষ্ট পৰিমাণে অপৰাধমুক্ত কৰাটো সম্ভৱ হ'ব বুলি আশা কৰা হৈছে।

এই লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে এক সুদূৰপ্ৰসাৰী ভূমিকা গ্ৰহণ কৰিছে। উচ্চতম ন্যায়ালয়ৰ এনে ধৰণৰ পদক্ষেপে ন্যায়পালিকাৰ ওপৰত জনসাধাৰণৰ বিশ্বাস সুদৃঢ় কৰি তুলিব।

## ভাৰতত উদ্যোগতকৈ লাভজনক ৰাজনীতিহে

# সাত বছৰত আৰু সাত কোটি লোক দৰিদ্ৰতাৰ কবলত

আমাৰ দেশত দৰিদ্ৰৰ সীমাৰেখা নিৰ্ণয়ৰ পাছৰে পৰা পোন প্ৰথমবাৰৰ বাবে দৰিদ্ৰ লোকৰ সংখ্যা সম্প্ৰতি তীব্ৰ গতিত বাঢ়িবলৈ লৈছে। ৰাষ্ট্ৰীয় পৰিসংখ্যা সংগঠন (এন এছ অ')ৰ হিচাপ অনুযায়ী যোৱা ২০১২ত গ্ৰামাঞ্চলত দেশখনত চৰম দৰিদ্ৰতাত ভোগা লোকৰ সংখ্যা আছিল ২১.৭ কোটি। ২০১৯-২০ত এনে দৰিদ্ৰ লোকৰ সংখ্যা বৃদ্ধি পাই হৈছেগৈ ২৭ কোটি। নগৰাঞ্চলত দৰিদ্ৰ লোকৰ সংখ্যা ৫.০ কোটিৰ পৰা ৭.১ কোটি আৰু বৃদ্ধি পাইছে। অৰ্থাৎ যোৱা সাত-আঠটা বছৰত দেশখনত ৭.১ কোটি লোক নতুনকৈ দৰিদ্ৰৰ তালিকাত সংযোজিত হৈছে। নগৰাঞ্চলতকৈ গ্ৰামাঞ্চলত দৰিদ্ৰ লোকৰ সংখ্যা অধিক বৃদ্ধি পাইছে। গ্ৰামাঞ্চলত দৰিদ্ৰ লোকৰ পৰিমাণ ২৫ শতাংশৰ পৰা ৩০ শতাংশ হৈছেগৈ।

মোদী চৰকাৰে ২০১৪ত ক্ষমতালৈ আহি ভাল দিন অহাৰ কথা কৈছিল। তেনেহ'লে দেশত দৰিদ্ৰতা বৃদ্ধি পোৱাটোৱেই ভাল দিনৰ লক্ষণ নে? আমাৰ দেশত দৰিদ্ৰ লোকৰ পৰিমাণ নিৰ্ণয় কৰাৰ ক্ষেত্ৰতো বিভিন্ন হেঙাৰৰ সৃষ্টি কৰা হৈছে। দৰিদ্ৰতা নিৰূপণৰ মাপকাঠি হ'ল উপভোক্তাৰ ব্যয় জৰীপ। পিছে ২০১১-১২ৰ পাছৰ পৰা এই পৰিসংখ্যা চৰকাৰে জানিবলৈ দিয়া নাই। নেছনেল চেম্পল ছাৰ্ভে অফিচ বা এন এছ অ'ই সাধাৰণতে এই উপভোক্তাৰ ব্যয় জৰীপ নিৰ্ণয় কৰে। এই মাপকাঠিৰ অনুপস্থিতিৰ ফলত পিৰিয়ডিক লেবাৰ কোৰ্ট ছাৰ্ভে, পৰিকল্পনা আয়োগ আদিৰ পৰা উলিয়াবলগীয়া হৈছে। পিৰিয়ডিক লেবাৰ কোৰ্ট ছাৰ্ভে অনুসৰি আমাৰ দেশত সম্প্ৰতি যোৱা ৪৫ বছৰৰ ভিতৰত আটাইতকৈ বেছি নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে।

যোৱা ১৯৭৩ৰে পৰা ২০১২লৈকে যদিহে আমি দৰিদ্ৰতাৰ পৰিসংখ্যালৈ চাও তেনেহ'লে দেখিবলৈ পাম যে দৰিদ্ৰ লোকৰ সংখ্যা ক্ৰমান্বয়ে আমাৰ দেশত হ্ৰাস পাই আহিছে। উদাহৰণস্বৰূপে আমি দেখিছো যে ১৯৭৩-৭৪ত ভাৰতবৰ্ষত দৰিদ্ৰ লোকৰ পৰিমাণ আছিল ৫৪.৯ শতাংশ। ১৯৮৩-৮৪ত এই পৰিসংখ্যা ৪৪.৫ শতাংশলৈ হ্ৰাস পায়। আকৌ ১৯৯৩-৯৪ত দৰিদ্ৰতাৰ এই পৰিমাণ হ্ৰাস পাই ৩৬ শতাংশ হয়গৈ। একেদৰেই ২০০৪-০৫ত এই হিচাপ ২৭.৫ শতাংশলৈ পুনৰ হ্ৰাস পায়। উন্নয়নৰ লগে লগে দৰিদ্ৰতা হ্ৰাস পোৱাটো স্বাভাৱিক কথা। এতিয়া দৰিদ্ৰতাৰ পৰিসংখ্যাৰ চকৰি ওলোটা দিশে ঘূৰিবলৈ লৈছে। যোৱা ২০১৩ৰ পাছৰ পৰা ভাৰতবৰ্ষত দৰিদ্ৰৰ যাত্ৰা আৰম্ভ হৈছে। তথাপি ২০১৫লৈকে দেশত উন্নয়নৰ হাৰ কম হ'লেও বৃদ্ধি পাই আহিছিল। অৰ্থনীতিবিদসকলৰ মতে বিমুদ্ৰাকৰণ আৰু অপৰিকল্পিতভাৱে তথা খৰখেদাকৈ



নিউজ স্কেন

গীতাৰ্থ পাঠক

জি এছ টি আৰম্ভ কৰাৰ বাবেই দৰিদ্ৰতা দেশত বৃদ্ধি পাবলৈ ধৰে। ব্যক্তিগত খণ্ডৰ বিনিয়োগ, ৰপ্তানি, ঔদ্যোগিক উৎপাদন আদি সকলোবোৰ হ্ৰাস পাবলৈ ধৰে। যোৱা ২০১২ত নিবনুৱাৰ হাৰ আছিল ছয় শতাংশ, ২০১৮ত দেশত নিবনুৱাৰ হাৰ বৃদ্ধি পাই ১৮ শতাংশ হয়গৈ। ভূতৰ ওপৰত দানহ পৰাদি কৰ'না ভাইৰাছে সৃষ্টি কৰা পৰিস্থিতি মোকাবিলা কৰাৰ ক্ষেত্ৰত চৰকাৰী অপৰিপক্কতা তথা ক্ষমতাকেন্দ্ৰিক ৰাজনীতিয়ে দেশৰ ব্যাপক অংশ জনসাধাৰণৰ মূৰত মাধমাৰ শোধাইছে।

বিশ্ববেংকৰ হিচাপ মতে বৰ্তমান এগৰাকী ব্যক্তিৰ দৈনিক আয় ১.৯০ মাৰ্কিন ডলাৰত নিৰ্ধাৰণ কৰা হৈছে। ভাৰতীয় টকাৰ হিচাপত এয়া ১৪০ টকা। দেশত দিল্লী স্কুল অৱ ইক'নমিকছৰ প্ৰয়াত অধ্যাপক সুৰেশ তেণ্ডুলকাৰ কমিটীয়ে নিৰ্ধাৰণ কৰা মতে দৰিদ্ৰ সীমাৰেখা অংকন কৰা হৈছে, যাক তেণ্ডুলকাৰ ৰেখা বুলি কোৱা হয়। সি যি কি নহওক, যোৱা ২০০৪-০৫ৰ পৰা ২০১১-১২ৰ ভিতৰত দেশত ১৩.৩ কোটি লোক দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ আহিছে। অৰ্থাৎ প্ৰতি বছৰত এই কালছোৱাত ১.৯ কোটি লোক দৰিদ্ৰতাৰ পৰা ওলাই আহিবলৈ সক্ষম হৈছিল। এই কালছোৱাত দেশৰ উন্নয়নৰ হাৰ প্ৰায় সাত/আঠ শতাংশ আছিল। এতিয়া পৰিস্থিতি সলনি হৈছে। চৰকাৰে যিমানেই প্ৰতিশ্ৰুতি দিছে, যিমানেই সুদিন অনাৰ মন কী বাত সদৰি কৰিছে, সিমানেই দৰিদ্ৰতাৰ জালত জনসাধাৰণ সোমাই পৰিছে।

দেশত সকলোবোৰ ৰাজনৈতিক দলে নিৰ্বাচনৰ সময়ত বিভিন্ন আঁচনি ঘোষণা কৰে। ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী ইস্তাহাৰত বিশেষকৈ গৃহিণীসকলৰ মন জয় কৰাৰ বাবে নানা ধৰণৰ নগদ ধনৰ পৰা অন্যান্য আঁচনিৰ প্ৰতিশ্ৰুতি দিয়ে। জনসাধাৰণক দৰিদ্ৰতাৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ বাবে ব্যাপক বাস্তৱ পৰিকল্পনা গ্ৰহণ কৰাৰ সলনি সাময়িকভাৱে সকাহ দিয়াৰ নিৰ্বাচনী ৰাজনীতিহে ৰাজনৈতিক নেতাসকলে কৰা দেখা যায়। হাস্পতালত সন্তান জন্ম দিলে নগদ ধন দিয়া, শিক্ষাৰ বাবে তথা বিবাহৰ বাবে নগদ ধন, গেছৰ চিলিণ্ডাৰৰ পৰা মিক্সাৰ গ্ৰিণ্ডাৰলৈকে বিনামূলীয়া আঁচনি ঘোষণা কৰে ৰাজনৈতিক দলসমূহে। বিশেষকৈ গৃহিণীসকলক এনে ধৰণৰ নগদ ধন বা অন্য আঁচনিৰে আকৰ্ষিত কৰাৰ ফলত মহিলাৰ ভোটদানো বৃদ্ধি পাইছে। যোৱা ২০১৪ৰ সাধাৰণ নিৰ্বাচনত ছখন ৰাজ্যত মহিলা ভোটৰ সংখ্যা বৃদ্ধি পাইছিল, যোৱা ২০১৯ৰ সাধাৰণ নিৰ্বাচনত ১৬ খন ৰাজ্যত অধিক পৰিমাণে মহিলাই ভোট দিয়া আমি প্ৰত্যক্ষ কৰিছো। অসমতেই এইবাৰৰ বিধানসভাৰ নিৰ্বাচনত আমি এশ এবুৰি সাহায্য আঁচনি ঘোষণা কৰা দেখিছো। এনে এখন শাসক দলৰ সফল আঁচনি হ'ল 'অৰুণোদয় আঁচনি'। দুমুঠি অন্ন দলিয়াই দৰিদ্ৰ লোকক তুষ্ট কৰাৰ যি আগ্ৰাসী নীতি আমাৰ নেতাসকলে লৈছে, সেই নীতি এসময়ত বুমেৰাং হোৱাটো খাটাং। আমি আৰব দেশসমূহত হোৱা গণ অভ্যুত্থান দেখিছো, যাক আৰব বসন্ত বুলি কোৱা হৈছিল। দৰিদ্ৰতা যদি আমাৰ দেশখনতো এনেদৰে হু হুকৈ বাঢ়ি যায়, ভোকাতুৰৰ সংখ্যা যদি জ্যামিতিক হাৰত বাঢ়িবলৈ ধৰে তেনেহ'লে এনে গণ-বসন্ত আমাৰ দেশতো আহিব পাৰে।

দেশত মহামাৰীৰ তাণ্ডৱ তেতিয়া আৰম্ভ হয়, যেতিয়া দেশৰ অৰ্থনীতি ডুবিবলৈ লৈছিল। এখন দেশৰ অৰ্থনীতি তেতিয়াই সুস্থ বুলি কোৱা হয়, যেতিয়া উপভোক্তাই অধিক ব্যয় কৰিবলৈ সক্ষম হয়, উন্নয়নৰ বাবে চৰকাৰে অধিক কৰিবলৈ পাৰে আৰু নিবনুৱাৰ পৰিমাণ হ্ৰাস পায়, বিমুদ্ৰাকৰণ, জি এছ টি প্ৰচলন আৰু মহামাৰী— এই তিনিওটাই দেশৰ উন্নয়ন থানবান কৰি পেলাইছে। বিশ্ববেংকৰ পৰিসংখ্যা বিশ্লেষণ কৰি পিউ ৰিছাৰ্চ চেন্টাৰেও অংক কৰি কৈছে যে মহামাৰীৰ সময়ছোৱাত প্ৰায় এবছৰত দেশত দৰিদ্ৰ লোকৰ সংখ্যা ছয় কোটিৰ পৰা ১৩.৪ কোটিলৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰসংঘই আগবঢ়োৱা হিচাপ অনুসৰি ভাৰতবৰ্ষত ২০১৯ত দৰিদ্ৰৰ মুঠ সংখ্যা আছিল ৩৬.৪ কোটি অথবা মুঠ জনসংখ্যাৰ ২৮ শতাংশ লোক। এছিয়ান ডেভেলপমেন্ট বেংকে আগবঢ়োৱা পৰিসংখ্যা অনুসৰি ১.৯ মাৰ্কিন ডলাৰ বা ১৪১ টকাতকৈ কম ক্ৰয় ক্ষমতা সম্পন্ন মানুহৰ পৰিমাণ ২০১৯ত আছিল ৭.৭ শতাংশ। এই আন্তৰ্জাতিক বেংকটোৱে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি ২০২০ত

> **সামাজিক অধিকাৰ সংস্থা অক্সফেমে কৈছে যে যোৱা বছৰ মাৰ্চৰ পৰা বৰ্তমানলৈকে ভাৰতৰ এশ গৰাকী অৰ্বুদপতিৰ ধন-সম্পত্তি বঢ়াৰ পৰিমাণ হ'ল ১২৯৭৮২২ কোটি। এইখিনি ধন ভাৰতবৰ্ষৰ ১৩.৮ কোটি গৰিব লোকৰ মাজত বিতৰণ কৰিলে প্ৰত্যেকে ৯৪০৪৫কৈ ধন পালেহেঁতেন**

আমাৰ দেশৰ নিবনুৱাৰ পৰিমাণ ৭.১ শতাংশ আৰু ২০১৯ত জন্ম হোৱা প্ৰতি এহেজাৰ শিশুৰ ৩৪টা পাঁচ বছৰ বয়স সম্পূৰ্ণ কৰাৰ আগেয়ে ইহলীলা সম্বৰণ কৰে। দেশৰ চৰকাৰসমূহে এছিয়ান ডেভেলপমেন্ট বেংকৰ পৰা উন্নয়নমূলক কাম-কাজৰ বাবে ঋণ লোৱাৰ কথা আমি জানো। এই আন্তৰ্জাতিক বিত্তীয় সংস্থাসমূহৰ নিজস্ব ব্যৱস্থা আছে বিভিন্ন দেশৰ অৰ্থনৈতিক অৱস্থা জৰীপ কৰাৰ। সি যি কি নহওক, এতিয়া আমি মুখেৰে ফুলজাৰি মাৰি দেশখন উন্নতিৰ বাটে গতি কৰিছে বুলি ক'লেও লাভ নাই।

কৰ'না মহামাৰীৰ দ্বিতীয়টো ঢৌৰ সময়ত আমি দেখিছো যে দেশৰ ধনী আৰু দুখীয়াৰ মাজত থকা ব্যৱধান সাংঘাতিকভাৱে বৃদ্ধি পাব ধৰিছে। ব্লুমবাৰ্গ ডট কম নামৰ পৰ্টেল এটাত যোৱা এপ্ৰিলত মহামাৰীৰ দ্বিতীয়টো ঢৌ আৰম্ভ হোৱাৰ সময়ত বাতৰি প্ৰকাশ পাইছিল যে ভাৰতত হাস্পতালৰ বিছনা, অক্সিজেন আৰু দৰবৰ নাটনি হোৱাৰ পৰিপ্ৰেক্ষিতত এচাম অতি ধনিক শ্ৰেণীৰ লোকে মহামাৰীৰ পৰা হাত সাৰিবলৈ ইউৰোপ আৰু অন্যান্য দেশলৈ পলাই গৈছে। বহুতেই হেনো প্ৰাইভেট বিমান ভাৰা কৰি হ'লেও গৈছে। দেশখনৰ হেজাৰ হেজাৰ মানুহে যেতিয়া অক্সিজেন, দৰব তথা চিকিৎসাৰ অভাৱত জীয়াতু ভুগি আছে, ঠিক সেই সময়ত আমাৰ দেশৰ ধনিক শ্ৰেণীটোৱে দেশ এৰি পলাই গৈছে উন্নত চিকিৎসা বা নিৰাপদ আশ্ৰয়ৰ বাবে। সামাজিক অধিকাৰ সংস্থা অক্সফেমে কৈছে যে যোৱা বছৰ মাৰ্চৰ পৰা বৰ্তমানলৈকে ভাৰতৰ এশ গৰাকী অৰ্বুদপতিৰ ধন-সম্পত্তি বঢ়াৰ পৰিমাণ হ'ল ১২৯৭৮২২ কোটি। এইখিনি ধন ভাৰতবৰ্ষৰ ১৩.৮ কোটি গৰিব লোকৰ মাজত বিতৰণ কৰিলে প্ৰত্যেকে ৯৪০৪৫কৈ ধন পালেহেঁতেন। দেশৰ এক শতাংশ লোকে ৯৫.৩ কোটি লোকে আহৰণ কৰা সম্পত্তিৰ চাৰিগুণ সা-সম্পত্তি আহৰণ কৰিবলৈ সক্ষম হৈছে।

যিখন দেশৰ উদ্যোগতকৈ ৰাজনীতি চহকী হয় সেই দেশখনৰ উন্নয়ন কাহানিও হ'ব নোৱাৰে বুলি কথা এষাৰ আছে, যিষাৰ কথা ভাৰতবৰ্ষৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে সত্য। ৰাষ্ট্ৰসংঘৰ ভূতপূৰ্ব সচিব কফি আন্নানে কৈছিল যে বিশ্বৰ যিকোনো অঞ্চলত যদি সাংঘাতিক দৰিদ্ৰতাই দেখা দিয়ে, তেনেহ'লে বিশ্বৰ সকলো ঠাইতেই ই মানুহৰ শান্তি আৰু নিৰাপত্তাৰ প্ৰতি প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। গতিকে দেশৰ সৰহসংখ্যক লোক যদিহে দৰিদ্ৰতাৰ কৰাল গ্ৰাসত পৰে তেনেহ'লে বাকীসকলে শান্তিত থাকিব নোৱাৰিব আৰু তেওঁলোকো নিৰাপদ নহ'ব। আমাৰ দেশৰ এক শতাংশ ধনিক শ্ৰেণীটোও এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব।

*ফোন : ৯৪৩৫০৪৮৪৮৪*



# ঝাৰুৱা জনগোষ্ঠীৰ অতীত-বৰ্তমান আৰু ভৱিষ্যৎ

**অভিমত**

**অসমৰ** আদিম জনগোষ্ঠী বড়ো, কছাৰী, ঝাৰুৱাসকল বুলি কোৱা হয়, বৃহত্তৰ বড়ো জনগোষ্ঠী কছাৰী জনগোষ্ঠীৰ বা বৃহত্তৰ কছাৰী জনগোষ্ঠীসকল বড়ো, বড়ো বা কছাৰী মূলীয় মানুহখিনি ঝাৰুৱা বুলি পৰিচিত আছিল। বড়ো-কছাৰী মূলীয় মানুহখিনি ঝাৰ অঞ্চলত বসবাস কৰাৰ বাবে বা ঝাৰ, জংঘল কাটি বসবাস কৰাৰ বাবে ঝাৰুৱা বুলি কোৱা হৈছিল, ঝাৰুৱা হোৱাৰ বাবে তেওঁলোকে বসবাস কৰা অঞ্চলৰ নামৰ শেষত ঝাৰ আৰু পাৰা বুলি ৰাখিছিল। বড়ো-কছাৰী বা ঝাৰুৱাসকলৰ ধৰ্মীয়কৰণ বা শ্ৰেণী বিভাজনৰ ফলত বড়ো-কছাৰী, মেছ কছাৰী, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, গাৰো, ৰাভা, হাজং, কোচ, বৰ্মন কছাৰী ইত্যাদি। ১২০৬ খ্ৰীষ্টাব্দৰ আশে-পাশে বড়ো-কছাৰী, ঝাৰুৱা জনগোষ্ঠীৰ মেছ ৰজাৰ ইছলাম ধৰ্ম গ্ৰহণৰ পাছত ঝাৰুৱা পৰিচয় কেৱল ইছলাম ধৰ্মীয় কছাৰী মূলীয়সকল অবিভক্ত গোৱালপাৰা জিলাৰ কিছুসংখ্যক মানুহৰ মাজত সীমাবদ্ধ হৈ পৰে। বৃহত্তৰ ঝাৰুৱা জনগোষ্ঠীসকল উজনি অসমৰ কছাৰী মূলীয় ঠেঙাল কছাৰীয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰি প্ৰথমতে ফুলগৰীয়া এতিয়া গৰিয়া বুলি পৰিচিত হৈ আছে নামনি অসমতো বঙাইগাঁও আৰু গোৱালপাৰা জিলাৰ ঝাৰুৱাসকল গৰিয়াৰ লগত বিলীন হৈছে, ধুবুৰী জিলাৰ কিছুসংখ্যক ঝাৰুৱাই দেশী জনগোষ্ঠী বুলি পৰিচয় দি আছে। এতিয়া কেৱল বিজনীৰাজৰ অন্তৰ্গত কোকৰাঝাৰ জিলাৰ ছখন আৰু ধুবুৰী জিলাৰ অন্তৰ্গত বিলাসীপাৰা মহকুমাৰ ২১ খন মুঠ ২৭ খন গাঁৱত আজি কছাৰী মূলীয় ঝাৰুৱা মানুহৰ অৱস্থিতি তথা পৰিচয় ভাষা আৰু সংস্কৃতিৰে চিনাকি দি আছে, অসমত বিলুপ্তপ্ৰায় এই বড়ো-কছাৰী মূলীয় ঝাৰুৱাসকল, ইছলামধৰ্মীয় ঝাৰুৱাসকলৰ ভাষাটো ঝাৰুৱা ভাষা বুলি কোৱা হয়, কোচ ৰাজবংশী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰিত এই ঝাৰুৱা ভাষা, ঝাৰুৱা ভাষাটোক কোচ ৰাজবংশী ভাষা বুলি কোৱা হয় লগতে ঝাৰুৱা ভাষাটোক আধুনিক ভাষা বুলিও কোৱা হয়, কছাৰী মূলীয় হাজং সকলৰ ভাষাটোও ঝাৰুৱা বুলি কোৱা হয়। তেওঁলোকৰ ভাষাটো ঝাৰুৱা আৰু বাংলা ভাষাৰ সংমিশ্ৰিত ভাষা, কছাৰী মূলীয় ঝাৰুৱা সকলৰ ভাষাটো যিহেতু ৰাজবংশী ভাষা বুলিও কোৱা হৈছিল সেইবাবে W.W Hunter -এ তেওঁৰ জনগণনাত অবিভক্ত গোৱালপাৰা জিলাৰ কছাৰী জনগোষ্ঠীৰ পৰা ইছলাম ধৰ্ম গ্ৰহণ কৰা সকলক মুছলমান কোচ বুলি অভিহিত কৰিছিল যদিও আজিৰ তাৰিখত মুছলমান কোচ পৰিচয় বিলুপ্ত হৈ কিছুমানে নিজকে আগৰ পৰিচয় ঝাৰুৱা আৰু কিছুমানে নিজকে গৰিয়া, দেশী বা উজানী বুলি পৰিচয় দিয়ে। প্ৰথম বিশ্বযুদ্ধত অসমৰ কছাৰীসকল ঝাৰুৱা নামেৰে ঝাৰুৱা ৰেজিমেণ্টৰ অন্তৰ্ভুক্ত হৈ ভাৰতৰ প্ৰতিনিধি হৈ ইংৰাজৰ বাবে যুদ্ধ কৰিছিল আৰু সুনাম অৰ্জন কৰিছিল; কিন্তু যিদৰে কিছু সংখ্যকে গৰিয়া পৰিচয়টো হীন বুলি ভাবি গৰিয়া হোৱা সত্বেও গৰিয়া পৰিচয় দিয়াতকৈ ধৰ্মীয় পৰিচয় দি গৌৰৱ অনুভৱ কৰিছিল ঠিক সেইদৰে সনাতন ঝাৰুৱা ভাষী ঝাৰুৱাসকলে নিজকে প্ৰথমতে ক্ষত্ৰিয়, পাছত কোচ আৰু এতিয়া কোচ ৰাজবংশী বুলি পৰিচয় দিয়ে, ঝাৰুৱা পৰিচয়টো হীন বুলি ভাবি বৃহত্তৰ ঝাৰুৱা পৰিচয়টো কেৱল ইছলাম ধৰ্ম গ্ৰহণ কৰা ঝাৰুৱা কছাৰীৰ মাজতে সীমাবদ্ধ হৈ পৰে, যাৰ প্ৰমাণ প্ৰথম বিশ্বযুদ্ধত ঝাৰুৱা নামেৰে যুদ্ধ কৰি সুনাম অৰ্জন কৰিও সেই পৰিচয় তথা ৰেজিমেণ্ট আজি নাই, ইছলামধৰ্মীয় ঝাৰুৱাসকল আজিও ধৰ্মীয়ভাৱে গোড়ামি নহয়, প্ৰত্যেক ঝাৰুৱা গাঁৱৰ ওচৰত কছাৰী মূলীয় মানুহৰ বসতি, কোনো কোনো গাঁৱৰ মাজত সনাতন মানুহৰ ঘৰ নাই অথচ মন্দিৰ গাঁৱৰ মাজত আছে। উদাহৰণ স্বৰূপে কোকৰাঝাৰ জিলাৰ বৰুৱাপাৰা, শিঙিমাৰী গাঁৱলৈ গ'লেই দেখা পোৱা যায়, চতুৰ্দিশে গড়খাৱৈ, জীয়া বাঁহ গছৰ বেষ্টনী আৰু ইটাৰ প্ৰাচীৰ থকা চতুষ্কোণ আয়ত ক্ষেত্ৰত (৬৪০-৩২০ বৰ্গফুট), ইটাৰে সজা একাধিক সৰু মন্দিৰ আৰু প্ৰায় এশ খেৰিঘৰ সমন্বিতে জিলিকি থকা বিজনীৰ ৰাজবাৰীত ৰজাৰ বাসগৃহ কাঠ, বাঁহ, খেৰেৰে সজা আছিল যাক বুকাননে ঝাৰুৱাৰ দৰে বসবাস কৰা (Living in JHARUA Style) বুলি উল্লেখ কৰিছিল। ঝাৰুৱাসকলৰ ইমান চহকী ইতিহাস থকা সত্বেও আজি ইছলামধৰ্মী ঝাৰুৱাসকলৰ বাহিৰে ঝাৰুৱা পৰিচয় দিয়া মানুহ নাই, ঐতিহাসিক পৰিচয় আৰু পৰম্পৰা বজাই ৰখা ইছলামধৰ্মী ঝাৰুৱাসকলৰ অৱস্থা আজি ইমান পুতৌ লগা যে আজি ভূমিপুত্ৰ হোৱা সত্বেও লাঞ্ছিত, অধিকাৰৰ পৰা বঞ্চিত নিজ ভূমিতে সন্দেহজনক হৈ এক অন্ধকাৰ ভৱিষ্যতৰ পিনে গতি কৰি থকাটো সঁচাকৈয়ে উদ্বেগজনক বিষয়; কিন্তু, অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জনগোষ্ঠীৰ উন্নয়ন বিভাগৰ তৰফৰ পৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ গাঁও আৰু জনগণনা কৰিবলৈ গৈ আছে সেই সময়ত অসমৰ ভূমিপুত্ৰ বৃহত্তৰ বড়ো-কছাৰী মূলীয় ইছলামধৰ্মী ঝাৰুৱাসকল ঝাৰুৱা পৰিচয়েৰে আগবাঢ়ি অহাটো সঁচাকৈয়ে ইছলাম ধৰ্মীয় ঝাৰুৱাসকলৰ বাবে শুভ লক্ষণ। আজি ঝাৰুৱাসকলৰ মাজত শিক্ষা, সজাগতাৰ অভাৱত অৰ্থ আৰু সুসংগঠিত সংগঠন নথকাৰ লগতে ৰাজনৈতিক নেতা বা ৰাজনৈতিকভাৱে পিছপৰা হোৱাৰ লগতে সজাগতাৰ অভাৱত ভৱিষ্যৎ অন্ধকাৰৰ দিশে গতি কৰি আছে, এই জটিল সন্ধিক্ষণত অসমৰ বুদ্ধিজীৱী, ৰাজনৈতিক নেতা, সাংবাদিক লগতে চৰকাৰৰ দৃষ্টি পৰিবনে এই ঝাৰুৱা জনগোষ্ঠীৰ হৃৎ পৰিচয় অধিকাৰ আৰু মৰ্যাদা ঘূৰাই পাবলৈ এয়া আজিৰ ইছলামধৰ্মীয় ঝাৰুৱাসকলৰ বাবে জীৱন-মৰণৰ খেল।

শেষত ঝাৰুৱা জনগোষ্ঠীৰ পৰিচয় আৰু অধিকাৰ সুনিশ্চিত কৰাৰ বাবে বিভাগীয় মন্ত্ৰী লগতে অসম চৰকাৰৰ ওচৰত অনুৰোধ জনালো।

**সেখ ছেলিম পাটগিৰি**

*ফোন : ৯৯৫৪১২৮০৪৪*

## খোলা মঞ্চ

# অসমৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া কোন বুলি ভাবে?



**মনীষা শৰ্মা,** *লেখিকা*

**অসমৰ** সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া আমি অসমবাসীসকলেই বুলি ভাবো। অসম আজি অবৈধ বাংলাদেশীৰ অনুপ্ৰৱেশৰ ভৰত বিধ্বস্ত হোৱাৰ উপৰি আন্তঃৰাজ্যিক সীমা সমস্যাই এক অস্থিৰ পৰিৱেশৰ পিনে ধাবিত হৈছে। অসমীয়াই বহু আন্দোলন প্ৰতিবাদ কৰিও নগা, মিজো, খাচী আৰু অৰুণাচলীয়ে নিজৰ ৰাজ্য আৰু জাতিক সুৰক্ষিত কৰিবলৈ বিচৰাৰ দৰে আন্তঃৰাজ্যিক পাৰপত্ৰৰ ব্যৱস্থা কৰিব নোৱাৰাটো আমাৰ তথাকথিত জাতীয় আন্দোলনৰ নেতৃত্বৰ অদূৰদৰ্শিতা।

আমাৰ সমাজত শংকৰদেৱে হিন্দু-মুছলমান বা সকলো ধৰ্মাৱলম্বী মানুহৰ মাজত একে ধৰণৰ সম্প্ৰীতিৰ ভাৱেৰে জাতীয় চেতনাৰ বীজটো সিঁচি থৈ গ'ল। সেই ভাৱধাৰাৰে কিন্তু এতিয়ালৈকে অসমীয়া জাতিটো চলি আছে। অসমৰ জলবায়ু প্ৰাকৃতিক স্থিতি সকলো ফালৰ পৰা যদি আমি মন কৰো তেতিয়া দেখো যে অসমখন তাহানিৰ সময়ত অৰণ্যৰে আবৰি থকা এখন ৰাজ্য আছিল। য'ত মানুহ এজন যাব নোৱাৰে; ৰ'দ, বতাহ নোহোৱা ঠাইত মানুহে বসতি কৰিছিল। তাৰ পাছত লাহে লাহে এই হাবি ভাঙি মানুহে বসতি স্থাপন কৰিলে। জনসংখ্যাও বৃদ্ধি হ'ল। আমাৰ অসমত যিবিলাক মাটিকালিত কোনো ধৰণৰ কাম কৰা হোৱা নাছিল মানুহৰ জনসংখ্যাও কম আছিল আৰু খেতি কৰিবলৈ আমাৰ অসমীয়াসকল আগ্ৰহী নাছিল তেতিয়া সেই সময়ত বিদেশৰ পৰা অহা মুছলমানসকলৰ অসমত প্ৰব্ৰজন ঘটে। তেওঁলোক কৰ্মউদ্যমী লোক আছিল। অসমৰ হাবি-জংঘল কাটি খেতি কৰি অসমৰ অৰ্থনৈতিক দিশত যথেষ্টভাৱে উন্নয়ন সাধন কৰি অৰিহণা যোগাইছিল। কিন্তু কালক্ৰমে তেওঁলোক অহাৰ পাছত আমাৰ সমাজত ৰাজনৈতিক চৰিত্ৰটো বেয়া হৈ গ'ল। তেওঁলোকক সেই সময়ত কংগ্ৰেছে ভোট বেংক হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিলে। ফলত তেওঁলোকৰ সৰ্বাংগীণ উন্নতিটো কংগ্ৰেছে বিচৰা নাছিল। তেওঁলোকৰ শিক্ষা নাছিল। তেওঁলোকৰ জনসংখ্যা অন্য জাতিৰ তুলনাত বৃদ্ধিৰ হাৰ বহুত আছিল। তদুপৰি ৰাজনৈতিক আৰু ধৰ্মৰ মাজত সোমাই তেওঁলোকক বুজোৱা হৈছিল আৰু তেওঁলোকেও ভাবিছিল যে জনসংখ্যা বৃদ্ধি হ'লে তেওঁলোকৰ শক্তি বৃদ্ধি হ'ব। গোটেই কথাখিনি বুজি ক'ব পাৰি যে অসমখন এখন কৃষিপ্ৰধান ৰাজ্য। ভাৰতৰ অন্য ৰাজ্য তেতিয়া ব্ৰিটিছ চৰকাৰৰ শাসনত চলিছিল কিন্তু অসমখন তেতিয়া আহোমসকলে চলাইছিল। মানে আক্ৰমণ কৰা সময়ত যেতিয়া আহোম ৰাজ্যই ব্ৰিটিছৰ সাহায্য বিচাৰিলে তেতিয়া ব্ৰিটিছে ১৮২৬ৰ ইয়াণ্ডাবু চুক্তি কৰি অসমখনৰ শাসন নিজৰ হাতত নিয়ে। প্ৰাকৃতিক দুৰ্যোগৰ ফলতে হওঁক বা মানুহখিনিয়ে বেছি কাম কৰিবলৈও মন কৰা নাছিল। ঠিক তেনেদৰে মানুহখিনি কৰ্মবিমুখ হৈছিল। তেনেকৈ মানুহবোৰে খুব কম জীৱিকা অৰ্জন কৰি কোনোমতে খাই বৈ থাকিছিল। গতিকে আমাৰ ইয়াত পুঁজি গঠনটো কম আছিল। তাৰ মাজত যিসকল থলুৱা ব্যৱসায়ী লোক ব্ৰিটিছৰ ওচৰত থাকিবলৈ সুযোগ পাইছিল যেনেকৈ মণিৰাম দেৱানে অসমত প্ৰথম চাহ ব্যৱসায় কৰিছিল তেনেকৈ কিছু মানুহে ব্ৰিটিছৰ পৰা ঠাই লৈ চাহ খেতি কৰিছিল। বাকী সকলো সম্পদ যেনে কয়লা, তেল, বনজ সম্পদ এই সকলোবোৰ চৰকাৰৰ হাতত আছিল। তাক অন্য সাধাৰণ মানুহে ব্যৱসায় কৰিব পৰা নাছিল।

যাৰ ফলত গোটেই ৰাজ্যত এটা বেমেজালি সৃষ্টি হ'ল। এতিয়া কথা হ'ল যে বৰ্তমান সময়ত আমাৰ যিখিনি আছে তাৰে স্কিল ডেভল'পমেণ্টৰ পৰা কাম শিকি আমাৰ সম্পদসমূহ ধৰি ৰাখিব লাগে আৰু এটা কথা মন কৰিবলগীয়া যে অৰ্থনৈতিকভাৱে আমি সবল নহ'লে অসমৰ অন্য সমস্যা সমাধান কিন্তু কৰিব নোৱাৰি। আমাৰ ভাষা, সংস্কৃতি আদি যিয়ে নহওঁক সকলো সমস্যাৰ সমাধান কিন্তু মূলতে অৰ্থনৈতিক। আমাৰ সমাজত অৰ্থনৈতিক আন্দোলন এটা গঢ়ি তোলা খুব দৰকাৰ। সেয়ে মই অসমৰ সৰ্বদিশত দুৰ্দশাৰ বাবে জগৰীয়া আমাৰ অসমীয়াৰ অৰ্থনৈতিক অৱস্থাটোকে বুজা যায়।


> **অৰ্থনৈতিকভাৱে আমি সবল নহ'লে অসমৰ অন্য সমস্যা সমাধান কিন্তু কৰিব নোৱাৰি। আমাৰ ভাষা, সংস্কৃতি আদি যিয়ে নহওঁক সকলো সমস্যাৰ সমাধান কিন্তু মূলতে অৰ্থনৈতিক**

*ফোন : ৭৬৬৩০২৬৩০১*

# অসম বনাম কলকাতা

> **কোনো কোনো মানুহক দেখিলো দুই-তিনিটাকৈ দিনটোত কাম কৰে। পুৱা পাঁচটাৰ পৰা ন বজালৈকে আকৌ দিনৰ ১০ বজাৰ পৰা চাৰিবজালৈকে শেষত সন্ধিয়া ছয় বজাৰ পৰা ৰাতি এঘাৰ বজালৈকে। মানুহখিনি ইমানেই ব্যস্ত যে বহুতেই নিজৰ চুবুৰীয়াজনৰ নাম পৰ্যন্ত নাজানে**


**ভ্ৰমণৰ** পৰা বহুতো শিকিব পাৰি। আমি থকা ঠাইবিলাকৰ লগত আন অঞ্চলৰ বহুতো গৰমিল থকা দেখা যায়। হয়তো আমি বহুত কথা আৰু কাম শিকিবলগীয়া থাকে। যি কামে হয়তো আমাৰ জীৱন পৰিক্ৰমা সলনি কৰি দিব পাৰে। এবাৰ মই কলকাতা চহৰ ফুৰিবলৈ গৈছিলো। হাওড়া ষ্টেছনত নামি যোৱাৰ লগে লগে মই আচৰিত হ'লো। মানুহৰ কি ব্যস্ততা। কোনোবাই ৰেল'ত উঠিবলৈ দৌৰাদৌৰি কৰিছে। পৰুৱাৰ দৰে মানুহৰ ভিৰ। ক'তো কাৰো ৰ'বলৈ সময় নাই। যেন যান্ত্ৰিকতাৰে ভৰা মানুহৰ জীৱন। ৰাস্তাত চিনাকি মানুহবিলাকেও অচিনাকিৰ ভাও ধৰে। কাৰণ চিনাকি বুলি ওচৰ চাপি গৈ দুই এষাৰ কথা পাতে মানে সময় উকলি যোৱাৰ ভয়। অলপ সময় মই ষ্টেছনতে ৰৈ দিলো মানুহৰ ব্যস্ততা চাবলৈ। পুলিচ এজনৰ ওচৰ চাপি গ'লো। মানুহৰ ব্যস্ততাৰ বিষয়ে জানিবলৈ। তেওঁ ক'লে কলকাতাৰ মানুহ বৰ ব্যস্ত। আনকি লোকেল ৰেলগাড়ী যদি কেতিয়াবা অলপ পলমকৈ আহে তেন্তে ষ্টেছন মাষ্টৰে ইয়াৰ কৈফিয়ৎ ৰাইজক দিব লাগে। কাৰণ মানুহবিলাক সময়ৰ লগত দৌৰি ফুৰে। যি শুনিলো ব্যক্তিগত খণ্ডত চাকৰি কৰা মানুহবিলাকৰ প্ৰায়খিনিয়ে চাকৰি কৰা স্থানলৈ গৈ থাকোতে বেগত বিক্ৰী কৰাৰ বাবে কিবাকিবি ভৰাই লয় আৰু গোটেই ৰাস্তাটোত তেওঁলোকে এইবিলাক বস্তু বিক্ৰী কৰি যায়। ষ্টেছনত নামি দিয়াৰ লগে লগে বস্তুবিলাক সামৰি সুতৰি বেগত ভৰাই অফিচ কৰে আকৌ ঘূৰি অহাৰ বাটত ব্যৱসায় কৰে। এই দৃশ্যটো অকল হাওড়া ষ্টেছনতেই নহয় কলকাতাত যিমানবিলাক ষ্টেছন আছে চবতে একেই দৃশ্য। এসপ্তাহমান থাকিলো। ভাবিছিলো ক'ৰবাত হয়তো মানুহৰ ব্যস্ততা কম পাম আৰু আমাৰ অসমৰ দৰে ৰাস্তাৰ কাষত থিয় হৈ দুই-এজনৰ লগত চিনাকি হৈ কথা পাতিম। কিন্তু মানুহবিলাক বৰ ব্যস্ত। ৰাতিপুৱা গ'লো পুৰী খাবলৈ। বন্ধ দোকানৰ সন্মুখত পুৰীৰ দোকান। ৰাতিপুৱা তিনিটা বজাতেই বোলে দোকান খোলে। পুৱা সাত বজাৰ পাছত গ'লে সেয়া দোকান দেখা পোৱা নাযায়। তাৰ মানে পুৰীৰ দোকান দিয়া মানুহখিনি দিনৰ ভাগত আৰু এটা ব্যৱসায় কৰিব আৰু যিখন দোকানৰ সন্মুখত দোকান খুলিছিল তেওঁলোকেও আহি দোকান খুলিব। পাইকাৰী কাপোৰৰ গলিবিলাকত সোমাবই নোৱাৰি। এচাম মানুহ আছে পাইকাৰী দোকানৰ পৰা এক বাণ্ডিল কাপোৰ লৈ তিনিআলি বা চাৰিআলিত আহি চিঞৰি থাকিব আৰু বাহিৰৰ পৰা যোৱা কাপোৰ ব্যৱসায়ীক ঠাইতে বিক্ৰী কৰি টকা উপাৰ্জন কৰিব। কিছুমান দোকান দেখিলো গোটেই নিশা খোলা থাকে আৰু দিনটো আৰাম কৰে। আনকি কিছুমানক দেখিলো কাউৰীয়ে কা কৰিবলৈ নৌপাওঁতেই বিছনা এৰে আৰু এপৰ নিশালৈকে বাহিৰত থাকে। কোনো কোনো মানুহক দেখিলো দুই-তিনিটাকৈ দিনটোত কাম কৰে। পুৱা পাঁচটাৰ পৰা ন বজালৈকে আকৌ দিনৰ ১০ বজাৰ পৰা চাৰিবজালৈকে শেষত সন্ধিয়া ছয় বজাৰ পৰা ৰাতি এঘাৰ বজালৈকে। মানুহখিনি ইমানেই ব্যস্ত যে বহুতেই নিজৰ চুবুৰীয়াজনৰ নাম পৰ্যন্ত নাজানে। কাৰ ঘৰত কি হৈ আছে নাজানে। পুৱাৰ বাতৰি কাকতখন বহুতকে দেখিলো ৰেলত বা চিটি বাছত থিয় হৈ পঢ়ি আছে। আমিতো চিটি বাছত খুচুৰা পইচাৰ অভাৱত এটকা দুটকা আনকি পাঁচ টকালৈকে এৰি আহো। কলকাতাত নহ'ব। পঁচিশ পইচা পৰ্যন্ত দিব লাগিব। হেন্দিমেনে বেগত খুচুৰা পইচা ভৰাই ৰাখে। গন্তব্যস্থান পোৱাৰ আগতে তেওঁৰ লগত লেনদেন শেষ কৰি দিয়ে। আমাৰ গুৱাহাটীৰ নিচিনা নহয় যে গন্তব্যস্থান পোৱাৰ পাছত খুচুৰা পইচা হেন্দিমেনে খেপিয়াই ফুৰিব। কলকাতাত হেন্দিমেনে টকা ঘূৰাই দিওঁতে যদি অলপ পলম কৰিলে হ'ল আৰু। তিৰোতা মানুহৰ পৰা আৰম্ভ কৰি সৰু সৰু ল'ৰা-ছোৱালীবিলাকো বহি নাথাকে। বিভিন্ন ধৰণৰ পুতলা আদিকে ধৰি ঘৰতে তৈয়াৰ কৰে। আন নহ'লেও মিঠাই আদি ভৰাব পৰা কাগজৰ বেগ তৈয়াৰ কৰি বিক্ৰী কৰে। বহুতেই আকৌ ৰাতিৰ



সাঁজটো হোটেলত খায়। ইয়াৰ এটা হিচাপ আছে। সন্ধিয়া সময়ৰ পৰা ৰাতি ১০ বজালৈকে যিটো উপাৰ্জন কৰিব সেই উপাৰ্জনটো ৰাতিৰ সাঁজটো খোৱাৰ পাছতো যাতে টকা ৰাহি থাকে। আমাৰ অসমত আমি যিমান টকা অপচয় কৰো বা সময় অপচয় কৰো এই সময়খিনি যদি সদ্ব্যৱহাৰ কৰিলোহেঁতেন। নাই আমি নকৰো। আনকি ৰাতিপুৱা হয় আমাৰ বাবে পুৱা ১০ বজাত। এচামে আকৌ ৰাতি এনেই অ'ত-ত'ত আড্ডা দি ৰাতি ১২ বজাত ঘৰ সোমায়। চাৰিআলি তিনিআলিৰ চকত আমাৰ বিনা কাৰণত মেল। কোনে কি কৰিলে, কি খালে, ক'ত আন্দোলন হ'ল, আকৌ কেতিয়া আন্দোলন হ'ব তাৰহে হিচাপ নিকাচ। আমাৰ ভেটি মাটি পথাৰ চব আছে কিন্তু আমি কৰ্মহীন। এলাহে আমাক নিষ্কৰ্মা কৰিছে। আমি মাত্ৰ চাকৰিৰ ওপৰত চকু দি থাকো। পালে কৰিলো নাপালে আন্দোলন কৰিলো। এনেকৈ আমাৰ জীৱন চলিছে। কলকাতাৰ মানুহে যিটো কথা আজি চিন্তা কৰে সেই কথাটো আমি এমাহমান পাছত চিন্তা কৰো। সময় কাৰো বাবে বৈ নাথাকে। সময়ৰ লগত ফেৰ মাৰিব পাৰিব লাগিব। তেতিয়াহে আমাৰ জাতি-মাটি-ভেটি ৰক্ষা হ'ব।

**আব্দুল হালিম আহমেদ**

*লংকা, হোজাই, ফোন : ৯৪৩৫৭৫৫৩১৩*



## ভাৰতলৈ প্ৰত্যৰ্পণৰ বিৰুদ্ধে আবেদন জনাব পাৰিব নীৰৱে

**নিউজ ব্যুৰ' লণ্ডন, ১০ আগষ্ট ঃ** অধিক জটিল হৈ উঠিল পলাতক ভাৰতীয়মূলৰ ব্যৱসায়ী নীৰৱ মোদীক দেশলৈ ওভতাই অনাৰ প্ৰক্ৰিয়া। পঞ্জাৱ নেচনেল বেংকৰ বিত্তীয় প্ৰৱঞ্চনাৰ অন্যতম অভিযুক্ত নীৰৱে ভাৰতলৈ প্ৰত্যৰ্পণৰ সন্দৰ্ভত নিম্ন আদালতে দিয়া ৰায়ৰ বিৰুদ্ধে ব্ৰিটিছ আদালতত আবেদন জনাব পাৰিব। সোমবাৰে এই ৰায় দিলে ব্ৰিটিছ উচ্চ ন্যায়ালয়ে। ভাৰতত একাধিক বেংকৰ পৰা বৃহৎ পৰিমাণৰ ঋণ লৈ পৰিশোধ নকৰাকৈ গোপনে দেশ ত্যাগ কৰি ব্ৰিটেইনলৈ পলায়ন কৰিছিল নীৰৱে। ভাৰতে প্ৰৱঞ্চকজনক স্বদেশলৈ ওভতাই অনাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে যদিও ব্ৰিটিছ আদালতৰ এই ৰায়ৰ পাছত নীৰৱক ভাৰতলৈ প্ৰত্যৰ্পণৰ প্ৰক্ৰিয়া অধিক জটিল হ'ল।

## ক'ভিডৰ ব্যাপক সংক্ৰমণক লৈ আমেৰিকাক কটাক্ষ চীনৰ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ আগষ্ট ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ ব্যৰ্থতাক লৈ আমেৰিকাক কঠোৰভাৱে সমালোচনা কৰিলে চীনে। চীনৰ তিনিটা বৃহৎ প্ৰতিষ্ঠানে এক যৌথ অধ্যয়নত কয় যে আমেৰিকা হৈছে প্ৰকৃততে এখন পৰাজিত দেশ আৰু কৰ'নাৰ প্ৰথম সংক্ৰমণ আমেৰিকাতে হোৱাৰ যথেষ্ট সন্দেহ আছে। আমেৰিকাত কৰ'নাৰ প্ৰথম সংক্ৰমণ হোৱাৰ বিষয়ত আন্তৰ্জাতিক তদন্ত হোৱা উচিত বুলিও চীনে দাবী কৰিছে। চীনৰ বৈদেশিক মন্ত্ৰণালয়েও ক'ভিডৰ সংক্ৰমণৰ সন্দৰ্ভত একে মত প্ৰকাশ কৰিলে। শেহতীয়াভাৱে আমেৰিকাত দৈনিক লক্ষাধিক লোক ক'ভিডত আক্ৰান্ত হোৱাক লৈও চীনে কটাক্ষ কৰি কয় যে এই ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত আমেৰিকা সম্পূৰ্ণ ব্যৰ্থ হৈছে। বিশ্বত নতুনকৈ কৰ'না বিয়পি পৰাৰ বাবেও আমেৰিকাকে দোষাৰোপ কৰিলে বেইজিঙে।

## কৰিণাৰ দ্বিতীয় পুত্ৰৰ নাম জাহাংগীৰ, তেন্তে এইবাৰ ঔৰংগজেৱৰ পাল ঃ প্ৰশ্ন সামাজিক মাধ্যমৰ



**নিউজ ব্যুৰ', মুম্বাই, ১০ আগষ্ট ঃ** অভিনেতা দম্পতী কৰিণা কপুৰ খান আৰু ছইফ আলী খানৰ দ্বিতীয় পুত্ৰৰ নামকৰণ সম্পন্ন হ'ল। কৰিণা-ছইফে কণমানি পুত্ৰৰ নাম ৰাখিলে জাহাংগীৰ। এই ঘোষণাৰ পাছতে সামাজিক মাধ্যমত একাংশ লোকে কৰিণা পুত্ৰৰ নামকৰণক লৈ নানা ধৰণৰ মন্তব্য প্ৰকাশ কৰিছে। উল্লেখ্য যে প্ৰথম পুত্ৰৰ নাম ছইফ দম্পতীয়ে তৈমুৰ ৰাখিছিল। এইবাৰ দ্বিতীয় পুত্ৰৰ নাম ৰাখিলে জাহাংগীৰ আলী খান। এজন ব্যক্তিয়ে সামাজিক মাধ্যমত কৰিণা-ছইফক কটাক্ষ কৰি কয়, 'দ্বিতীয় সন্তানৰ নাম জাহাংগীৰ ৰাখিলে ছইফ আলী খান আৰু কৰিণা কপুৰে। নাম ৰাখিয়ে ট্ৰ'ল হ'ল নবাব। এইবাৰ অধীৰ আগ্ৰহৰে ঔৰংগজেৱৰ বাবে অপেক্ষা কৰিছো।'

## জাৰ্মানীত অক্টোবৰত বন্ধ হ'ব পাৰে বিনামূলীয়া কৰ'না পৰীক্ষণ



**নিউজ ব্যুৰ', বাৰ্লিন, ১০ আগষ্ট ঃ** জাৰ্মান চৰকাৰে অহা অক্টোবৰৰ পৰা কৰ'না ভাইৰাছৰ বিনামূলীয়া পৰীক্ষণ বন্ধ কৰিব পাৰে। এই সন্দৰ্ভত জাৰ্মান চেন্সেলৰ এঞ্জেলা মৰ্কেল আৰু ১৬ ৰাজ্যৰ মুৰব্বীয়ে এক বৈঠকত আলোচনা কৰিব। দেশখনৰ চৰকাৰে যোৱা মাৰ্চত সকলো নাগৰিকৰ বাবে কৰ'নাৰ পৰীক্ষণ বিনামূলীয়া কৰিছিল। দেশখনৰ ৫৫ শতাংশ নাগৰিকে প্ৰতিষেধকৰ দুপালি গ্ৰহণ কৰাৰ পাছত আবেদন জনাই কৈছে যে যিসকল লোকে এতিয়াও প্ৰতিষেধক গ্ৰহণ কৰা নাই, তেওঁলোকৰ ক'ভিড পৰীক্ষণৰ নামত কৰদাতাৰ ধন ব্যয় কৰাৰ প্ৰয়োজন নাই। জাৰ্মানীত সোমবাৰে নতুনকৈ ২,২১২ জন লোক কৰ'নাত আক্ৰান্ত হৈছিল। তদুপৰি দেশখনত কালি ১০ জন লোকৰ কৰ'নাত মৃত্যুও হয়।

## বিজেপিক পৰাভূত কৰিবলৈ কোনো দল অস্পৃশ্য নহয় ঃ ক'লে য়েছুৰীয়ে



**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ আগষ্ট ঃ** সৰ্বভাৰতীয় ৰাজনীতিত বিজেপিক প্ৰতিৰোধ কৰিবলৈ কোনো দলৰ প্ৰতি অস্পৃশ্যতা ৰাখিব নিবিচাৰে চি পি আই এমে। কিছুদিন পূৰ্বে বামমৰ্চাৰ অধ্যক্ষ বিমান বসুৱে কৈছিল যে বিজেপি বিৰোধিতাৰে সৰ্বভাৰতীয় স্তৰত কাশ্মীৰৰ পৰা কন্যা কুমাৰীলৈ আৰু কচ্ছৰ পৰা কহিমালৈকে যিকোনো দলৰ স'তে বামমৰ্চাই একেলগে কাম কৰিবলৈ সাজু আছে। এইবাৰ চি পি আই এমে তিনিদিনীয়া কেন্দ্ৰীয় কমিটীৰ বৈঠকৰ অন্তত সৰ্বভাৰতীয় ক্ষেত্ৰত বিজেপিক প্ৰতিৰোধ কৰিবলৈ কোনো দলৰ প্ৰতি অস্পৃশ্যতা ৰখা নহ'ব বুলি সিদ্ধান্ত গৃহীত কৰিলে। অৰ্থাৎ ৰাষ্ট্ৰীয় পৰ্যায়ত বাম দলটোৱে বিজেপি বিৰোধী যিকোনো দলৰ স'তে একেলগে কাম কৰিবলৈ প্ৰস্তুত আছে।

### কাবুল দখলৰ প্ৰচণ্ড যুঁজ অব্যাহত ঃ তালিবান-আফগান সেনাৰ ৰক্তক্ষয়ী সংঘৰ্ষত হাহাকাৰ নিৰীহৰ

# তিনিদিনত ২৭ শিশুক হত্যা, তালিবানৰ বৰ্বৰতাত স্তম্ভিত বিশ্ব

**নিউজ ব্যুৰ' কাবুল, ১০ আগষ্ট ঃ** আফগানিস্তানত ক্ৰমে ভয়াৱহ ৰূপ ল'লে গৃহযুদ্ধই। দ্ৰুত কাবুল দখলৰ উদ্দেশ্যৰে প্ৰচণ্ড যুঁজ অব্যাহত ৰাখিছে তালিবান সন্ত্ৰাসবাদীয়ে। সন্ত্ৰাসবাদীক বাধাদানৰ বাবে আফগান সেনাবাহিনীয়েও প্ৰত্যাক্ৰমণ চলাইছে। তালিবান আৰু আফগান সেনাৰ এই ৰক্তক্ষয়ী সংঘৰ্ষত হাহাকাৰ কৰিবলগীয়া হৈছে নিৰীহ



নাগৰিকে। ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, বিগত তিনিদিনত আফগানিস্তানত সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ হেৰুৱালে ২৭ টা শিশুৱে। 'আফগানিস্তানত শিশুৰ বিৰুদ্ধে হিংসাৰ ঘটনা যথেষ্ট বৃদ্ধি পাইছে। যুদ্ধবিধ্বস্ত কান্দাহাৰ, খোস্ত আৰু পাকটিয়া প্ৰদেশত বিগত তিনিদিনত সন্ত্ৰাস আক্ৰমণত ২৭টা শিশুৰ মৃত্যু হ'ল। মূলতঃ পথৰ দাঁতিত পুতি ৰখা আই ই ডিৰ বিস্ফোৰণ আৰু সংঘৰ্ষৰ মাজত সোমাই গুলিবিদ্ধ হোৱাত এইসকল শিশুৱে প্ৰাণ হেৰুৱালে। বিগত এমাহত দেশখনত কমেও এহেজাৰ নিৰীহ লোকে এইদৰে প্ৰাণ হেৰুৱালে।' ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদনত এইদৰে উল্লেখ কৰা হৈছে। তালিবানৰ বৰ্বৰতাত আকৌ এবাৰ স্তম্ভিত হ'ল বিশ্ব। কিন্তু সন্ত্ৰাসবাদী সংগঠনটোৱে দেশখনত ক্ৰমে অধিক আক্ৰমণাত্মক ৰূপ ধাৰণ কৰিছে।

## তালিবানৰ উত্থানত শংকিত পাকিস্তানী সেনা, কাটাৰ পালেগৈ সেনাপ্ৰধান বাজৱা



**নিউজ ব্যুৰ', ইছলামাবাদ, ১০ আগষ্ট ঃ** আফগানিস্তানত তালিবান সন্ত্ৰাসবাদীৰ উত্থানত পাকিস্তানী সেনায়ো শংকিত হৈছে। ইতিমধ্যে পাকিস্তানৰ সেনাপ্ৰধান জেনেৰেল কমৰ জাভেদ বাজৱাই কাটাৰৰ ৰাজধানী ড'হাত উপস্থিত হৈছে। পাক সেনাপ্ৰধানে ড'হাত তালিবানৰ শীৰ্ষ নেতাৰ স'তে গোপনে বৈঠকত মিলিত হয়। পাকিস্তানী সেনাই তালিবানক সামৰিক সহযোগিতা প্ৰদানৰ অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ বাবে ইতিমধ্যে পাকিস্তানে আমেৰিকাৰ ধমকো খাব লগা হৈছে। পাক সেনাপ্ৰধান বাজৱাই তালিবানৰ স'তে গোপন বুজাবুজি ৰাখিব বিচাৰিছে যদিও একে সময়তে পাকিস্তানে সন্ত্ৰাসবাদীৰ স'তে এনে যোগসূত্ৰ আন্তৰ্জাতিক দৃষ্টিৰ পৰা লুকুৱাই ৰাখিব বিচাৰিছে। পাকিস্তানৰ বেলুচিস্তান আৰু খাইবাৰ পখটুনখাৱা প্ৰদেশত যাতে তালিবানে ঘাটি নাপাতে তাৰ বাবে বাজৱাই সন্ত্ৰাসবাদী সংগঠনটোৰ স'তে গোপনে বৈঠকত অংশ লৈছে। উল্লেখ্য যে সন্ত্ৰাসবাদীক পৃষ্ঠপোষকতা প্ৰদানৰ ফলত পাকিস্তানে ফাইনেন্সিয়েল টাস্ক ফ'ৰ্চৰ 'ধূসৰ' তালিকাভুক্ত হৈ আছে। এই তালিকাৰ পৰা পাকিস্তান মুক্ত হ'বলৈ হ'লে দেশখনে সকলো সন্ত্ৰাসবাদীৰ বিৰুদ্ধে একে দমনমূলক নীতি গ্ৰহণ কৰিব লাগিব।

## তালিবানৰ আগ্ৰাসনক 'ব্যক্তিগত যুঁজ' আখ্যা দি কাবুলৰ সংগ ত্যাগ আমেৰিকাৰ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ১০ আগষ্ট ঃ** বিপদৰ সময়ত বন্ধু আফগানিস্তানৰ সংগ ত্যাগ কৰিলে আমেৰিকাই। এনে এক ইংগিত লাভ কৰা গ'ল পেণ্টাগনৰ মুখপাত্ৰ জন কিৰ্বিৰ এক মন্তব্যত। আফগানিস্তানত তালিবানৰ পুনৰ উত্থানৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি পেণ্টাগনৰ মুখপাত্ৰজনে স্পষ্ট ভাষাৰে কয় যে এয়া হৈছে তালিবান-আফগান চৰকাৰৰ ব্যক্তিগত যুঁজ। উল্লেখ্য যে আমেৰিকাই আফগানিস্তানৰ পৰা সেনা প্ৰত্যাহাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ পাছৰে পৰা দেশখনত তালিবান পুনৰ শক্তিশালী হৈ উঠিছে। বিগত এসপ্তাহত আফগানিস্তানৰ ছখন প্ৰদেশ তালিবানে দখল কৰিলে। তালিবানৰ বিৰুদ্ধে মাৰ্কিন বায়ুসেনাই পুনৰ অভিযান চলাব নেকি বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দি পেণ্টাগনৰ মুখপাত্ৰ কিৰ্বিয়ে কয়, 'সেইখন দেশ ৰক্ষাৰ দায়িত্ব তেওঁলোকৰ (আফগান চৰকাৰ)। এয়া



তেওঁলোকৰ যুঁজ। পৰিস্থিতি সঠিক দিশৰে অগ্ৰসৰ হোৱা নাই।' এই মন্তব্যৰে কিৰ্বিয়ে স্পষ্ট কৰিলে যে বিপদৰ সময়ত আফগানিস্তান চৰকাৰক পূৰ্বৰ দৰে আমেৰিকাই সামৰিক সহায় প্ৰদান কৰাৰ সম্ভাৱনা নাই।

### আফগানিস্তানৰ চতুৰ্থ বৃহৎ চহৰ তালিবানৰ দখলত

## আফগানিস্তানত থকা ভাৰতীয়সকলক স্বদেশলৈ উভতিবলৈ আহ্বান ভাৰতৰ



**নিউজ ব্যুৰ', কাবুল, ১০ আগষ্ট ঃ** এখনৰ পাছত আন এখন চহৰ দখল কৰিছে তালিবানে। আজি সন্ত্ৰাসবাদী সংগঠনটোৱে আফগানিস্তানৰ আন এখন বৃহৎ চহৰ নিজৰ দখললৈ আনিলে। মাজাৰ এ শ্বৰীফ চহৰৰ সৰহভাগ অঞ্চল তালিবানে দখল কৰে। আফগানিস্তানৰ চতুৰ্থখন বৃহৎ চহৰ হিচাপে মাজাৰ এ শ্বৰীফ পৰিচিত। এইখন চহৰ তালিবানে দখল কৰাৰ পাছতে ভাৰত চৰকাৰে আফগানিস্তানত থকা ভাৰতীয়সকলক স্বদেশলৈ উভতি আহিবলৈ আহ্বান জনায়। মাজাৰ এ শ্বৰীফত বাস কৰা ভাৰতীয় নাগৰিকসকলক ওভতাই আনিবলৈ ভাৰতে বিশেষ বিমানো প্ৰেৰণ কৰিছে। মাজাৰ এ শ্বৰীফৰ দূতাবাসত কৰ্মৰত ভাৰতীয় কৰ্মচাৰীসকলকো স্বদেশলৈ উভতাই অনাৰ বিশেষ ব্যৱস্থা ভাৰত চৰকাৰে কৰিছে।

## দেশৰ চহৰাঞ্চলত কৰ'নাত মৃত্যুৰ সংখ্যা হ'ব পাৰে ১.৩৯ কোটিৰ ঃ চি পি আৰৰ সমীক্ষাত চাঞ্চল্যকৰ তথ্য

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ আগষ্ট ঃ** ইউগভ-মিণ্ট-পলিচি ৰিছাৰ্চ (চি পি আৰ) মিলেনিয়াল সমীক্ষাৰ প্ৰতিবেদনৰ তথ্য অনুসৰি চলিত বৰ্ষত ভাৰতত চৰকাৰীভাৱে কৰ'না ভাইৰাছত মৃতকৰ সংখ্যা ৩,০০,০০০ বুলি দাবী কৰা হৈছে যদিও প্ৰকৃততে এই সংখ্যা কে'বাগুণ অধিক। কেৱল দেশৰ চহৰাঞ্চলতে কৰ'নাত মৃতকৰ সংখ্যা ১.৩৯ কোটি হ'ব পাৰে বুলি সমীক্ষাটোত দাবী কৰা হৈছে। ভাৰতত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌ সামান্য স্তিমিত হোৱাৰ পাছত যোৱা জুন-জুলাইত দেশৰ ২০৩ খন চহৰ আৰু মফচলত কৰ'না বিষয়ক এক সমীক্ষা চলাইছিল চি পি আৰে। আনলাইনৰ জৰিয়তে চলোৱা এই সমীক্ষাত উত্তৰদাতাসকলৰ অৰ্ধেকাংশই আছিল যুৱক-যুৱতী। ১০,২৮৫ জনে অংশ লোৱা



সমীক্ষাটোত ১৭ শতাংশ উত্তৰদাতাই প্ৰকাশ কৰা মতে, চলিত বৰ্ষৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈকে তেওঁলোকৰ পৰিয়ালত কৰ'নাত কমেও এজন লোকৰ মৃত্যু হৈছে। প্ৰতিটো পৰিয়ালৰ গড় সদস্য সংখ্যা ৩.৯ জন বুলি ধৰি ল'লে কেৱল চহৰাঞ্চলতে দেশত কৰ'নাত প্ৰকৃত মৃত্যুৰ সংখ্যা ১.৩৯ কোটি হ'ব পাৰে বুলি চি পি আৰৰ সমীক্ষাত উল্লেখ কৰা হৈছে। ২০১৮ৰ ৰাষ্ট্ৰীয় নমুনা সমীক্ষাৰ তথ্য অনুসৰি দেশৰ চহৰাঞ্চলত প্ৰতি পৰিয়ালৰ গড় সদস্যৰ সংখ্যা হৈছে ৩.৯ জন। এই পৰিসংখ্যাৰ ভিত্তিতহে কৰ'না বিষয়ক মৃত্যুৰ সমীক্ষাত এইদৰে পৰিয়ালৰ সদস্যৰ সংখ্যা হিচাপ কৰা হৈছে। যি পৰিয়ালত কৰ'নাত মৃত্যু হৈছিল, সেই পৰিয়ালত সৰ্বাধিক এজনৰ মৃত্যু হোৱা বুলিও সমীক্ষাটোত ধৰা হৈছে। বৃহৎ চহৰসমূহৰ ভিতৰত দিল্লী আৰু হায়দৰাবাদত মৃত্যুৰ সংখ্যা তুলনামূলকভাৱে অধিক ধৰা পৰিলে এই সমীক্ষাত।




## বিশ্বত এদিনত ৫.২২ লাখ লোক আক্ৰান্ত, ৭,৯৫৫ জনৰ হ'ল মৃত্যু

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ১০ আগষ্ট ঃ** বিশ্বৰ বিভিন্ন দেশত অব্যাহত আছে কৰ'নাৰ ব্যাপক সংক্ৰমণ। যোৱা ২৪ ঘণ্টাত বিশ্বজুৰি পুনৰ ৫.২২ লাখ লোক ক'ভিড ১৯ত আক্ৰান্ত হ'ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণৰ ফলত বিশ্বৰ বিভিন্ন দেশত বিগত এদিনত ৭,৯৫৫ জন লোকে প্ৰাণ হেৰুৱালে। অৱশ্যে যোৱা ২৪ ঘণ্টাত বিশ্বত ৫.০৭ লাখ ক'ভিড আক্ৰান্ত সুস্থ হৈ উঠিল। সৰ্বাধিকসংখ্যক লোক সম্প্ৰতি কৰ'নাত আক্ৰান্ত হৈছে আমেৰিকাত। কালি দেশখনত নতুনকৈ ১.০২ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। ফলত বিগত এসপ্তাহত দেশখনত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল মুঠ ৮.১৫ লাখ জন লোক। বৰ্তমানলৈকে বিশ্বত ২০.৪ কোটি লোক কৰ'নাত আক্ৰান্ত আৰু ৪৩.১৫ লাখ লোকৰ এই ভাইৰাছত মৃত্যু হ'ল। সম্প্ৰতি বিশ্বত ১.৬৫ কোটি ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## জম্মু-কাশ্মীৰক পূৰ্ণাংগ ৰাজ্যৰ স্বীকৃতি-নিৰ্বাচন অনুষ্ঠিতকৰণৰ দাবী ৰাহুলৰ

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১০ আগষ্ট ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু-কাশ্মীৰত উপস্থিত হৈছে। কংগ্ৰেছ সাংসদজনে প্ৰথমে গান্দেৰবলত খিৰ ভৱানী মন্দিৰ দৰ্শন কৰে আৰু ইয়াৰ পাছত হজৰতল দৰগাহত প্ৰাৰ্থনা কৰি জম্মু-কাশ্মীৰক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ দাবী উত্থাপন




কৰে। তদুপৰি ৰাহুলে কাশ্মীৰত শীঘ্ৰে স্বতন্ত্ৰ আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈকো দাবী জনায়। শ্ৰীনগৰত দলীয় নেতাক সম্বোধন কৰি কংগ্ৰেছ সাংসদজনে কয় যে কেন্দ্ৰীয় চৰকাৰে জম্মু-কাশ্মীৰক পূৰ্ণাংগ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰিব লাগিব। কাশ্মীৰলৈ শান্তি-উন্নয়ন ওভতাই আনিব হ'লে পূৰ্ণাংগ ৰাজ্যৰ স্বীকৃতিৰ লগতে নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰাটো অতি জৰুৰী বুলি ৰাহুলে আজি শ্ৰীনগৰত মত প্ৰকাশ কৰে।

# কৰ'নাত সৰ্বাধিক প্ৰভাৱিত ১০ দেশৰ বৰ্তমানৰ অৱস্থা কেনে?

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ আগষ্ট ঃ** বিশ্বজুৰি বিভিন্ন দেশত কৰ'নাৰ সংক্ৰমণ যোৱা জুলাইত সামান্য হ্ৰাস পাইছিল। কিন্তু আগষ্টত পুনৰ ক'ভিডৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিলে। চলিত মাহত বিশ্বত দৈনিক পাঁচ লাখতকৈ অধিক লোক এই ভাইৰাছত সংক্ৰমিত হৈছে। অৱশ্যে সকাহৰ কথা এয়ে যে ক'ভিডত হোৱা দৈনিক মৃত্যু সম্প্ৰতি নিয়ন্ত্ৰণত আছে। যিসমূহ দেশত বৰ্তমানে ক'ভিডৰ সৰ্বাধিক সংক্ৰমণ ঘটিছে, এই দেশৰ



তালিকাত আমেৰিকা, ইৰান, ভাৰত, ব্ৰিটেইন, তুৰস্ক, ৰাছিয়া আৰু ইন্দোনেছিয়া আছে। জন হপকিন্স ইউনিভাৰ্চিটীৰ পৰিসংখ্যা অনুসৰি, ভাৰতত ক'ভিডৰ সংক্ৰমণে শীৰ্ষত আৰোহণ কৰাৰ পাছত সম্প্ৰতি দেশখনত আক্ৰান্তৰ সংখ্যা যথেষ্ট তললৈ নামিছে। কিন্তু ইয়াৰ বিপৰীতে আমেৰিকাত আগষ্টত সংক্ৰমণে নতুন অভিলেখ ৰচিলে। বৰ্তমানে দেশখনত দৈনিক এক লাখৰো অধিক লোক ক'ভিডত আক্ৰান্ত হৈছে। ইৰানতো বিগত সাতদিনত কৰ'নাৰ সংক্ৰমণ উদ্বেগজনক হাৰত বৃদ্ধি পালে। ব্ৰিটেইনতো বিগত এসপ্তাহত ক'ভিডৰ গড় সংক্ৰমণ উৰ্ধ্বমুখী হৈছে। ফ্ৰান্স, মালয়েছিয়া আৰু থাইলেণ্ডতো সম্প্ৰতি ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। মঙলবাৰে ভাৰতত বিগত ১৪৭ দিনৰ পাছত কৰ'নাৰ সংক্ৰমণ সৰ্বনিম্ন হ'ল। বিগত ২৪ ঘণ্টাত ভাৰতত ২৮,২০৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত এদিনত ভাৰতত ৩৭৩ জন লোকৰ এই ভাইৰাছত মৃত্যু হ'ল।



## এপ্ৰিল-জুনত ১.৬৭ লাখ কোটি টকাৰ জি এছ টি সংগ্ৰহ কেন্দ্ৰৰ

**নিউজ ব্যুৰ' মুম্বাই, ১০ আগষ্ট ঃ** ২০২১-২২ বিত্তীয় বৰ্ষৰ প্ৰথমটো ত্ৰিমাহত কেন্দ্ৰীয় চৰকাৰে লাভ কৰিলে মুঠ ১.৬৭ লাখ কোটি টকাৰ সামগ্ৰী আৰু সেৱাকৰ (জি এছ টি)। কেন্দ্ৰীয় চৰকাৰে বাজেটত কৈছিল যে চলিত বিত্তীয় বৰ্ষত দেশৰ জি এছ টি সংগ্ৰহৰ পৰিমাণ ৬.৩০ লাখ কোটি টকা হ'ব। এই হিচাপত প্ৰথম ত্ৰিমাহত চৰকাৰে নিৰ্ধাৰিত জি এছ টিৰ ২৬.৬ শতাংশ লাভ কৰিলে। লোকসভাত এই তথ্য দাখিল কৰিলে বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধুৰীয়ে।

## পাকিস্তানত মন্দিৰ মেৰামতিৰ পাছত হিন্দুসকলক পঞ্জাৱ প্ৰদেশলৈ ওভতালে



**নিউজ ব্যুৰ', লাহোৰ, ১০ আগষ্ট ঃ** পাকিস্তানৰ পঞ্জাৱ প্ৰদেশত অলপতে দুষ্কৃতিকাৰীয়ে ধ্বংস কৰা এটা মন্দিৰ পুনৰ নিৰ্মাণৰ পাছত স্থানীয় হিন্দু ধৰ্মাৱলম্বীসকলক অঞ্চলটোলৈ ওভতাই পঠিওৱা হ'ল। পঞ্জাৱ প্ৰদেশৰ ভং চহৰত উক্ত মন্দিৰত আক্ৰমণ চলাইছিল শতাধিক উন্মত্ত জনতাই। আক্ৰমণকাৰীয়ে মন্দিৰৰ কে'বাটাও মূৰ্তিও ধ্বংস কৰিছিল। ঘটনাৰ পাছতে পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে মন্দিৰ পুনৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে অপৰাধীক শাস্তি বিহিব বুলি ঘোষণা কৰিছিল। মন্দিৰত আক্ৰমণ চলোৱাৰ অভিযোগত ১৫০ জনৰো অধিক লোকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ লগতে ৯০ জন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ক্ষতিগ্ৰস্ত মন্দিৰটোৰ দ্ৰুত মেৰামতিও কৰা হয়। ইয়াৰ পাছতে অন্য স্থানত আশ্ৰয় লোৱা ভং চহৰৰ হিন্দু ধৰ্মাৱলম্বীসকলক প্ৰশাসনে বাসগৃহলৈ ওভতাই পঠায়।

## ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত কাশ্মীৰত ভূমি ক্ৰয় মাত্ৰ দুজন লোকৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১০ আগষ্ট ঃ** ২০১৯ৰ আগষ্টৰ পৰা বৰ্তমানলৈকে জম্মু-কাশ্মীৰত ৰাজ্যখনৰ বাহিৰৰ মাত্ৰ দুজন লোকে ভূমি ক্ৰয় কৰিলে। উল্লেখ্য যে ভাৰতীয় সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিলৰ পাছত কাশ্মীৰত আন ৰাজ্যৰ লোকে ভূমি ক্ৰয়ৰ ক্ষেত্ৰত পূৰ্বে থকা নিষেধাজ্ঞা বাতিল হৈছিল। ২০১৯ৰ পাঁচ আগষ্টত ৩৭০ অনুচ্ছেদ বাতিল কৰা হৈছিল। বিগত দুবছৰত কাশ্মীৰৰ বাহিৰৰ মাত্ৰ দুজন লোকেহে ৰাজ্যখনত ভূমি ক্ৰয় কৰিলে। লোকসভাত এই তথ্য দাখিল কৰিলে কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে।



## বিপ্লৱে ক'লে 'উন্নয়নৰ গতি ৰোধ কৰিবলৈ ষড়যন্ত্ৰ চলিছে ৰাজ্যত'



**নিউজ ব্যুৰ', আগৰতলা, ১০ আগষ্ট ঃ** 'উন্নয়নৰ গতি ৰুদ্ধ কৰিবলৈ সক্ৰিয় একাংশ, ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰিবলৈ ৰাজ্যত ষড়যন্ত্ৰ চলিছে।' এক টুইটত এইদৰে অভিযোগ কৰিলে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ দেবে। নাম উল্লেখ নকৰাকৈ মুখ্যমন্ত্ৰীজনে তৃণমূল কংগ্ৰেছ দলক উদ্দেশি এই অভিযোগ কৰিলে। উল্লেখ্য যে শেহতীয়াভাৱে তৃণমূল কংগ্ৰেছে ত্ৰিপুৰাত দলৰ ভেটি শক্তিশালী কৰিবলৈ উঠিপৰি লাগিছে। তৃণমূল কংগ্ৰেছৰ নেতাক বিজেপিয়ে বাধাদান আৰু আক্ৰমণ কৰাৰো অভিযোগ উত্থাপিত হৈছে। এনে পৰিস্থিতিৰ মাজতে মুখ্যমন্ত্ৰী বিপ্লৱে টুইট কৰি লগতে কয়, 'ত্ৰিপুৰাৰ সচেতন নাগৰিকগণ, ত্ৰিপুৰেশ্বৰী মাতৃৰ এই ভূমিত কোনো ধৰণৰ ষড়যন্ত্ৰ কৰিবলৈ আমি নিদিওঁ।'



# লাহৰীঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জলজীৱন মিছনৰ ভি ডব্লিউ এছ চি সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ১০ আগষ্ট ঃ** সমগ্ৰ দেশৰ লগতে ৰাজ্যখনৰ সকলোতে এতিয়া প্ৰতিটো পৰিয়ালক এটুপি বিশুদ্ধ খোৱাপানী যোগানৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰেও জলজীৱন মিছন অভিযান আৰম্ভ কৰিছে। এই উপলক্ষে ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাঁৱতে ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ উদ্যোগত গঠন হৈছে ভি ডব্লিউ এছ চি (গাঁও পানী আৰু অনাময় সমিতি) একেদৰে মৰিগাঁও জিলাৰ লাহৰীঘাটতো প্ৰতিখন গাঁৱত এতিয়া গঠন কৰা হৈছে ভি ডব্লিউ এছ চি সমিতি। যোৱা ন আগষ্টত লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত লাউভূৰুংগা গাঁও পঞ্চায়তত গঠন কৰা হয় তিনিখন ভি ডব্লিউ এছ চি সমিতি। লাউভূৰুংগা গাঁও পঞ্চায়ত কাৰ্যালয়ত পঞ্চায়তখনৰ সভাপতি ৰাজু পাতৰৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ উদ্যোগত অনুষ্ঠিত সভাত জলজীৱন মিছনৰ সন্দৰ্ভত বক্তব্য ৰাখে লাহৰীঘাট খণ্ডৰ বি আৰ চি চি ইদ্ৰিছ আলীয়ে। একেদৰে গঠিত হ'ব লগা ভি ডব্লিউ এছ চি সমিতিৰ সন্দৰ্ভত বক্তব্য ৰাখে ৰাষ্ট্ৰীয় গ্ৰামীণ বিকাশ নিধিৰ সহযোগী এজেন্সী আই এছ এৰ ক্ষেত্ৰৰ সমন্বয়ক সাৰংগ তালুকদাৰে। তেওঁ কয় যে ২০২৪ৰ ভিতৰত দেশ তথা ৰাজ্যখনৰ প্ৰতিটো পৰিয়ালক ঘৰে ঘৰে বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনিখন সম্পূৰ্ণ কৰি তুলিবলৈ চৰকাৰে সংকল্প লৈছে। উল্লেখ্য যে ক'ভিড প্ৰট'কল ৰক্ষা কৰি অনুষ্ঠিত সভাখনতে গাঁও পঞ্চায়তখনৰ লাউভূৰুংগা আৰু পটীয়াবন্ধা ৰাজহ গাঁৱৰ দুখন ভি ডব্লিউ এছ চি সমিতি গঠন কৰা হয়। সভাত আই এছ এৰ জিলা সমন্বয়ক মফিজুৰ ৰহমান, ক্ষেত্ৰ সমন্বয়ক স্বাৰন শৰ্মা উপস্থিত থাকে। একেদৰে সভাত পঞ্চায়তখনৰ একাংশ ৱাৰ্ড সদস্য, ৰাজহ গাঁও দুখনৰ অন্তৰ্গত আশাকৰ্মী, অংগনৱাড়ী কৰ্মীকে ধৰি স্থানীয় একাংশ লোক উপস্থিত থাকে।

# সাহিত্য সভাৰ 'ব্যক্তি পৰিচয় আৰু প্ৰতিভা' কাৰ্যসূচীত জ্যেষ্ঠজনক সম্বৰ্ধনা দলগাঁৱত

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ১০ আগষ্ট ঃ** দৰং জিলাৰ দলগাঁৱত যোৱা ন আগষ্টত দিনৰ ১১ বজাত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হয় সাহিত্য সভাৰ বিশেষ কাৰ্যসূচী 'ব্যক্তি পৰিচয় আৰু প্ৰতিভা' শীৰ্ষক কাৰ্যসূচী। দলগাঁও সাহিত্য সভাৰ সহযোগত দলগাঁও ক্ৰীড়া ভৱনত জিলা সাহিত্য সভাই এই অনুষ্ঠানৰ আৰম্ভ কৰে দলগাঁও সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী ৰেজিনা বেগমৰ বন্তি প্ৰজ্বলনৰ দ্বাৰা। উক্ত সভাত দলগাঁও শাখা সাহিত্য সভাৰ অন্তৰ্গত শিক্ষাবিদ তথা অৱসৰী প্ৰধান শিক্ষক আলহাজ আছাৰ আলী, সমাজকৰ্মী পদ্মলোচন দাস, দলগাঁও সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী, মৃণালিনী গায়ন শইকীয়া, জ্যেষ্ঠ শিল্পী অৰনী কুমাৰ চহৰীয়াক এখনকৈ চেলেং চাদৰ, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা, সাহিত্য সভাৰ স্মাৰকেৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শাৰীৰিক অসুস্থতা হেতু আছাৰ আলী আৰু পদ্মলোচন দাসক বাসভৱনত সম্বৰ্ধনা জনায়। সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে দৰং জিলা সাহিত্য সভাৰ সম্পাদক গৌতমানন্দ গোস্বামী আৰু দলগাঁও সাহিত্য সভাৰ সম্পাদক ধীৰেন নাথ শইকীয়াই। সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত প্ৰধান সম্পাদক অৰনী মোহন চহৰীয়া, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, প্ৰাক্তন উপ-সভাপতি সূৰ্য শৰ্মা, জিলা সভাপতি শৈলেন কুমাৰ ৰাজবংশী, আকাশৰ কাৰ্যকৰী সভাপতি কুঞ্জ দেৱী, দলগাঁও ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সভাপতি সাধন মজুমদাৰ, দলগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ গাজী ছালেহ উদ্দিন মহম্মদ আনোৱাৰ হুছেইন, অধিবক্তা আবু হাই, শিক্ষক জয়ন্ত কলিতা, নিৰঞ্জন দাস, ইয়াবুৰ ৰহমান আদিয়ে অংশগ্ৰহণ কৰে। শলাগৰ শৰাই আগবঢ়ায় সম্পাদক ধীৰেন নাথ শইকীয়াই।

# নলবাৰী জিলা সাহিত্য সভাত কাব্যপুথি 'পুৱাৰ ৰ'দালি' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১০ আগষ্ট ঃ** নলবাৰী জিলা সাহিত্য সভাৰ উদ্যোগত সাহিত্যসেৱক ৰিয়াজ উদ্দিন আহমেদৰ 'পুৱাৰ ৰ'দালি' নামৰ কাব্যপুথি এখন যোৱা আঠ আগষ্টত উন্মোচন কৰা হয়। এই উপলক্ষে নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয় সুভদ্ৰা চৌধুৰী ভৱনৰ নন্দনতাত্বিক ত্ৰৈলোক্য নাথ গোস্বামী পুথিভঁৰালত আয়োজিত এখন সভাত কাব্যপুথিখন উন্মোচন কৰে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতাই। নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই সভাখনত পৌৰোহিত্য কৰে। লেখিকা তথা নলবাৰীৰ লিটিল ফ্লাৱাৰ্ছ স্কুলৰ অধ্যক্ষা বিভা বুজৰ বৰুৱাই সভা উদ্বোধন কৰে। সভাৰ উদ্দেশ্য বিৱৰি কয় নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱাই। অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক গোবিন্দ কলিতা আৰু নলবাৰীৰ পৰা প্ৰকাশিত জনপ্ৰিয় কাব্যালোচনী 'সেউজী সেউজী'ৰ সম্পাদক পুলক বৰ্মনে সভাত বিশিষ্ট অতিথি হিচাপে ভাগ লৈ প্ৰাসংগিক ভাষণ প্ৰদান কৰে। কাব্যপুথিখনৰ প্ৰণেতা ৰিয়াজ উদ্দিন আহমেদ আৰু প্ৰকাশিকা আচমী আহমেদেও পুথিখন ৰচনা আৰু প্ৰকাশ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। সভাত বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকা, সমাজসেৱক গোবিন্দ বৰ্মন, নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি অতুল চন্দ্ৰ শৰ্মা, প্ৰাক্তন সভাপতি গোলোক পাঠক প্ৰমুখ্যে কে'বাগৰাকী লোকে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। সভাৰ মাজতে শেৱালি কাকতী, প্ৰণীতা হালৈৰ গীত আৰু মামণি ডেকাৰ কবিতা আবৃত্তি কৰে। সভাৰ আদিতে নলবাৰী জিলা সাহিত্য সভাৰ কাৰ্যালয়ৰ সন্মুখত থকা অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে গুৱাকুছি আঞ্চলিক শাখা সাহিত্য সভাৰ সভাপতি চাইফ উদ্দিন আহমেদে আৰু শিক্ষাসেৱক মহেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে মৈত্ৰেয়ী শাখা সাহিত্য সভাৰ সম্পাদক কবিতা ডেকা তালুকদাৰে।

# অগপৰ চিদলী জনজাতি বিধানসভা সমষ্টিৰ দলীয় সভা

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১০ আগষ্ট ঃ** অগপৰ ৩১ নম্বৰ চিদলী বিধানসভা জনজাতি সমষ্টিৰ উদ্যোগত কালি ঢোলমাৰাত এখন দলীয় সভা অনুষ্ঠিত হয়। চিদলী জনজাতি বিধানসভা সমষ্টি সমিতিৰ সভাপতি কৰেন্দ্ৰ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমিতিৰ সম্পাদক অনিৰুদ্ধ বৰ্মনে। উক্ত সভাত উপস্থিত থাকি অগপৰ নেতা তথা বঙাইগাঁও সমষ্টিৰ বিধায়ক ফণীভূষণ চৌধুৰীয়ে কয় যে নিজে নিজকে নিচিনিলে আনেও চিনি নাপাব। সমষ্টিত অগপৰ গণভিত্তি পূৰ্বৰে পৰাই সবল। আজিৰ দৰে সকলো শ্ৰেণীৰ দলীয় কৰ্মী ওলাই আহিলে সমষ্টিত অগপৰ ৰাজনৈতিক শক্তি আত্মপ্ৰকাশ কৰিব পাৰিব বুলি মন্তব্য কৰে বিধায়কজনে। উক্ত সভাত বঙাইগাঁও জিলা সমিতিৰ উপদেষ্টা কৰ্ণ মোহন ৰায়, জিলা কমিটীৰ সভাপতি আৰু সম্পাদক ক্ৰমে জাকিৰ হুছেইন আৰু চিৰাজ নাথ, উপ-সভাপতি অমিয় ৰায়ৰ উপৰি দলীয় কৰ্মীসকলে দলৰ স্থিতি অটুট ৰখাৰ ক্ষেত্ৰত একেলগে কাম কৰাৰ বাবে সংকল্পৰ কথা দোহাৰে। উক্ত সভাত শিল্পীসকলে নৃত্য-গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# পথৰু সমন্বয় কৃষি সমবায় সমিতিৰ সমূহীয়া কঠীয়া বিতৰণ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১০ আগষ্ট ঃ** দৰং জিলাৰ ইতিহাস প্ৰসিদ্ধ পথৰুঘাটৰ নিকটৱৰ্তী ঘোঁৰাশাল (তুৰাই) গাঁৱৰ কৃষি পথাৰত পথৰু সমন্বয় কৃষি সমবায় সমিতিৰ উদ্যোগত পাথৰিঘাট মহকুমা কৃষি বিভাগৰ সহযোগত 'ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা আৰু দুৰ্যোগ ব্যৱস্থা' আঁচনিৰ অধীনত সমূহীয়া শালিধানৰ কঠীয়া বিতৰণৰ অনুষ্ঠান ৰূপায়ণ কৰা অনুষ্ঠানৰ আঁত ধৰে পথৰু সমন্বয় কৃষি সমবায় সমিতিৰ সভাপতি মোস্তাক হুছেইনে। পাথৰিঘাট মহকুমা কৃষি বিভাগৰ কৃষি উন্নয়ন বিষয়া চেমিম চিদ্দিকা আহমেদৰ উপস্থিতিত জিলা কৃষি পৰিদৰ্শক যোগেন্দ্ৰ শৰ্মাই উদ্বোধন কৰা অনুষ্ঠানত মুঠ ১৩ খন গাঁৱৰ কৃষক উপস্থিত থকা কৃষকৰ ভিতৰত প্ৰথম পৰ্যায়ত ১০ গৰাকী কৃষকক কঠীয়া বিতৰণ কৰে। আনন্দিপাৰা গাঁৱৰ নগেন শৰ্মা, নন্দেশ্বৰ শৰ্মা, লুহিত শৰ্মা, কুমাৰপাৰা গাঁৱৰ তপেশ্বৰ কুমাৰ, ওজাপাৰা গাঁৱৰ ৰুদ্ৰকান্ত শৰ্মা, হৰেন্দ্ৰ নাথ শৰ্মা, দুই নম্বৰ ঘোঁৰাশাল গাঁৱৰ হামিদ আলী, এক নম্বৰ ঘোঁৰাশাল গাঁৱৰ তুলেশ্বৰ বৰুৱা, থানেশ্বৰ বৰুৱা আৰু ঢোকাপাৰা গাঁৱৰ বিপুল কুমাৰক। কৃষি পৰিদৰ্শক যোগেন্দ্ৰ শৰ্মাই উদ্বোধনী বক্তব্যত কৃষকক উদ্দেশি কৃষি সম্পৰ্কীয় তথ্য সম্বলিত বক্তব্য প্ৰদান কৰি কয় যে পথৰুঘাটৰ কৃষকৰ বিশ্বতেই এক সুকীয়া নাম আছে। সেয়েহে আমাৰ কৃষকসকলে কৃষি কৰ্মৰ জৰিয়তে নিজৰ লগতে দেশক অৰ্থনৈতিকভাৱে শক্তিশালী কৰিবলৈ শৰ্মাই আহ্বান জনায়।

# আদিবাসীৰ বিশেষ টে'ট অনুষ্ঠিত কৰাৰ দাবী আছাৰ

## জনজাতিকৰণৰ দাবীত নাগাৰা, মাদল লৈ আদিবাসী ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ




**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১০ আগষ্ট ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া শালবাৰীৰ বাঁহবাৰীত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ উদ্যোগত কালি এক মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কালি আছাৰ ২৮ সংখ্যক বিশ্ব আদিবাসী দিৱসৰ লগত সংগতি ৰাখি আছাৰ বাঁহবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত ৰূপায়ণ কৰা মানৱ শৃংখল কাৰ্যসূচীত পৰম্পৰাগত সাজপাৰ পিন্ধি আছা নেতা-কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড, নাগাৰা, মাদল লৈ আদিবাসীসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰক, চাহ শ্ৰমিকক ভূমি পট্টা প্ৰদান কৰক, ন' এছটি, ন' ৰেষ্ট, আছা লং লিভ, আৱাৰ ডিমাণ্ড লিগেল ডিমাণ্ড, উই ৱাণ্ট লেণ্ড পাট্টা আদি শ্ল'গানেৰে উত্তাল কৰি তোলে মানাহ অঞ্চলৰ আকাশ-বতাহ। কাৰ্যসূচীত অংশগ্ৰহণ কৰি আছাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকাই কয়, 'অতি শীঘ্ৰে আদিবাসীসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰিব লাগে। জনজাতিকৰণৰ নামত চৰকাৰৰ প্ৰলোভন বাৰে বাৰে দেখি থকা হৈছে। চৰকাৰৰ সদিচ্ছা থাকিলে কেন্দ্ৰলৈ অতি শীঘ্ৰে জনজাতিকৰণৰ প্ৰসংগত প্ৰতিবেদন পঠাওক। আছাৰ প্ৰথম দাবী জনজাতিকৰণ। আদিবাসীসকলক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰিব লাগে। ওৰাং, মুণ্ডা, চান্তাল, খাৰিয়া হিচাপে পৰিচয় দিব লাগে আদিবাসীসকলক। চাহ শ্ৰমিকক মাটিৰ পট্টা, আদিবাসীসকলক ভূমিৰ অধিকাৰ দিব লাগে। চৰকাৰে আমাৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাত আজি আমি অৱহেলিত, পিছপৰি থাকিবলগীয়া হৈছো।' অসমত নতুনকৈ টে'ট অনুষ্ঠিত কৰিলে চাহ বাগিচা অঞ্চলৰ বাবে বা আদিবাসীসকলৰ বাবে সুকীয়াকৈ অনুষ্ঠিত কৰাৰ দাবী জনায় আছাৰ কেন্দ্ৰীয় নেতাজনে। কাৰ্যসূচীত আছাৰ শিক্ষা সম্পাদক ৰাজু তিৰ্কীয়ে অংশগ্ৰহণ কৰি কয়, 'চৰকাৰীভাৱে আদিবাসীসকলক লৈ এক ষড়যন্ত্ৰ চলি আছে। চৰকাৰীভাৱে আদিবাসীসকলক লৈ যি জৰীপ চলি আছে সেই ফৰ্মত চাহ শ্ৰমিক আৰু প্ৰাক্তন চাহ শ্ৰমিক বুলিহে মাত্ৰ উল্লেখ আছে। কাৰোবাৰ পিতৃ-মাতৃয়ে এদিনো চাহপাত ছিঙি পোৱা নাই তেনে পিতৃ-মাতৃ কেনেকৈ চাহ শ্ৰমিক হ'ব? কেনেকৈ তেওঁলোকে চাহ শ্ৰমিক বা প্ৰাক্তন চাহ শ্ৰমিক বুলি লিখা থকা ঠাইত চিন দিব পাৰিব? গতিকে চৰকাৰে আদিবাসীসকলৰ জৰীপৰ এই ফৰ্মখনৰ শুধৰণি কৰি তাত আদিবাসী বা চাহ জনগোষ্ঠী বুলি এটা পইণ্ট উল্লেখ কৰিব লাগে। কংগ্ৰেছেই হওক, বিজেপিয়েই হওক, কোনো এখন চৰকাৰে আজিলৈ আদিবাসী জনগোষ্ঠীটোৰ তিলমানো উন্নতি নকৰিলে। কেৱল নিৰ্বাচনৰ সময়ত ভোটবেংক হিচাপেহে ব্যৱহাৰ কৰি থাকে সহজ-সৰল জনগোষ্ঠীটোক। অচিৰেই আদিবাসীসকলক জনজাতিকৰণ নকৰিলে চৰকাৰৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব।' উল্লেখ্য যে বিশ্ব আদিবাসী দিৱসৰ স'তে সংগতি ৰাখি আজি বাঁহবাৰীত ঘৰে ঘৰে আদিবাসীৰ জাতীয় স্বাভিমান গামোচা উত্তোলন, বন্তি প্ৰজ্বলন, ছহিদ তৰ্পণ আদি কাৰ্যসূচী হাতত লোৱা হয়।

# শাৰীৰিক প্ৰতিবন্ধকতাৰ মাজেৰে উত্তীৰ্ণ ছাত্ৰ ৰোহিত বৰাৰ পঢ়াৰ খৰচ বহনৰ সিদ্ধান্ত আছুৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১০ আগষ্ট ঃ** বিশ্বনাথ চাৰিআলিৰ দ গেৰেকীৰ ৰোহিত বৰা নামৰ অতি দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰজনৰ এটা চকু দৃষ্টিহীন। তেওঁ মাত্ৰ বাওঁ চকুৰে অধ্যয়ন কৰি সদ্যঘোষিত উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাৰ পৰীক্ষাত বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ পৰা প্ৰায় ৮৪ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনে। ছাত্ৰজনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত দুবছৰৰ পূৰ্বে দুটা বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ত বাণিজ্য শাখাত নামভৰ্তি কৰে। সেই সময়তে এটা চকু সম্পূৰ্ণভাৱে বেয়া হৈ যায়। চিকিৎসকৰ পৰামৰ্শ মতে এটা কৃত্ৰিম চকু লগাই দিয়া হয়। এফালে দৰিদ্ৰতা, আনফালে এটা চকুৰ দৃষ্টিহীনতাই বাধাৰ সৃষ্টি কৰিলেও সেই বাধাক নেওচি পিছ পৰা অঞ্চলটোৰ পৰা এটা ভাল ফলাফল আগবঢ়োৱাত বহুজনে অভিনন্দন জনায় তেওঁক। দিনহাজিৰা কৰি পৰিয়াল পোহপাল দিয়া ছাত্ৰজনৰ পিতৃ অৰুণ বৰাই পুত্ৰ ৰোহিতৰ সাফল্যৰ পাছত বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থাৰ কাষ চাপে সহায়ৰ বাবে। যোৱা ন আগষ্টত বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুৰজ ভূঞা, সম্পাদক লক্ষজ্যোতি শইকীয়াৰ নেতৃত্বত ছাত্ৰ সন্থাৰ এটা দল আহি ছাত্ৰজনৰ কাষত থিয় দিয়ে। ছাত্ৰ সন্থাৰ দলটোৱে কৃতী ছাত্ৰজনক অভিনন্দন জনোৱাৰ লগতে পঢ়াৰ সম্পূৰ্ণ খৰচ বহন কৰাৰ কথা ঘোষণা কৰে।




*ভবানীপুৰত 'গ্ৰাম্যপথত পিএমজিএছৱাইৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণকাৰী।*

# মিছামাৰীত ফাৰ্মাচিষ্ট কুমুদ চন্দ্ৰ তালুকদাৰৰ স্মৃতিত সোঁৱৰণী গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা,**

**ঠেলামৰা, ১০ আগষ্ট ঃ** শোণিতপুৰ জিলাৰ মিছামাৰী অঞ্চলৰ সৰবৰহী তথা জনহিতৈষী কৰ্মোদ্দীপ্ত ব্যক্তি কুমুদ চন্দ্ৰ তালুকদাৰৰ প্ৰথম মৃত্যু বাৰ্ষিকী তিথিৰ লগত সংগতি ৰাখি যোৱা 6 আগষ্টত মিছামাৰীস্থিত নিজা বাসগৃহতে এখন 'সোঁৱৰণী গ্ৰন্থ' উন্মোচন কৰা হয়। সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি এক অনাড়ম্বৰ আৰু গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ মাজত পৰিয়াল আৰু অতিথিসকলৰ উপস্থিতি সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে গৰুবন্ধা ৰাজ্যিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মুকুল ঠাকুৰীয়াই। পুত্ৰ শান্তনু তালুকদাৰে সম্পাদনা কৰি উলিওৱা সোঁৱৰণী গ্ৰন্থখনত পত্নী, পুত্ৰ, জোৱাই, জীয়ৰীৰ লগতে অঞ্চলটোৰ সমাজকৰ্মী আৰু আত্মীয় স্বজনে লিখা প্ৰয়াত তালুকদাৰৰ কৰ্মৰাজি আৰু স্মৃতিবোৰ প্ৰকাশ পায়। দিনৰ ১১ বজাত অনুষ্ঠিত স্মৃতিচাৰণ সভাত উপস্থিত থকা ভদ্ৰকান্ত বৰদলৈ, কনক ভট্ট, পৰাগ সেন ডেকাৰ লগতে পত্নী কামানী তালুকদাৰে মানৱ সেৱাৰ সৈতে জড়িত হৈ পৰা তালুকদাৰৰ স্মৃতি ৰোমন্থন কৰে। উল্লেখ্য যে ১৯৪৬ত কামৰূপ জিলাৰ (বৰ্তমান নলবাৰী) টিহুৰ বালিপাৰা গাঁৱত জন্ম লাভ কৰা তালুকদাৰ এজন সুদক্ষ খেলুৱৈ আছিল। ১৯৬৬ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ অসম চিকিৎসা মহাবিদ্যালয়ত ডি ফাৰ্ম তথা ফাৰ্মাচিষ্টৰ কাৰিকৰী শিক্ষা সমাপ্ত কৰি তালুকদাৰে ১৯৭০ত অৰুণাচল প্ৰদেশৰ চিজুচাত স্বাস্থ্য বিভাগত ফাৰ্মাচিষ্ট হিচাপে যোগদান কৰিছিল। অৰুণাচলত কিছুদিন চাকৰি কৰাৰ পাছত তেখেত বদলি হৈ অসম চৰকাৰৰ অধীনত ৰৌমাৰী, খাৰুপেটীয়া, বিশ্বনাথ চাৰিআলিৰ খৰাশিমলুত মানৱ সেৱাত ব্ৰতী হৈ থাকি মিছামাৰীৰ গৰুবন্ধা প্ৰাথমিক চিকিৎসালয়ত যোগদান কৰে আৰু গোটেই জীৱন চিকিৎসাৰ সৈতে জড়িত থাকি ২০০৪ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তালুকদাৰে নানান ঘাত-প্ৰতিঘাতৰ মাজেৰে ধৈৰ্য্য আৰু সহিষ্ণুতাৰে মানৱ সেৱা কৰি গৈছিল। মিছামাৰীৰ গৰুবন্ধাত প্ৰয়াত তালুকদাৰে 'তালুকদাৰ মেডিকেল' নামেৰে এখন ফাৰ্মাচী খুলি মৃত্যু) সময়লৈকে কৰ্মৰ যোগেদি বিভিন্ন সামাজিক কৰ্মৰ সৈতে জড়িত হৈ পৰিছিল। যি সময়ত মিছামাৰী অঞ্চলত উন্নত চিকিৎসা ব্যৱস্থা নাছিল তেনে সময়ত তালুকদাৰে সংকটৰ সময়ত ঘৰে ঘৰে গৈ চিকিৎসা সেৱা আগবঢ়াইছিল। জীৱনৰ বেছিভাগ সময়েই মানৱ সেৱাৰ নামত উৎসৰ্গা কৰা তালুকাদাৰৰ ২০২০ৰ ১৭ আগষ্টত দেহাৱসান ঘটে।

# মঙলদৈত যক্ষ্মা ৰোগ সম্পৰ্কত সাংবাদিক কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১০ আগষ্ট ঃ** ৰাষ্ট্ৰীয় যক্ষ্মা দূৰকৰণ আঁচনিৰ অধীনত অসম যক্ষ্মা কোষে গুৱাহাটী প্ৰেছ ক্লাবৰ সহযোগত আয়োজন কৰা ভাৰ্চুৱেল সাংবাদিক কৰ্মশালাত যোৱা ন আগষ্টত দৰং জিলাৰ সাংবাদিকসকলেও অংশগ্ৰহণ কৰে। দৰং জিলাৰ যক্ষ্মা ৰোগ নিয়ন্ত্ৰণ বিভাগৰ কক্ষত সাংবাদিকৰ অংশগ্ৰহণেৰে অনুষ্ঠিত ভাৰ্চুৱেল সাংবাদিক কৰ্মশালাত যক্ষ্মা ৰোগ নিৰাময়ৰ ক্ষেত্ৰত সাংবাদিকৰ ভূমিকা সম্পৰ্কত আলোচনা কৰা হয়। যক্ষ্মা ৰোগ সম্পৰ্কীয় বাতৰি পৰিৱেশন কৰোতে সাংবাদিকসকলে কি কি বিষয় চাব লাগে এই সম্পৰ্কত বিভিন্নজনে মতামত দিয়ে। এই সাংবাদিক কৰ্মশালাত দৰঙৰ সাংবাদিক ক্ৰমে মঙলদৈ মিডিয়া চাৰ্কোলৰ সভাপতি হিতেশ হাজৰিকা, কাৰ্যকৰী সভাপতি হেমন্ত কুমাৰ বৰুৱা, সহকাৰী সম্পাদক ধৰ্মেন্দ্ৰ নাৰায়ণ দেৱ, সাংবাদিক বিজয় বৰুৱা, ধৰ্ম বৰুৱা, জ্যোতি চহৰীয়া, গৌতম চহৰীয়া আদিয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাৰ অন্তত অংশগ্ৰহণকাৰী সাংবাদিকসকলক একোখনকৈ প্ৰমাণপত্ৰ বিতৰণ কৰে জিলা যক্ষ্মা বিষয়া তথা ডিপিঅ' ডাঃ মালবিকা গগৈয়ে।

# 'চিআৰএছডিটি'ৰ জীৱনশৈলী বিষয়ক অনুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ১০ আগষ্ট ঃ** সামাজিক অনুষ্ঠান 'চিআৰএছডিটি'ৰ যোগ আৰু স্বাস্থ্য বিজ্ঞান বিভাগৰ উদ্যোগত আৰু জনপ্ৰিয় ইউটিউব চেনেল' প্ৰতিদিন যোগচৰ্চা'ৰ সহযোগত ফেচবুক লাইভৰ জৰিয়তে যোৱা ন আগষ্টত এখন অনলাইন আলোচনাচক্ৰ অনুষ্ঠিত হয়। বিশিষ্ট যোগবিদ ৰংমন আৰু কানাডা নিৱাসী গৱেষক দেৱাঞ্জন বৰঠাকুৰ সমল ব্যক্তি হিচাপে উপস্থিত থকা অনুষ্ঠানত 'লাইফষ্টাইল আৰু শাৰীৰিক মানসিক সমস্যা' বিষয়ত বিজ্ঞানসন্মতভাৱে আলোকপাত কৰা হয়। পৰিশ্ৰমবিহীন জীৱনশৈলীৰ ভয়াবহতা, অসন্তুলিত, খাদ্যাভাস, বিবিধ জীৱনশৈলীজনিত ৰোগ, ব্ৰহ্মমুহূৰ্তত শোৱাপাটী এৰাৰ সুফল, যোগাভ্যাসৰ উপকাৰিতা, মানসিক উদ্বিগ্নতা কাৰণ আদি নানা বিষয়ত বিশেষজ্ঞ ব্যক্তি দুজনে প্ৰাঞ্জলভাৱে উপস্থাপন কৰে। উপস্থিত দৰ্শক-শ্ৰোতাসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰো প্ৰদান কৰে বিশেষজ্ঞ ব্যক্তি দুজনে। জনস্বাস্থ্যৰ উত্তৰণৰ জৰিয়তে ৰাষ্ট্ৰ কল্যাণৰ এনে কাৰ্যসূচী আগন্তুক দিনত আৰু অধিক বিস্তাৰিতভাৱে অনুষ্ঠিত হ'ব বুলি 'চিআৰএছডিটি'ৰ সচিব ভাৰ্গৱ কলিতাই মতপোষণ কৰে।

# দৰঙৰ উদমাৰীত একেদিনাই ৩৫ গৰাকীয়ে স্বেচ্ছাই কৰিলে ৰক্তদান

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১০ আগষ্ট ঃ** দৰং জিলাৰ উত্তৰ সীমান্তৰ উদমাৰী যুৱক সংঘৰ উদ্যোগত মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংক আৰু ইউনিটি, উই দ্য ব্লাড ডোনাৰ্চৰ কলাইগাঁও আঞ্চলিকৰ সহযোগত যোৱা সাত আগষ্টত এটা ৰক্তদান শিবিৰ অনুষ্ঠিত হৈ যায়। উদমাৰী প্ৰাথমিক বিদ্যালয়ত হোৱা এই শিবিৰ উদ্বোধন কৰে স্থানীয় গাঁওপ্ৰধান জনাৰাম তামুলীয়ে। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ব্লাড বেংকৰ তত্ত্বাৱধায়ক ডাঃ ডাউদ আলীৰ পৰিচালনাত হোৱা এই শিবিৰত বিভিন্ন অঞ্চলৰ ৩৫ গৰাকী যুৱক-যুৱতীয়ে স্বেচ্ছাই ৰক্তদান কৰে। ৰক্তদাতাসকলক ইউনিটি, উই দ্য ব্লাড ডোনাৰ্চৰ তৰফৰ পৰা একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। এই শিবিৰত অবিভক্ত দৰং জিলাৰ বিশিষ্ট সাংস্কৃতিক সংগঠক, সমাজসেৱক তৰুণ আজাদ ডেকা, উপেন চহৰীয়া, সত্যৰাম বৰুৱা, নিৰণ ডেকা, ৰামেশ্বৰ ডেকা, উদমাৰী যুৱক সংঘৰ সভাপতি অৰূপ ডেকা, ইউনিটিৰ মুখ্য উপদেষ্টা তথা বিশিষ্ট ৰক্তদাতা শেখৰ মজুমদাৰ, সভাপতি দীপক ডেকা, উপ-সভাপতি সুব্ৰত শীল, মুখ্য সম্পাদক ৰুমু বড়ো, কলাইগাঁও আঞ্চলিকৰ সভাপতি টিংকু বৰ্মন, সম্পাদক পাৰ্থ প্ৰতিম শৰ্মা আদি উপস্থিত থাকে।

# পূব নলবাৰী যুৱ মৰ্চাৰ কৃতী ছাত্ৰ ধৃতিৰাজ ভূঞাক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১০ আগষ্ট ঃ** নলবাৰী জিলাৰ বিহামপুৰ শিমলীয়া নিৱাসী নৱ কুমাৰ ভূঞা আৰু নৱনীতা ভূঞাৰ একমাত্ৰ পুত্ৰ ধৃতিৰাজ ভূঞাই সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পূব নলবাৰী মণ্ডলৰ অন্তৰ্গত আনন্দ বিদ্যা নিকেতনৰ পৰা ৯৮.৬৬ শতাংশ নম্বৰ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হয়। কালি বিজেপিৰ পূব নলবাৰী মণ্ডল আৰু মণ্ডল যুৱ মৰ্চাৰ তৰফৰ পৰা মানপত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানত উপস্থিত থাকে মণ্ডল সভাপতি প্ৰতুল কলিতা, সাধাৰণ সম্পাদক ভূপেন ডেকা, বিনোদ তালুকদাৰ, সম্পাদক অঞ্জনজ্যোতি তালুকদাৰ, মণ্ডল যুৱ মৰ্চাৰ সভাপতি লাচিত মেধি, উপ-সভাপতি অঞ্জন শৰ্মা, মুকুত চক্ৰৱৰ্তী, সাধাৰণ সম্পাদক হীৰকজ্যোতি দাস, সম্পাদক কৌশিক ডেকা, ৰাজীৱ বৰুৱা, নিতুমণি দাস আদি।

# অকল টিআৰপিৰ পাছত নদৌৰি সংবাদ মাধ্যমে সামাজিক দায়বদ্ধতা পালন কৰা উচিত

## যক্ষ্মা ৰোগ তথা চিকিৎসা সম্পৰ্কে ৰাজ্যিক ভিত্তিত সাংবাদিক কৰ্মশালা

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ১০ আগষ্ট ঃ** ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ আঁচনি, অসম ৰাজ্যিক যক্ষ্মা কোষৰ উদ্যোগত আৰু গুৱাহাটী প্ৰেছ ক্লাবৰ সহযোগত যোৱা ন আগষ্টত ৰাজ্যিক ভিত্তিত এখন সাংবাদিক কৰ্মশালা অনুষ্ঠিত হয়। অনলাইন কৰ্মশালা উদ্বোধন কৰে ৰাজ্যিক যক্ষ্মা বিষয়া ডাঃ এন জে দাসে। পোনপ্ৰথমবাৰৰ বাবে সাংবাদিকসকলক যক্ষ্মা ৰোগৰ ভয়াবহতা তথা ইয়াৰ চিকিৎসা আৰু ২০২৫ৰ ভিতৰত এই ৰোগ ভাৰতবৰ্ষৰ পৰা বিদায় দিয়াৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত তেওঁ উল্লেখ কৰি সংবাদ মাধ্যমৰ লোকসকলৰ সহযোগিতা কামনা কৰে। ৰাজ্যিক যক্ষ্মা কোষৰ আইইচি অফিচাৰ ড° পৰাঞ্জয় বৰদলৈয়ে আঁত ধৰা অনুষ্ঠানত 'দ্য আসাম ট্ৰিবিউন'ৰ সহকাৰী সম্পাদক পাৰ্থ প্ৰতিম হাজৰিকাই বৰ্তমান সংবাদ মাধ্যম টিআৰপিৰ পাছত দৌৰাৰ বাবে সামাজিক দায়বদ্ধতা কিছু ক্ষেত্ৰত পাহৰিব ধৰিছে। তেওঁ যক্ষ্মা ৰোগৰ ভয়াবহতাৰ বিষয়ে, ইয়াৰ বিনামূলীয়া চিকিৎসা লৈ ৰোগীৰ কি অৱস্থা হয় সেই সম্পৰ্কত বাতৰি পৰিৱেশনৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত বুলি মন্তব্য প্ৰকাশ কৰে। বিশিষ্ট ফটোগ্ৰাফাৰ অনুপম নাথ, জ্যেষ্ঠ সাংবাদিক নয়নজ্যোতি ভূঞা, সুদীপ্তা ভট্টাচাৰ্য, সুকৃতি চৌহানকে ধৰি কে'বাজনো সমল ব্যক্তিয়ে বক্তব্য আগবঢ়ায় কৰ্মশালাত বিশ্ব স্বাস্থ্য সংস্থাৰ উত্তৰ পূৰ্বাঞ্চলৰ টীম লিডাৰ ড° ধ্ৰুৱজ্যোতি ডেকাই কয় যে যোৱা পহিলা জানুৱাৰীৰ পৰা এতিয়ালৈকে ৰাজ্যখনত ৰাজহুৱা খণ্ডত ১৫,৬৬৩ গৰাকী আৰু ব্যক্তিগত খণ্ডৰ ৩,৯২৩ গৰাকী যক্ষ্মা ৰোগী চিনাক্ত হৈছে। এতিয়াও বহু যক্ষ্মা ৰোগী আমাৰ সমাজত থকাৰ কথা উল্লেখ কৰি তেওঁ কয় যে শৰীৰৰ নখ আৰু চুলিৰ বাহিৰে মানৱ দেহৰ সকলো অংগতে যক্ষ্মা ৰোগ হ'ব পাৰে। গতিকে সন্দেহযুক্ত যক্ষ্মা ৰোগীক বিনামূলীয়া পৰীক্ষাৰ জৰিয়তে চিনাক্ত কৰাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা তেওঁ কামনা কৰে। ইপিনে, ওদালগুৰি যক্ষ্মা কেন্দ্ৰত সাংবাদিক জয়ন্ত কুমাৰ দাস, উজ্জ্বল চন্দ্ৰ দাস, ৰেৱতী ৰমণ চাপকোটা, নাৰায়ণ ডেকা, পূৰ্বজ্যোতি মেধি, ৰাম উপাধ্যায়, অঞ্জনজ্যোতি শৰ্মাই এই কৰ্মশালাত অংশগ্ৰহণ কৰে।

# মঙলদৈত দৃষ্টিনন্দনৰ মাস্ক বিতৰণ-সজাগতা সভা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১০ আগষ্ট ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি মঙলদৈৰ দৃষ্টিনন্দন নামৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংস্থাটোৱে যোৱা ন আগষ্টত মঙলদৈ বিদ্যুৎ সংমণ্ডল কাৰ্যালয়ত সমবেত হোৱা গ্ৰাহকসকলৰ মাজত অনুষ্টুপীয়াকৈ সজাগতামূলক এখন সভা অনুষ্ঠিত কৰাৰ লগতে প্ৰায় ডেৰ শতাধিক লোকৰ মাজত বিনামূলীয়াকৈ মাস্ক বিতৰণ কৰে। দৃষ্টিনন্দনৰ সভাপতি তথা মঙলদৈ শিক্ষক শিক্ষণ মহাবিদ্যালয়ৰ অধ্যাপক হেমন্ত তামুলীয়ে অধিক সাৱধানতা অৱলম্বন কৰি থাকিবলৈ সকলো শ্ৰেণীৰ লোকক আহ্বান জনায়। মাস্ক পৰিধান নকৰাকৈ ঘৰৰ বাহিৰলৈ যাতে কোনোৱেই নোলাই তাৰ বাবে তেওঁ সকলোকে আহ্বান জনায়। দৃষ্টিনন্দনৰ সম্পাদক তথা সমাজকৰ্মী তমজিড আলীয়ে আঁত ধৰা অনুষ্ঠানত সংস্থাটোৰ সদস্য আব্দুল কাদিৰ আহমেদ, নুৰ হুছেইন আদি উপস্থিত থাকে।

# পলাশবাৰীত গৃহ আধাৰশিলা স্থাপন, গৃহ প্ৰৱেশ সমাৰোহ-২০২১

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১০ আগষ্ট ঃ** পলাশবাৰী সমষ্টিৰ পৌৰসভাৰ অন্তৰ্গত আঠ আৰু ন নম্বৰ ৱাৰ্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনা চহৰাঞ্চল, অসমৰ অধীনত গৃহ আধাৰশিলা স্থাপন আৰু গৃহ প্ৰৱেশ সমাৰোহ-২০২১ৰ আৰম্ভ কৰে সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। পলাশবাৰী পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ পূৰ্ণিমা কলিতাই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অনুমোদন পোৱা এটি গৃহৰ আধাৰশিলা স্থাপন কৰাৰ পাছতে আঠ নম্বৰ ৱাৰ্ডৰ জোনালী কুমাৰৰ আন এটি নৱনিৰ্মিত গৃহৰ প্ৰৱেশদ্বাৰ মুকলি কৰে বিধায়কজনে। বিধায়ক ঠাকুৰীয়াই উক্ত দুয়োটা অনুষ্ঠানৰ আৰম্ভণি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে দুখীয়া ৰাইজৰ হিতাৰ্থে লোৱা উক্ত আঁচনিৰ জৰিয়তে দুখীয়া লোকসকল উপকৃত হ'ব বুলি কয়। পৌৰসভাৰ অন্তৰ্গত প্ৰায় ১৭৪ টা পৰিয়াল প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰৰ বাবে নিৰ্বাচিত কৰা হৈছে। পৰ্যায়ক্ৰমে সকলোকে আৱাস গৃহ দিয়াৰ প্ৰস্তুতি চলাই থকাৰ লগতে এটি সুন্দৰ গৃহ সকলোকে প্ৰয়োজন, গৃহ সুন্দৰ হ'লে নিজৰ মনোবল তথা ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ ক্ষেত্ৰতো এটি ভাল পৰিৱেশ হয় বুলি বিধায়কজনে উল্লেখ কৰে।



# ক্ৰিকেটক ৰঙা দলিচা দিয়া হ’ব ব্ৰিছবেন অলিম্পিকত

**ডুবাই, ১০ আগষ্ট ঃ** অলিম্পিকত ক্ৰিকেট অন্তৰ্ভুক্ত কৰাৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে। উল্লেখ্য যে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে এই সন্দৰ্ভত অচিৰেই এক সভাত মিলিত হ’ব আন্তৰ্জাতিক অলিম্পিক কমিটিৰ লগত। কিন্তু পৰবৰ্তী 2024 ৰ পেৰিছ অলিম্পিকত ক্ৰিকেট অন্তৰ্ভুক্ত হোৱাৰ কোনো সম্ভাৱনা নাই। মাজত তিনি বছৰ থকা অৱস্থাত আন্তৰ্জাতিক অলিম্পিক কমিটিয়ে ক্ৰিকেটৰ দৰে এবিধ ব্যয় বহুল আন্তগাঠনিৰ খেল 2024 ৰ পেৰিছ অলিম্পিকত অন্তভূক্ত নকৰে। সেয়ে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে আশা কৰিছে 2028 ৰ লজ এঞ্জেলেছ অলিম্পিকত ক্ৰিকেটক প্ৰথম প্ৰৱেশ কৰাৰ বিষয়ে। অৱশ্যে এই দিশতো কিছু কাম কৰিব লাগিব আন্তৰ্জাতিক ক্ৰিকেট পৰিষদে। তেতিয়াহে 2028 ৰ লজ এঞ্জেলেছ অলিম্পিকত ক্ৰিকেট অন্তভুক্ত কৰাত সফল হ’ব আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ। স্মৰ্তব্য যে অলিম্পিকত ক্ৰিকেট অন্তভুক্ত হোৱাৰ পূৰ্বে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ সদস্য হ’ব লাগিব আন্তৰ্জাতিক অলিম্পিক কমিটিৰ। একেদৰে দেশৰ ক্ৰিকেট সন্থা সমুহো সদস্য হ’ব লাগিব ৰাষ্ট্ৰীয় অলিম্পিক সন্থাৰ। অৰ্থাৎ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ড এতিয়া ভাৰতীয় অলিম্পিক সন্থাৰ সদস্য হ’ব লাগিব। ইফালে, এই প্ৰক্ৰিয়া সচাৰু ৰূপত হৈ গ’লে ক্ৰিকেটৰ বাবে মুকলি হ’ব অলিম্পিকৰ দুৱাৰ। কিন্তু বিশ্বৰ ক্ৰিকেট সম্প্ৰদায়ে কৰা আশা অনুসৰি 2032 ৰ ব্ৰিজবেন অলিম্পিকত ক্ৰিকেট অন্তভুক্ত হোৱাটো এশ শতাংশ নিশ্চিত। কাৰণ অষ্ট্ৰেলিয়া এখন ক্ৰিকেট প্ৰিয় দেশ আৰু অলিম্পিকৰ আয়োজক হিচাপে ক্ৰিকেটক যে ৰঙা দলিছা দিব সেয়া নিশ্চিত। উল্লেখ্য যে অলিম্পিকত ক্ৰিকেট এবাৰেই অন্তভুক্ত হৈছিল 1900 ত। গ্ৰেট ব্ৰিটেইন আৰু ফ্ৰান্সে এখন মেচ খেলিছিল।





পেৰিছত উপস্থিত মেছি



## প্ৰশিক্ষক অবিহনে টকিঅ’ অলিম্পিকত খেলিলে ভাৰতৰ অদিতি অশোকে

**বাংগালুৰু, ১০ আগষ্ট ঃ** প্ৰশিক্ষক অবিহনে টকিঅ’ অলিম্পিক খেলি অপ্ৰত্যাসিত সফলতা লাভ কৰিলে ভাৰতৰ মহিলা গলফাৰ অদিতি অশোকে। পদক অৰ্জনত সফল নহ’ল যদিও চতুৰ্থ স্থান অৰ্জন কৰি ভাৰতীয় গলফৰ ইতিহাসত অনন্য অভিলেখ গঢ়িবলৈ সক্ষম হয় অদিতিয়ে। উল্লেখ্য যে অদিতিয়ে অলিম্পিকৰ ইতিহাসত নিজৰ নাম গৌৰৱেৰে খোদিত কৰাৰ দিশে আগবাঢ়ি গৈয়ো অন্তিম ক্ষণত থমকি ৰ’ব লগা হয়। টকিঅ’ অলিম্পিকৰ গলফৰ অন্তিম দিনা অদিতিয়ে পদক লাভ কৰাৰ সম্ভাৱনা সজীৱ ৰাখিছিল যদিও অন্তিম শ্বটত সফল হ’ব নোৱাৰি চতুৰ্থ স্থানত থাকি অভিযান সামৰে। প্ৰশিক্ষক অবিহনে অলিম্পিক খেলিছিল অদিতিয়ে। কেবল ভিডিঅ’ চাই প্ৰশিক্ষণ লৈছিল। উল্লেখ্য যে অদিতি অশোকে অনবদ্য প্ৰদৰ্শন কৰি দেশৰ প্ৰথম খেলুৱৈ ৰূপে গলফত অলিম্পিক পদক জয়ৰ দিশে অগ্ৰসৰ হৈছিল। তৃতীয় ৰাউণ্ডৰ মেচত অদিতিয়ে 67 পইণ্টৰে দ্বিতীয় স্থানত আছিল। কিন্তু অন্তিমদিনা অদিতিৰ ভাগ্য সুপ্ৰসন্ন নহ’ল। যাৰবাবে সফলতা অৰ্জন কৰাত ব্যৰ্থ হয়।

## প্ৰধান মন্ত্ৰীৰ ফোনে আমাক মানসিক শক্তি দিছিল ঃ মনপ্ৰীত

**নতুন দিল্লী, ১০ আগষ্ট ঃ** সদ্য সমাপ্ত টকিঅ’ অলিম্পিকত চমকপ্ৰদ প্ৰদৰ্শনৰে অভিযান আৰম্ভ কৰা ভাৰতীয় পুৰুষ হকী দলে অৱশেষত দেশবাসীৰ 41 বছৰীয়া অপূৰ্ণ প্ৰত্যাশা পূৰ্ণ কৰি ব্ৰঞ্জ পদক জয়ৰে গৌৰৱময় সফলতা লাভ কৰিলে। উল্লেখ্য যে ছেমিফাইনেলত বিশ্ব চেম্পিয়ন বেলজিয়ামে 5-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভাৰতৰ পুৰুষ হকী দলক। কিন্তু মনৰ দৃঢ়তা নেহেৰুৱাই ব্ৰঞ্জ পদকৰ মেচত জাৰ্মানীক 5-4 গ’লত পাৰস্ত কৰি দেশৰ দুটা প্ৰজন্মক প্ৰথমবাৰৰ বাবে হকীৰ বিশ্ব গৌৰৱ সফলতাৰ লগত চিনাকি কৰি দিলে। আজি এই সাফল্য সম্পৰ্কত দলৰ অধিনায়ক মনপ্ৰীত সিঙে কয় যে ছেমিফাইনেলৰ ব্যৰ্থতাৰ পাছত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপে দলক নতুন ৰূপত মানসিক শক্তি দিছিল। ‘আমাৰ দক্ষতাৰ অভাব নাছিল। কিন্তু ছেমিফাইনেলত পৰাস্ত হোৱাত হতাশ হৈছিলো। সেই সময়তে প্ৰধান মন্ত্ৰীৰ অপ্ৰত্যাসিত ফোনে দলক নতুন সঞ্জীৱনি দিলে আৰু আমি পদক লাভ বাবে সংকল্প হৈ দৃঢ় হলো লগতে সফলো হলো।’ মনপ্ৰীতে কয়। উল্লেখ্য যে এইবাৰ ভাৰতৰ পদক লাভৰ এই যাত্ৰা আছিল গৌৰৱময়। কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ পুৰুষ হকী দলে 3-1 গ’লৰ ব্যৱধানত গ্ৰেট ব্ৰিটেইনক পৰাস্ত কৰি অন্তিম চাৰিত প্ৰৱেশ কৰিছিল। ভাৰতৰ পুৰুষ হকী দলে জয়ৰে নিজৰ অভিযান আৰম্ভ কৰাৰ পাছত দ্বিতীয় মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে নিৰ্লজ্জ 7-1 গ’লৰ ব্যৱধানত পৰাস্ত হৈছিল। প্ৰথম মেচত ভাৰতে 3-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰিছিল কিবি বাহিনীক। আনহাতে, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে নিৰ্লজ্জ প্ৰদৰ্শন কৰাৰ পাছত ভাৰতে তৃতীয় গ্ৰুপ মেচত চমকপ্ৰদ প্ৰদৰ্শন কৰি স্পেইনক 3-0 গ’লত পৰাস্ত কৰিছিল। অন্তিম গ্ৰুপ মেচত ভাৰতে 5-3 গ’লত ব্যৱধানত পৰাস্ত কৰে জাপানক। উল্লেখ্য যে এই মেচখন খেলিবলৈ বাকী থাকোতেই কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছিল ভাৰতে। ভাৰতে চমকপ্ৰদ প্ৰদৰ্শন কৰি গ্ৰুপৰ চতুৰ্থ মেচত বিগত ৰিঅ’ অলিম্পিকৰ স্বৰ্ণ জয়ী আৰ্জেণ্টিনাক 3-1 গ’লত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছিল।




## অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৪-১ ত টি-২০ শৃংখলা দখল বাংলাদেশৰ

**ঢাকা, ১০ আগষ্ট ঃ** বাংলাদেশে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা পাঁচখনীয়া টি-20 শৃংখলাটো 4-1 ৰ ব্যৱধানত দখল কৰিছে। পঞ্চম তথা অন্তিমখন মেচত বাংলাদেশে 60 ৰাণত পৰাস্ত কৰে অষ্ট্ৰেলিয়াক। পোনতে বেটিং কৰা বাংলাদেশে নিৰ্ধাৰিত অভাৰত আঠ উইকেটত সংগ্ৰহ কৰে 122 ৰাণ। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই 13.4 অভাৰত মাত্ৰ 62 ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। বাংলাদেশৰ হৈ ছাকিব আল হাছানে চাৰিটা আৰু ছৈফুদ্দিনে তিনিটা উইকেট দখল কৰে।

### কাৰণ দৰ্শোৱাৰ জাননী মল্লযোদ্ধা সোনম মালিকক

## টকিঅ’ অলিম্পিকত অনুশাসন ভংগ কৰাৰ বাবে ভিনেছক নিলম্বন ফেডাৰেছনৰ

**নতুন দিল্লী, ১০ আগষ্ট ঃ** ভাৰতীয় মল্লযোদ্ধা সন্থাই অনুশাসন ভংগ কৰাৰ অপৰাধত টকিঅ’ অলিম্পিকত খেলা দুই মহিলা মল্লযোদ্ধা ভিনেছ ফ’গাট আৰু সোনম মালিকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। ভিনেছক নিলম্বিত কৰাৰ বিপৰীতে সোনমক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। উল্লেখ্য যে ভিনেছে টকিঅ’ অলিম্পিকৰ গেমছ ভিলেজত থকাৰ ক্ষেত্ৰত তথা সতীৰ্থ খেলুৱৈৰ লগত অনুশীলন কৰাৰ বিষয়ত আপত্তি কৰিছিল। আনহাতে, ভাৰতীয় দলৰ জাৰ্ছি পিন্ধাৰ পৰিবৰ্তে কোম্পানীৰ জাৰ্ছি পিন্ধি মেচ খেলিছিল। সেয়ে ভিনেছক নিলম্বন কৰা হৈছে। ইফালে, সোনম মালিকে ছাইৰ পৰা নিজৰ পাছপ’ৰ্ট নিজে সংগ্ৰহ কৰিব লাগে যদিও সেয়া নকৰি আনক সেই কাম কৰাৰ দায়িত্ব দিছিল। সেয়ে সোনমক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। উল্লেখ্য যে টকিঅ’ অলিম্পিকত সফলতা লাভ নকৰিলে ভাৰতৰ মহিলা মল্লযোদ্ধাই। 50 কিলোগ্ৰাম শাখাত খেলা সীমা বিছলা প্ৰথম ৰাউণ্ডৰ মেচতে 1-3 ৰ ব্যৱধানত পৰাস্ত হয় টিউনেছিয়াৰ ছাৰাৰ বিৰুদ্ধে। সোনম মালিকো প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈছিল মংগোলিয়াৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে। আনহাতে, 57 কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ অংশু মালিক প্ৰথম ৰাউণ্ডত পৰাস্ত হয় যদিও ৰেপেচাজ পদ্ধতিৰে ব্ৰঞ্জ পদক লাভ কৰাৰ সুযোগ লাভ কৰিছিল। কিন্তু অংশুৱে ব্ৰঞ্জ পদকৰ বাবে খেলা প্ৰথম মেচত ৰাছিয়াৰ ক’বাল’ভাৰ বিৰুদ্ধে 5-1 ৰ ব্যৱধানত পৰাস্ত হৈ অভিযান সামৰে। ইফালে, হতাশ কৰে তাৰকা ভিনেছ ফ’গাটেও। কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হয় পদক প্ৰত্যাশী ভিনেছ। প্ৰথম মেচত ভিনেছে 7-1 ৰ ব্যৱধানত পৰাস্ত কৰিছিল ছুইডেনৰ ছ’ফিয়াক। কিন্তু কোৱাৰ্টাৰ ফাইনেলত বেলাৰুছৰ ভেনেছাই 9-3 ৰ ব্যৱধানত পৰাস্ত কৰে ভিনেছক।





## দ্বিতীয় টেষ্টৰ বাবে ইংলণ্ড দলত স্থান লাভ মঈন আলীৰ



**লণ্ডন, ১০ আগষ্ট ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন টেষ্ট আৰম্ভ হ’ব অহা 12 আগষ্টৰ পৰা। আজি ইংললণ্ড ক্ৰিকেট ব’ৰ্ডে দ্বিতীয় টেষ্টৰ বাবে দলত অন্তৰ্ভুক্ত কৰিছে অলৰাউণ্ডাৰ মঈন আলীক। স্পীন বলিঙৰ লগতে বেটিঙত সহায়ক হোৱাৰ বাবে মঈনক দলত লোৱা হৈছে। উল্লেখ্য যে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন ড্ৰ টেষ্টত শ্ৰেষ্ঠ হয়। টেষ্টখনৰ পঞ্চম তথা অন্তিম দিনা বৰষুণৰ বাবে এটাও বল নপৰিল। সেয়ে চাহ বিৰতিৰ সময়তে মেচখন ড্ৰ বুলি ঘোষণা কৰা হয়। উল্লেখ্য যে টেষ্টখনত ভাৰতে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল যদিও ইংলণ্ডে দ্বিতীয় ইনিংছত সুন্দৰ প্ৰত্যাৱৰ্তন কৰি মেচ নিজৰ আয়ত্বলৈ অনাত সফল হৈছিল। দ্বিতীয় ইনিংছত ইংলণ্ডে 278 ৰাণ কৰি ভাৰতৰ সন্মুখত 209 ৰাণৰ বিজয়লক্ষ্য দিয়ে। প্ৰত্যুত্তৰত, চতুৰ্থ দিনাৰ খেলৰ অন্তত ভাৰতে এটা উইকেট হেৰুৱাই 52 ৰাণ কৰিছিল। বিজয়ৰ বাবে ইংলণ্ডক প্ৰয়োজন হৈছিল নটা উইকেটৰ বিপৰীতে অন্তিম দিনা ভাৰতক প্ৰয়োজন হৈছিল 157 ৰাণ। ৰোমাঞ্চকৰ মেচখনত বৰষুনে বাধা দিয়াত ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে টেষ্টখনত ইংলণ্ডৰ প্ৰথম ইনিংছ 183 ৰাণত সমাপ্ত হোৱাৰ পাছত ভাৰতে প্ৰথম ইনিংছত 278 ৰাণ কৰি 95 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছিল।

## হৃদৰোগত আক্ৰান্ত নিউজিলেণ্ডৰ ক্ৰিকেটাৰ ক্ৰিছ কেয়াৰ্ণছ

**কেনবেৰা, ১০ আগষ্ট ঃ** নিউজিলেণ্ড ক্ৰিকেট দলৰ প্ৰাক্তন সদস্য ক্ৰিছ কেইনছ হৃদৰোগত আক্ৰান্ত হৈ অষ্টেলিয়াত চিকিৎসাধীন হৈছে। উল্লেখ্য যে কেনবেৰা চিকিৎসালয়ত আই চি ইউত ভৰ্তী হোৱা প্ৰাক্তন কিবি অলৰাউণ্ডাৰজনৰ স্বাস্থ্যৰ অৱস্থা অতি শোচনীয় বুলি জনা গৈছে। 51 বছৰীয়া কেইনছে নিউজিলেণ্ড দলৰ হৈ 62 খন টেষ্ট আৰু 215 খন এদিনীয়া মেচ খেলাৰ লগতে দুখন টি-20 মেচত অংশ লৈছে। ইফালে, নিউজিলেণ্ড ক্ৰিকেট সন্থা আৰু কিবি ক্ৰিকেটাৰ সংঘই প্ৰাক্তন সদস্য ক্ৰিছ কেইনছৰ আশু আৰগ্য কাৰনা কৰিছে।





### প্ৰথম টেষ্টত নটা উইকেট ভাৰতীয় পেচাৰৰ

## বুমৰাহৰ পৰা সাৱধানে থাকিব লাগিব ইংলণ্ডৰ বেটছমেন

**লণ্ডন, ১০ আগষ্ট ঃ** ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাত ঘৰুৱা দলৰ বেটছমেন টীম ইণ্ডিয়াৰ পেচাৰ যশপ্ৰীত বুমৰাহৰ পৰা সাৱধান থাকিব লাগিব বুলি আজি ইংলিছ বেটছমেন জ’নী বেয়াৰষ্ট’ৱে ব্যক্ত কৰিছে। ইফালে, বুমৰাহ টেষ্ট, এদিনীয়া আৰু টি-20 টা ক্ৰিকেটৰ অনন্য বলাৰ বুলিও অবগত কৰে ইংলণ্ডৰ বেটছমেনজনে। উল্লেখ্য যে প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও টীম ইণ্ডিয়াৰ অধিনায়ক বিৰাট কোহলিয়ে কেবাটাও ইতিবাচক দিশ এই টেষ্টত লাভ কৰিছে। ইয়াৰে প্ৰথমটো হ’ল ভাৰতৰ শক্তিশালী বলিং বিভাগ। প্ৰথম টেষ্টত বুমৰাহে নটা উইকেট দখল কৰে। উল্লেখ্য যে প্ৰথম টেষ্টত ভাৰতীয় বলাৰে দুবাৰকৈ অল আউট কৰিছে ঘৰুৱা দল ইংলণ্ডক। টেষ্ট জয়ৰ বাবে 20 টা উইকেট প্ৰয়োজন। সেয়া অধিক ৰাণ খৰছ নকৰি সফল হয় ভাৰতীয় বলাৰ। উল্লেখ্য যে টেষ্টখনত ইংলণ্ডৰ প্ৰথম ইনিংছ 183 ৰাণত সমাপ্ত হয়। প্ৰথম ইনিংছত ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে চাৰিটা, মহম্মদ ছামিয়ে তিনিটা আৰু শ্বাৰ্দুল ঠাকুৰে দুটা উইকেট লাভ কৰাৰ লগতে মহম্মদ চিৰাজে এটা উইকেট পায়। আনহাতে, দ্বিতীয় ইনিংছত ইংলণ্ডে 278 ৰাণ কৰে। দ্বিতীয় ইনিংছত ভাৰতৰ হৈ বুমৰাহে পাঁচটা তথা ছিৰাজ আৰু শ্বাৰ্দুলে দুটাকৈ উইকেট পায়। ভাৰত আৰু ইংলণ্ডৰ দ্বিতীয় টেষ্ট আৰম্ভ হ’ব অহা 12 আগষ্টৰ পৰা।

## ২০২৮-৩২ৰ প্ৰস্তুতি অসমে এতিয়াই কৰিব লাগিব ঃ বসুমতাৰী

**গুৱাহাটী, ১০ আগষ্ট ঃ** অসমৰ মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়ে প্ৰথম অসমীয়া হিচাপে অলিম্পিক পদক লাভ কৰি ৰাজ্যবাসীক গৌৰৱ আৰু আনন্দ দিছে যদিও পৰবৰ্তী অলিম্পিকলৈ অসমৰ পৰা আৰু কোনো এথলীট যাব বা ৰাজ্যলৈ লাভলীনাৰ দৰেই পদক জয়ৰ গৌৰৱ লৈ আহিব সেয়া এইসময়ত এক অস্পষ্ট ছবি। কাৰণ অসমত নতুন প্ৰতিভা বিকাশৰ কাৰ্যসূচী বৰ্তমান স্থবিৰ। পেৰিছত অলিম্পিক হ’ব 2024 ত। লাভলীনাই নিজৰ ধাৰাবাহিকতা ৰক্ষা কৰিলে পেৰিছতো সফল হ’ব পাৰিব। ইতিমধ্যে লাভলীনাই পেৰিছ অলিম্পিকত সোণ জয়ৰ লক্ষ্য লোৱা বুলি টকিঅ’ত ব্ৰঞ্জ লাভ কৰাৰ পাছতে ব্যক্ত কৰিছে। কিন্তু লাভলীনাৰ সফলতাই অসমক সুযোগ দিছে নতুন অলিম্পিয়ান সৃষ্টি কৰাত। আজি এই সম্পৰ্কত সুদক্ষ ক্ৰীড়া প্ৰশাসক তথা ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰাক্তন উত্তৰ-পূৰৰ দায়িত্বত থকা শীৰ্ষ বিষয়া ড০ সুভাষ বসুমতাৰীয়ে কয় যে অসমে 2028 আৰু 2032 ৰ অলিম্পিকৰ প্ৰস্তুতি এতিয়াই কৰিব লাগিব। তেতিয়াহে আমেৰিকা আৰু অষ্ট্ৰেলিয়াত হ’বলগা 2028 আৰু 2032 ৰ অলিম্পিকত অসমৰ ক্ৰীড়াবিদক দেখা যাব। উল্লেখ্য যে লাভলীনাৰ পদক জয়ৰ পূৰ্বে অসমৰ অলিম্পিকৰ ছবি আশাৰ নাছিল। ফুটবলত ডাঃ টি আও (1948), বেডমিণ্টনত দিপাংকৰ ভট্টাচাৰ্য (1992, 1996), পৰুষ বক্সিঙত শিৱ থাপা (2012, 2016) আৰু আৰ্চাৰীত জয়ন্ত তালুকদাৰে (2012) অলিম্পিক খেলাৰ পাছত এইবাৰ প্ৰথম মহিলাৰূপে অসম কন্যা লাভলীনাই অলিম্পিক খেলিলে লগতে পদক জয় কৰি ঐতিহাসিক সফলতাও লাভ কৰিলে। অসমবাসীয়ে লাজ নকৰাকৈ নিজক আত্মবিশ্লেষন কৰিলে গম পাব আমাৰ ৰাজ্যৰ পৰা অলিম্পিয়ান জন্ম হোৱাৰ পৰিৱেশ আছে নে নাই। শ্বাটলাৰ দিপাংকৰ ভট্টাচাৰ্যই (1992, 1996) অলিম্পিক খেলাৰ পাছত পৰবৰ্তী তিনিখন অলিম্পিকত (2000, 2004, 2008) কোনো অসমীয়া ক্ৰীড়াবিদে অংশ লোৱাৰ সুযোগ পোৱা নাছিল। কিন্তু অসমৰ ক্ৰীড়া পৰিৱেশ কিছু সলনি হয় 2007 ৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ পাছত। 2012 ৰ লণ্ডন অলিম্পিকত শিৱ আৰু জয়ন্তৰ ৰূপত দুজন অসমীয়াই অলিম্পিক খেলাৰ পাছত 2016 ত শিৱই আৰু এইবাৰ 2020 ৰ টকিঅ’ অলিম্পিকত লাভলীনাই অংশ লৈ ক্ৰমাগত তিনিখন অলিম্পিকত অসম সন্তানে অংশ লোৱাৰ গৌৰৱ অৰ্জন কৰিছে। অসমৰ পৰা অলিম্পিয়ান সৃষ্টিত মূল ভূমিকা লোৱা ব্যক্তিজনে হ’ল ড০ সুভাষ বসুমতাৰী। উল্লেখ্য যে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ আঁচনি অসমত সাৰ্থকৰূপত ব্যৱহাৰ কৰি শিৱ, জয়ন্ত, লাভলীনাৰ ৰূপত তিনিজন অলিম্পিয়ান জন্ম দিছে ড০ সুভাষ বসুমতাৰীয়ে। কিন্তু আজি লাভলীনাৰ সাফল্যৰ উৎসৱমুখৰ এইসময়ত বসুমতাৰী চিন্তিত অসমৰ নতুন ক্ৰীড়াবিদক লৈ। যদি এতিয়াই নিৰ্ণায়ক ক্ৰীড়া নীতি লোৱা নহয় তেন্তে অলিম্পিকত অসমৰ খেলুৱৈয়ে অংশ লোৱাৰ ধাৰাবাহিকতা অনাগত সময়ত বাধাগ্ৰস্ত হ’ব বুলি কয় ড০ সুভাষ বসুমতাৰীয়ে।





মেছিক আদৰণি পি এছ জিৰ সমৰ্থকৰ।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023


## বিলাসনন্দন চ'ৰা




# অসাংবিধানিক শব্দ

**মধ্য প্ৰদেশত** এটা বৰ ভাল কাম কৰা হৈছে। কিছুমান শব্দক অসাংবিধানিক বুলি ঘোষণা কৰি দিয়া হৈছে। শব্দবোৰৰ বৰ বেছি গভীৰলৈ যোৱাৰ আগেয়ে আমি জানি ল'ব লাগিব যে অসাংবিধানিক মানেনো কি? সেইবোৰ কথাকে ইণ্ডিয়ান পলিটিক্সত অসাংবিধানিক বোলা হয়, যিবোৰ কথা কাণে কাণে কোৱা হয় বা পিঠিৰ পাছফালে কোৱা হয়। ইলেকচনৰ মিটিঙত ৰুলিং পাৰ্টিয়ে যি কয়, তাত কোনো অসাংবিধানিক কথা বা শব্দ নাথাকে; বিৰোধীত থকাসকলে যি কয়, সেইবোৰ অসাংবিধানিক বুলি ঘনে ঘনে কমপ্লেইন লেটাৰ আহে। মানে কথাটো এনেকুৱা যে চিনেমাত সাধাৰণ গালি এটাও দিব নোৱাৰে, চিগাৰেট-মদ খোৱাটোও দেখুৱাব নোৱাৰে। লগে লগে চেন্সৰ। কিন্তু অ'টিটি প্লেটফৰ্মত যি মন যায় তাকে কণ কণ ল'ৰা-ছোৱালীবোৰক দেখুৱাই থাকিব পাৰে, চেন্সৰৰ একো দৰকাৰ নাই। আমাৰ অসাংবিধানিক শব্দবোৰো তেনেকুৱাই। ৰুলিং পাৰ্টি হ'ল অ'টিটি প্লেটফৰ্ম আৰু বিৰোধী পাৰ্টি হ'ল হলৰ চিনেমা। অৱশ্যে ৰুলিঙেই কওক বা বিৰোধীয়েই কওক, সৰতো চিনেমাই দিয়কচোন। সঁচা সঁচা যেন লগা সাংঘাতিক মিছা।




মধ্য প্ৰদেশত ঘোষণা কৰা হৈছে যে পাপ্পু শব্দটো অসাংবিধানিক। তাৰ মানে এতিয়াৰে পৰা কোনো ল'ৰা-ছোৱালীৰ নাম পাপু ৰাখিব পৰা নাযাব। বিহাৰৰ পাপ্পু যাদৱৰ বা কি দশা হয়? আকৌ যাক লক্ষ্য কৰি পাপ্পু বোলা কয়, তেওঁৰ আকৌ পাপ্পু হোৱাত হেনো একো আপত্তি নাই। পাপ্পু শব্দটোতে কিবা এটা মৰম লগা ভাব আছে। বহু মাক-বাপেকে নিজৰ ল'ৰাক মৰমতে চিণ্টু, চটু, পাপ্পু বুলি মাতে। গতিকে সিজনেও ভাবে যে তেওঁক যদি কোনোবাই পাপ্পু বুলি মাতিছে, মৰমতে মাতিছে। আদৰতে মাতিছে পাপ্পু বুলি। গতিকে পাপ্পু হোৱাত তেওঁৰ একো আপত্তি নাই। কিন্তু এই যে মাজে মাজে তেওঁ নাইকিয়া হৈ যায়, ক'লৈ যায় সেয়া যে কোনেও গম নাপায়, বহুতে যে তেওঁক বিচাৰি বিচাৰি হায়ৰাণ হৈ পাপ্পুৰ সলনি 'চালু' বুলি মাতি দিয়ে, হঠাতে অদৃশ্য হৈ যায় কাৰণে যে 'দেৱতা' বুলি মাতি দিয়ে, সেইবোৰতহে তেওঁৰ ঘোৰ আপত্তি আছে।

দিল্লীৰ পদ্মলোচন পাৰ্টিয়ে আৰু এটা ভাল মাথা মাৰিছে, যিটো মাথা চলোৱা হৈছে মধ্য প্ৰদেশৰ পৰা। সেয়া হ'ল ভেণ্টিলেটৰ শব্দটোকে অসাংবিধানিক কৰি দিয়া হৈছে বাপ্পেকে। এয়া ষ্টাৰ্টিংহে! লাহে লাহে ভেণ্টিলেটৰৰ দৰে অক্সিজেনকো অসাংবিধানিক বুলি বেন্‌ড কৰি দিয়া হ'ব। আইচিইউকো বেন্‌ড কৰি দিয়া হ'ব। পজিটিভ শব্দটো বেন্‌ড কৰি দিয়া হ'ব। আৰু শেষত গৈ গৈ কৰ'নাকো বেন্‌ড কৰা হ'ব। এনেকৈ এটা এটাকৈ সব শব্দই বেন্‌ড হৈ গ'লে কোনেও আৰু কৰ'না, পজিটিভ, অক্সিজেন, আইচিইউক লৈ গালি-গালাজ কৰিব নোৱাৰিব। নহয় মানে অক্সিজেন, ভেণ্টিলেটৰ, আইচিইউ এইবোৰে বাদশ্বাহৰতো কম লোকচান কৰা নাই। এতিয়া কোনোবাই এইবোৰ শব্দ ব্যৱহাৰ কৰিলেই লগালগ জেল, লগালগ পানিছমেণ্ট।

বাদশ্বাহ, মহাৰাজ, কৰিশ্মা শ্বাহ— এইসকলে এইকেইদিন খুব আলাপ-আলোচনা কৰি আছে আৰু কি কি শব্দক বেন্‌ড কৰি দিব পৰা যায়! নহয় মানে ২০২৪লৈ আৰু বেছি মাহ নাইতো। প্ৰস্তুতি এতিয়াৰে পৰাই চলাব লাগিব। সেইবোৰ শব্দ বেন্‌ড কৰি থ'ব লাগিব, যিবোৰ শব্দই তেওঁলোকৰ লোকচান কৰিব পাৰে। এক্সপাৰ্ট কমিটী ইতিমধ্যে গঠন কৰি দিয়া হৈছে। কমিটীক কোৱা হৈছে বেন্‌ড কৰিব লগা শব্দবোৰৰ এখন লিষ্ট বনাবলৈ। আমাৰ মহাৰাজেও লিষ্টখন বনাওতে অলপ হেল্প কৰি দিলে।

অৱশেষত এক্সপাৰ্ট কমিটীয়ে লিষ্টখন আনি দিল্লীৰ বাদশ্বাহৰ আগত দাখিল কৰিলে। বাদশ্বাহে লিষ্টখন মেলি লৈ এমূৰৰ পৰা মাতি গ'ল বেন্‌ড কৰিব লগা শব্দবোৰ— পোন্ধৰ লাখ, বেংক একাউণ্ট, মেক ইন ইণ্ডিয়া, ৰাফেল, এহেজাৰ কোটি, বিস্কুট, বিমুদ্ৰা, লকডাউন, চেকুলাৰ, গোডী মিডিয়া.....! এফালৰ পৰা বাদশ্বাহে লিষ্টখন মাতি গ'ল আৰু শেষত খঙতে বাদশ্বাহে চিঞৰি উঠিল— 'এইবোৰ কিবা লিষ্ট হ'ল নেকি?' এক্সপাৰ্ট কমিটীয়ে সুধিলে— 'কি হ'ল জাহাপনা?'

বাদশ্বাহে দাঁত কামুৰি কামুৰি ক'লে— 'প্ৰথম যিটো শব্দ বেন্‌ড কৰিব লাগিছিল, সেইটোৱে নাই দেখোন লিষ্টত!'

ঃ কি শব্দ জাহাপনা?

ঃ কি আৰু হ'ব? খেলা হবে!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

কৰ'না পৰিস্থিতিত হ্ৰাস পাইছে মানুহৰ আৰ্থিক নিৰাপত্তা। হ্ৰাস পাইছে মানুহৰ আত্মবিশ্বাস। ইয়াৰ বিপৰীতে বৃদ্ধি পাইছে সততাৰ পৰিমাণ। শেহতীয়াই এক সমীক্ষাই এই দাবী কৰিছে। এই সমীক্ষাতেই দেখা গৈছে যে কৰ'না পৰিস্থিতিত মানুহৰ স্বাভাৱিক প্ৰৱণতাতো পৰিৱৰ্তন ঘটিছে।

# কৰ'নাই সলনি কৰিলে মানুহৰ স্বাভাৱিক প্ৰৱণতাও



## বাঢ়িছে সততাৰ হাৰ ঃ অপৰাধীয়ে কম সংখ্যাত বহুজনক লুট কৰিছে

■ নিউজ ব্যুৰ'

**কলকাতা, ১০ আগষ্ট ঃ** কৰ'না পৰিস্থিতিত হ্ৰাস পাইছে মানুহৰ আৰ্থিক নিৰাপত্তা। হ্ৰাস পাইছে মানুহৰ আত্মবিশ্বাস। ইয়াৰ বিপৰীতে বৃদ্ধি পাইছে সততাৰ পৰিমাণ। শেহতীয়াই এক সমীক্ষাই এই দাবী কৰিছে। এই সমীক্ষাতেই দেখা গৈছে যে কৰ'না পৰিস্থিতিত মানুহৰ স্বাভাৱিক প্ৰৱণতাতো পৰিৱৰ্তন ঘটিছে। ইয়াৰ আগলৈকে অৰ্থনীতিৰ স'তে মানুহৰ আচৰণ সম্পৰ্কে যিমানবোৰ সমীক্ষা হৈছিল; তাৰ প্ৰতিটো সমীক্ষাতেই দেখা গৈছিল যে যেতিয়াই অৰ্থনৈতিক অৱস্থা বেয়া হৈছে, তেতিয়াই মানুহৰ সততাৰ হাৰ কমিছে। অথচ এই প্ৰথমবাৰলৈ পৰিস্থিতি ভিন্ন হোৱা পৰিলক্ষিত হৈছে। সেই হিচাপতে কৰ'নাকাল এক ব্যতিক্ৰমী সময় বুলি গণ্য কৰা হৈছে। জুৰিখ বিশ্ববিদ্যালয়ৰ গৱেষকসকলে সম্প্ৰতি এক সমীক্ষা চলাইছিল। সেই পৰীক্ষাৰ ফলাফল 'নেচাৰ হিউমেন বিহেভিয়াৰ' নামৰ জাৰ্ণেলত প্ৰকাশ পাইছে। সমীক্ষাত দেখা গৈছে যে মানুহৰ সামগ্ৰিক সততাৰ মাত্ৰা কিছু পৰিমাণে বৃদ্ধি পাইছে। সমান্তৰালকৈ বৃদ্ধি পাইছে সহমৰ্মিতা, ইয়াৰ বিপৰীতে হ্ৰাস পাইছে স্বাৰ্থপৰতা।এই সমীক্ষাৰ বাবে প্ৰাথমিকভাৱে এনে একাংশ লোকক বাছি লোৱা হৈছিল, যি সকলৰ বিৰুদ্ধে পূৰ্বে আছিল ধন চুৰি, জালিয়াতি বা লুটপাতৰ একাধিক অভিযোগ আৰু তাৰ অধিকাংশই প্ৰমাণিত হৈছিল। দেখা যায় যে বৰ্তমানৰ পৰিস্থিতিয়ে তেওঁলোকক লুটপাত বা জালিয়াতিৰ সুযোগ উলিয়াই দিলেও, তেওঁলোকে কিন্তু এই ক্ষেত্ৰত পিছুৱাই আহিছে। আনহাতে, যি ক্ষেত্ৰত বহু লোকক সামান্য পৰিমাণৰহে ক্ষতি কৰাৰ সুযোগ আছে, সেই সুযোগ তেওঁলোকে গ্ৰহণ কৰিছে। অথচ বিপৰীত দিশৰ মানুহৰ সংখ্যা যিমানেই কমিছে আৰু একোজন লোকৰ ক্ষতিৰ পৰিমাণ বৃদ্ধি পাইছে, সমীক্ষা অংশ লোৱা লোকসকলে সিমানেই পিছুৱাই আহিছে।

এনে জালিয়াতি বা লুটৰ ধন আন এজনৰ স'তে ভাগ কৰি লোৱাৰ কথা যেতিয়া কোৱা হৈছে, তেওঁলোকে সেয়াও নিৰ্দ্বিধায় কৰিছে। ভাগো কৰিছে সমান পৰিমাণত। যদিও যাৰ স'তে ভাগ কৰিছে তেওঁলোক হয়তো সামাজিক, অৰ্থনৈতিক বা শাৰীৰিকভাৱে অত্যন্ত দুৰ্বল। ফলত এই ভাগ-বাতোৱাৰ কোনো ভয় নহয়, বৰঞ্চ কাম কৰিছে সহমৰ্মিতাই। সমীক্ষাৰ পৰাই এনে সিদ্ধান্তত উপনীত হৈছে জুৰিখ বিশ্ববিদ্যালয়ৰ গৱেষকৰ দলটো। সকলো মিলাই তেওঁলোকে দাবী কৰিছে যে কৰ'নাকালত সকলো হিচাপেই অত্যন্ত ব্যতিক্ৰমী। মানুহৰ অৰ্থনীতিগত চৰিত্ৰও এই সময়ত বহুখিনি সলনি হৈছে।



## কাগজ-কলমৰ পৰিৱৰ্তে ডিজিটেল হ'ব লোকপিয়ল

### কৰ্মীয়ে জনসংখ্যাৰ তথ্য নথিভুক্ত কৰিব টেবলেট-ম'বাইলত

**নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১০ আগষ্ট ঃ** পুৰণি কাগজ-কলমৰ পৰিৱৰ্তে এতিয়াৰ পৰা ডিজিটেল পদ্ধতিত হ'ব লোকপিয়ল। কেন্দ্ৰই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। আজি সংসদত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে জনায় যে লোকপিয়ল পদ্ধতি ডিজিটেল কৰা হ'ব। প্ৰথমবাৰলৈ ডিজিটেল পদ্ধতি দেশত লোকপিয়ল সম্পন্ন হ'ব।

কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে জনাইছে যে আগন্তুক ১৬সংখ্যক লোকপিয়ল হ'ব ডিজিটেল পদ্ধতিত। ইমান দিনে লোকপিয়ল কৰ্মীয়ে ঘৰে ঘৰে জনসংখ্যা গণনা কৰাৰ কাম চলি আহিছিল। পৰিয়ালত কিমানজন সদস্য আছে, সেয়া লোকপিয়লত নিয়োজিত কৰ্মীয়ে কাগজত কলমেৰে লিপিবদ্ধ কৰিছিল। সেই পুৰণি পদ্ধতিত এখন প্ৰ-পত্ৰও পূৰণ কৰিবলগীয়া হৈছিল। এতিয়াৰ পৰা প্ৰ-পত্ৰ পূৰণৰ কোনো জঞ্জাল নাথাকিব। গৃহ মন্ত্ৰণালয়ে জনাইছে যে এইবাৰৰ পৰা লোকপিয়লৰ কামত নিয়োজিত কৰ্মীসকলৰ হাতত থাকিব টেবলেট বা স্মাৰ্টফোন। তেওঁলোকে ঘৰে ঘৰে গৈ জনসংখ্যাৰ তথ্য ডিজিটেল পদ্ধতিৰে নথিভুক্ত কৰিব। লোকপিয়ল সম্পৰ্কীয় এটা এপ প্ৰচলন কৰা হ'ব বুলিও মন্ত্ৰণালয়ে জনাইছে। সেই এপ ব্যৱহাৰ কৰি মানুহে তথ্য সংগ্ৰহ কৰিব পাৰিব। ইয়াৰ উপৰি লোকপিয়ল সম্পৰ্কীয় এটা প'ৰ্টেলো থাকিব, যাৰ মাধ্যমেৰে লোকপিয়ল সংক্ৰান্তীয় যাৱতীয় কাম-কাজত দৃষ্টি ৰাখিব পৰা যাব। উল্লেখ্য যে ২০২১ৰ লোকপিয়ল কাগজে-কলমে নহ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আগতেই ঘোষণা কৰিছিল। শ্বাহে লগতে কৈছিল যে ম'বাইল এপৰ মাধ্যমেৰে এই কাম হ'ব, যিটো কাৰ্যতঃ দেশক ডিজিটেল কৰি তোলাৰ আৰু এটা নতুন খোজ।

বজ্ৰাঙ্গ
এম. এম. টেব (ফোৰ্ট) আৰু ডাইবিক্যোৰ
নিৰ্ভৰযোগ্য ডাইবিটিজ (পেশাব ও ৰক্তত চেনী, মধুমেহ) নাশক, অত্যন্ত বলবীৰ্য আৰু স্বাস্থ্যবৰ্দ্ধক ঔষধ।
অম্লশূলশমন চূৰ্ণ
অম্লপিত্ত, পিত্তশূল, গেছ, বুকু পুৰা, কোষ্টবদ্ধতা, শূল আদি পেটৰ সকলো ৰোগ নাশক।
শ্ৰী বজ্ৰাঙ্গ আয়ুৰ্বেদ ভৱন
(আয়ুৰ্বেদোক্ত বিশুদ্ধ ও অনুভূত ঔষধৰ সুপৰিচিত নিৰ্মাতা)
মুৰলীধৰ শৰ্মা ৰোড, ফাঁচী বজাৰ, গুৱাহাটী-১ (অসম)
ফোন ঃ (০৩৬১) ২৫৪৭৭৮৯ (কা.) ২৫২২৫৭৪ (ফেক্টৰী)

# লাভলীনাক আদৰিবলৈ ব্যাপক প্ৰস্তুতি ধনশিৰিত

## বোকাপানী খচকি টকিঅ'লৈ যোৱা ব্ৰঞ্জ বিজয়িনী গৃহলৈ আহিব পকী পথেৰে ঃ লাভলীনাৰ সাক্ষাতৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা মাতৃ-যমজ ভগ্নীৰ

**অগ্ৰদূত বাৰ্তা**

**সৰুপথাৰ, ১০ আগষ্ট ঃ** টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী লাভলীনা বৰগোহাঁইক আদৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে ধনশিৰি মহকুমা নিবাসীয়ে। টকিঅ'ৰ পৰা উভতি আহি লাভলীনাই স্বদেশত উপস্থিত হোৱাৰ পাছৰে পৰা তেওঁৰ জন্মস্থান বাৰমুখীয়া গাঁৱৰ লগতে সমগ্ৰ মহকুমাটোতে ব্যাপক উচ্ছাসৰ সৃষ্টি হৈছে। স্বাধীনতা দিৱসৰ পূৰ্বে এদিনৰ বাবে তাৰকা বক্সাৰগৰাকী অসমলৈ অহাৰ কথা আছে। ১৫ আগষ্টত স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অংশ লোৱাৰ পাছত লাভলীনা পুনৰ ১৭ আগষ্টত অসমলৈ আহিব। অৱশ্যে কোনদিনা ইতিহাস সৃষ্টিকাৰী লাভলীনাই জন্মস্থানত উপস্থিত হ'ব সেয়া এতিয়াও নিশ্চিত হোৱা নাই। তৎসত্ত্বেও বৰপথাৰ বাৰমুখীয়া গাঁৱৰ লগতে সমগ্ৰ মহকুমাৰ নিবাসীসকলে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰতিভাৱান বক্সাৰগৰাকীক উষ্ম আদৰণি জনোৱাৰ বাবে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে।



উল্লেখ্য যে লাভলীনাৰ গাঁৱৰ ঘৰত ইতিমধ্যে উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰি আছে। গাঁওখনৰ মহিলাসকলে তেওঁৰ বাসগৃহৰ চোতালত বিহুগীত গাই ৰং-ধেমালি কৰা আজি পৰিলক্ষিত হয়। বাৰমুখীয়া গাঁৱৰ ৰাইজে ঢোলে-দগৰে, গায়ন-বায়ন আৰু জাতীয়-জনজাতীয় কৃষ্টিৰ দলেৰে শোভাযাত্ৰা কৰি লাভলীনাক নিজ গৃহলৈ আদৰি অনাৰ প্ৰস্তুতি চলাইছে। অতি অনগ্ৰসৰ অঞ্চলৰ পৰা বোকা-পানীৰে পৰিপূৰ্ণ খলা-বমা পথেৰে খোজ কাঢ়ি গৈ সুদূৰ টকিঅ'ত বাৰমুখীয়া গাঁৱৰ মুখ উজ্জ্বল কৰিবলৈ সক্ষম হৈছিল লাভলীনাই। তেওঁৰ বিৰল কৃতিত্বত স্বাভাৱিকতে গৌৰৱান্বিত হৈ পৰিছে গাঁওবাসী। মন কৰিবলগীয়া যে লাভলীনাই পুনৰ বোকা-পানী খচকি নিজ গৃহলৈ উভতি আহিব নালাগে। ইয়াৰ পৰিৱৰ্তে তেওঁ স্বগৃহত উপস্থিত হ'ব নৱনিৰ্মিত পকী পথেৰে আহি লাভলীনাৰ গৃহলৈ যোৱা পথটোৰ পকীকৰণ সম্পূৰ্ণ কৰাৰ বাবে গঁড়কাপ্তানী বিভাগে ক্ষিপ্ৰতাৰে কাম অব্যাহত ৰাখিছে। ধনশিৰি মহকুমাৰ বিভিন্ন দল-সংগঠনেও লাভলীনাক আদৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। ইফালে, ইতিহাস সৃষ্টিকাৰী কন্যাক দীৰ্ঘদিনৰ পাছত চকুৰ সন্মুখত দেখাৰ বাবেই উদ্বাউল হৈ পৰিছে। তেওঁৰ মাতৃ মামণি বৰগোহাঁই। একেদৰে লাভলীনাক সাক্ষাতৰ বাবে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে তেওঁলোক দুই যমজ ভগ্নী লিচা আৰু লিমাই। উল্লেখ্য যে লাভলীনাক আদৰাৰ বাবে ইতিমধ্যে তেওঁৰ পিতৃ টিকেন বৰগোহাঁয়ে গৈ নতুন দিল্লীত আছে। ভগ্নীক সাক্ষাতৰ বাবে কৰ্মস্থলীৰ পৰা ছুটি লৈ ইতিমধ্যে স্বগৃহত আহি উপস্থিত হৈছে লিচা আৰু লিমা। দুই যমজ ভগ্নীৰ লগতে মাতৃয়েও জানিবলৈ দিয়ে যে তেওঁলোকে বিগত প্ৰায় এবছৰ ধৰি লাভলীনাৰ সাক্ষাৎ পোৱা নাই। সেয়েহে কৃতিত্ব অৰ্জনকাৰী লাভলীনাক এবাৰ কাষত পোৱাৰ বাবে তেওঁলোক পৰম ব্যাকুল হৈ থকা বুলি জানিবলৈ দিয়ে।

মহিলাৰ স্বাস্থ্য! সমস্যা অনেক
তুলনাহীন উপায় হেমপুষ্পা
৯০ বছৰৰ পৰা মহিলাৰ No.1 ঔষধী আৰু টনিক
তল পেটৰ বিষ
কঁকালৰ বিষ
ৰক্তহীনতা
দুৰ্বলতা
হাতৰ তলুৱা জ্বলা-পোৰা কৰা
তেজ পৰিশোধক
ৰূপ উজ্জলায়
দুশ্চিন্তা দূৰ কৰে
আদিত সহায়ক
ইমিউনিটী বঢ়ায় সুৰক্ষিত ৰাখে
ফলদায়ক আৰু নিৰ্ভৰযোগ্য
অশ্বগন্ধা, মুলেঠি, মুছলি, জিংক আদি আয়ুৰ্বেদিক মৌল যুক্ত
হেমপুষ্পা
SS: B.D. Mercantile, Guwahati Ph.: 8011749612
স্বাস্থ্যৰ লগত এৰা-ধৰা নকৰিব, সৰ্বোত্তম হেমপুষ্পাহে গ্ৰহণ কৰক




# অলিম্পিকৰ সিপাৰে চমক সৃষ্টি শতায়ু গৰকা বৃদ্ধাৰ

## এশ বছৰত পেছাদাৰী ভাৰোত্তোলনত গঢ়িলে বিশ্ব অভিলেখ

**নিউজ ব্যুৰ'**

**ফ্ল'ৰিডা, ১০ আগষ্ট ঃ** মীৰাবাঈ চানুকে ধৰি বিশ্বৰ বহুতো ভাৰোত্তোলকে জাপানৰ টকিঅ'ত পদক জয়েৰে নিজৰ দেশক গৌৰৱান্বিত কৰিছে। তেনে সময়তে বিশ্বৰ আন এটা প্ৰান্তত চমক সৃষ্টি কৰিলে এগৰাকী শতায়ু গৰকা বৃদ্ধাই। বয়সৰ ভাৰক একাষৰীয়াকৈ থৈ ভাৰোত্তোলনৰ জৰিয়তে গীণিছ বিশ্ব অভিলেখত নাম সন্নিবিষ্ট কৰিলে এশ বছৰীয়া এডিথ মূৰৰে'-ট্ৰাইনা নামৰ বৃদ্ধাগৰাকীয়ে। পৰিগণিত হ'ল বিশ্বৰ সবাতোকৈ বয়সস্থ পেছাদাৰী ভাৰোত্তোলকত।

জীৱনৰ এশটা বসন্ত অতিক্ৰম কৰাটো কম কথা নহয়। ইয়াৰ ছাপ ফ্ল'ৰিডা নিবাসী শতায়ু গৰকা বৃদ্ধাৰ শৰীৰতো পৰিছে। ভাঁজ পৰিছে গাৰ ছালত। কান্ধ সামান্য সন্মুখৰ ফালে হাউলি পৰিছে। তৎসত্ত্বেও ইচ্ছাশক্তিত তিলমাত্ৰো পৰিৱৰ্তন হোৱা নাই। এসময়ত নৃত্যৰ শিক্ষয়িত্ৰী আছিল এডিথ। ৯১ বছৰ বয়সত তেওঁ প্ৰথমে ভাৰোত্তোলন আৰম্ভ কৰে। বন্ধু কাৰমেন গাটৰৰ্থৰ আমন্ত্ৰণত এডিথ এদিন তেওঁৰ জিমলৈ গৈছিল। তেতিয়াই অন্যান্য ভাৰোত্তোলকক দেখি তেওঁৰ মনত আকৰ্ষণ সৃষ্টি হয়। বাকীসকলে যদি পাৰে, তেওঁ কিয় নোৱাৰিব? এই প্ৰশ্নটোৱেই জাগিছিল এডিথৰ মনত। সেই প্ৰশ্নৰ উত্তৰ নিজেই নিজক দিয়াৰ বাবেই ৯১ বছৰীয়া বৃদ্ধাই ভাৰোত্তোলন আৰম্ভ কৰে। প্ৰথম অৱস্থাত সামান্য সমস্যা হৈছিল, কিন্তু লাহে লাহে স্বাভাৱিক হৈ আহে আৰু এটা সময়ত ওজন দঙাটো এডিথৰ অভ্যাসত পৰিণত হয়।

এতিয়া এশ বছৰ বয়সতো এডিথে প্ৰায় ৬০ কিলোগ্ৰাম ওজন দাঙিব পাৰে। ইয়াৰ বাবে বিভিন্ন প্ৰতিযোগিতাত তেওঁ পুৰস্কাৰো লাভ কৰিছে। এইবাৰ তেওঁ 'গীণিছ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছ'তো নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হ'ল। ভাৰতে মীৰাবাঈ চানুৰ অলিম্পিক পদক জয়ৰ আনন্দ উদযাপন কৰাৰ সময়তে এডিথ পগিণিত হ'ল বিশ্বৰ সবাতোকৈ বয়সীয়া পেছাদাৰী ভাৰোত্তোলকত। এই কৃতিত্বত এডিথ যিমান আনন্দিত, তাতকৈ অধিক আনন্দ পাইছে তেওঁৰ বন্ধু তথা প্ৰশিক্ষক কাৰমেনে। ইফালে, অভিলেখৰ পাছতো থমকি ৰ'ব খোজা নাই শতায়ু এডিথ। এতিয়া তেওঁৰ লক্ষ্য হৈছে অধিক ওজন দঙা।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com